# বড়িশা মহাবিদ্যালয় বার্ষিকী



# মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা






মহাবিদ্যালয় সপ্তাহৰ শ্বহীদ বেদী উন্মোচন কৰা মুহূৰ্ত



মহাবিদ্যালয় সপ্তাহৰ পতাকা উত্তোলন কৰা মুহূৰ্তত অধ্যক্ষ মহোদয় মাননীয় শ্ৰীযুত গোলোকচন্দ্ৰ ভূঞাদেৱ

## ৰঙিয়া মহাবিদ্যালয় আলোচনী

প্ৰীতি আৰু শুভেচ্ছাৰে—

............................................................

............................................................ লৈ আগবঢ়োৱা হ'ল ।

তত্ত্বাৱধায়ক — সম্পাদক

সম্পাদক—
হেমন্ত দাস

তত্ত্বাৱধায়ক—
অধ্যাপক দক্ষেশ্বৰ ডেকা

# ৰঙিয়া মহাবিদ্যালয় আলোচনী

১৯৯৪-৯৫ সংখ্যা

তত্ত্বাৱধায়ক—
অধ্যাপক দক্ষেশ্বৰ ডেকা

সম্পাদক—
হেমন্ত দাস

## সম্পাদনা সমিতি

অধ্যক্ষ-গোলোক চন্দ্ৰ ভূঞা (সভাপতি)

অধ্যাপক-দক্ষেশ্বৰ ডেকা (তত্ত্বাৱধায়ক)

হেমন্ত দাস (সম্পাদক)

অতুল চন্দ্ৰ বড়ো (সদস্য)

বেটুপাত—

পুতুল সোনেশ্বৰ

অংগ সজ্জা—

সম্পাদক

—জন সেবক প্ৰেছ ৰঙিয়াত মুদ্ৰিত।



## ঃ শুভেচ্ছা বাণী ঃ

ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ তৰফৰ পৰা বাৰ্ষিক আলোচনী প্ৰকাশৰ প্ৰস্তুতি চলা বুলি জানিবলৈ পাই আনন্দিত হৈছো। ছাত্ৰ সমাজৰ মাজত গণতান্ত্ৰিক জনমত গঠন কৰা তথা বৌদ্ধিক প্ৰতিভা বিকাশৰ ক্ষেত্ৰত মহাবিদ্যালয় আলোচনীৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। ভাৰত ৰাষ্ট্ৰৰ ঔপনিবেশীক শাসন ব্যৱস্থাই আজি অসমৰ বনুৱা ৰাইজৰ অৰ্থ-সামাজিক সমাজ জীৱনক যিদৰে সকলো পিনৰ পৰা জুৰুলা কৰি তুলিছে, তাৰ পটভুমিত ছাত্ৰ-সমাজৰ ওপৰত এক গুৰু দায়িত্ব আহি পৰিছে। শত্ৰু-মিত্ৰ সমীকৰণ সমূহ যথাৰ্থভাবে উপলদ্ধি কৰি জাতীয় আত্ম নিয়ন্ত্ৰণৰ সংগ্ৰামখন আমাৰ নতুন পুৰুষেই দৃঢ়তাৰে আগুৱাই নিব লাগিব। তদুপৰি শ্ৰম বিমুখ ঔপনিবেশিক শিক্ষা ব্যৱস্থা'টোক প্ৰত্যাখ্যান কৰি উৎপাদনৰ প্ৰক্ৰিয়াৰ সৈতে প্ৰত্যক্ষ সম্পৰ্ক থকা নতুন কৰ্মমুখী শিক্ষা ব্যৱস্থা এটাও আমিয়ে গঢ় দিব লাগিব। এই গুৰু দায়িত্ব সমূহ নিয়াৰিকৈ পালনৰ বাবে ছাত্ৰ সমাজৰ মাজত নতুন নতুন চিন্তা চৰ্চা, ধ্যান ধাৰণাৰ আদান প্ৰদান হ'ব লাগিব, জনমত গঠনৰ মুক্ত মাধ্যম আমি গঢ় দিব লাগিব। ৰঙিয়া মহাবিদ্যালয়ৰ আলোচনীখনে এনে প্ৰয়োজনীয়তা পুৰণৰ ক্ষেত্ৰত সহায়ক ভুমিকা ললে আমি পৰম আনন্দিত হম।

পৰাগ কুমাৰ দাস



## ॥ শুভেচ্ছা বাণী ॥

প্ৰিয় সম্পাদক,

তোমালোকৰ আলোচনীলৈ শুভেচ্ছা বিচাৰি দিয়া চিঠিখন পালো।

একো একোখন কলেজ আলোচনী একো একোটা অঞ্চলৰো সাংস্কৃতিক প্ৰতিনিধি। তোমালোকৰ হেপাহৰ বছেৰেকী কলেজ আলোচনীখন ভাবে ভাষাই প্ৰসাদগুণ বিশিষ্ট আৰু তাৎপৰ্য্যপূৰ্ণ ৰচনাৰে পৰিপূৰ্ণ হৈ ছাত্ৰ-ছাত্ৰীৰ লগতে অঞ্চলটোৰো গৌৰব বঢ়াওক।

আন্তৰিক শুভেচ্ছাৰে, ইতি—

তোমালোকৰ আটাইৰে
হীৰেণ ভট্টাচাৰ্য
১৯/৩/৯৬



## ॥ শুভেচ্ছা বাণী ॥

মই জানি অতিশয় আনন্দিত যে ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাই বছেৰেকীয়া আলোচনীখন প্ৰকাশ কৰাৰ যো-জা কৰিছে। আলোচনীখন মহাবিদ্যালয়ৰ মুখপত্ৰ হোৱাৰ উপৰিও সেই অঞ্চলৰ বিভিন্ন দিশ সামৰি লব লাগিব। আশাকৰোঁ ছাত্ৰ বন্ধু,সকলে শৈক্ষিক দিশৰ লগতে এই সময়ৰ বিভিন্ন সমস্যা তথা দেশ-বিদেশৰ জ্ঞান-বিজ্ঞানৰ কথাও কব। মই আলোচনীখনৰ সাফল্য কামনা কৰিলোঁ।

স্বাক্ষৰ/ সমীৰ তাঁতী
১৯ ৩-৯৬





## * অৰ্পন *

জাতীয় দুৰ্যোগৰ দুঃস্বপ্নময় দিনবোৰত আদৰ্শগত সাহস যোগোৱা জাতীয় শ্বহীদ স্বৰ্গীয় পৰাগ কুমাৰ দাসৰ পবিত্ৰ স্মৃতিত সাদৰেৰে এই সংখ্যাটি অৰ্পন কৰিলোঁ।



কৰ্ম ব্যস্ততাৰ মুহূৰ্তত মহাবিদ্যালয়ৰ বৰ্তমান অধ্যক্ষ মাননীয় শ্ৰীযুত গোলোকচন্দ্ৰ ভূঞাদেৱ।

## শ্ৰদ্ধাঞ্জলী-



যি সকলৰ জীৱন উচৰ্গাৰে ইতিহাসৰ সংকটপূৰ্ণ মূহুৰ্ত্তবোৰত গঢ়ি উঠা আন্দোলনবোৰ মূৰ্ত্ত অমৰ হৈ উঠিল, সেইসকল অমৰ শ্বহীদৰ পবিত্ৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ।



কৰ্ম ব্যস্ততাৰ মাজেৰে আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন তথা বিদায়ী অধ্যক্ষ মাননীয় শ্ৰীযুত গদাধৰ ফাটোৱালী দেৱ



গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বাৰা আয়োজিত ৰাষ্ট্ৰীয় 'সেৱা আঁচনি'ত অংশ গ্ৰহণ কৰা ৰঙিয়া মহাবিদ্যালয়ৰ দলটি



নৱাগত আদৰণি সভাত যাৰ গানে ছাত্ৰ-ছাত্ৰী সকলৰ মন কাঢ়ি নিবলৈ সক্ষম হোৱা মঃ বুলবুল আহমেদ

# ১৯৯৪-৯৫ বৰ্ষৰ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ বিষয়-ববীয়াসকল



বহি- বাওফালৰ পৰা ক্ৰমে -
ৰাতুল কলিতা - (উপ-সভাপতি) ; ভূপেন শৰ্মা - (তত্বাৱধায়ক ছাত্ৰজিৰণী কোঠা); অপুৰ্বৱ গোস্বামী - (তত্বাবধায়ক, সাংস্কৃতিক); গোলকচন্দ্ৰ ভূঞা - (অধ্যক্ষ ও সভাপতি); দক্ষেশ্বৰ ডেকা -(তত্বাবধায়ক, আলোচনী); প্ৰদীপ ঠাকুৰীয়া -(তত্বাবধায়ক, সাহিত্য আৰু তৰ্ক); প্ৰদীপ ডেকা -(তত্বাবধায়ক লঘু খেল); অতুল বড়ো -(সাধাৰণ সম্পাদক)

থিয়হৈ - সোঁফালৰ পৰা ক্ৰমে -
ৰমেশচন্দ্ৰ বড়ো -(সম্পাদক, ছাত্ৰজিৰণী কোঠা); অপুৰ্বৱ কলিতা - (সম্পাদক, সমাজসেৱা); হেমন্ত দাস - (সম্পাদক, আলোচনী); নৃপেনকৃষ্ণ দাস - (সম্পাদক, গুৰু খেল বিভাগ); নমিতা দাস -(সম্পাদিকা, সাংস্কৃতিক বিভাগ); বিলকিছ ইছলাম -(সম্পাদিকা, ছাত্ৰী জিবণী কোঠা)

# সূচীপত্ৰ


## সম্পাদকীয় ঃ

## গল্প ঃ
১। ব্যথিত হৃদয়—ৰাজীৱ শইকীয়া। ২। জীৱন যন্ত্ৰনা-কল্পনা শৰ্ম্মা। ৩। পৰিবৰ্ত্তন—পাৰবিন অনিমা চৌধুৰী। ৪। সংগ্ৰাম-যতীন দাস।

## কবিতা ঃ
১। স্পৰ্শ কৰা মোক-অৰুন চৌধুৰী। ২। এটি সূৰ্য্যৰ সন্ধান-বাবুল দত্ত। ৩। সময়ৰ সোঁত-ৰুহুল ইছলাম। ৪। প্ৰজন্ম-দ্বীপেন কলিতা।
৫। শকুন্তলা-তপন শইকীয়া। ৬। অন্ধকাৰ ভৱিষ্যত-হিতেশ্বৰ দাস। ৭। দ্বিধা-আফৰুজা বেগম। ৮। স্বাগতম বিষ্ণুৰাভা-শংকৰ কলিতা। ৯। মোক একাঞ্জলী আশীষ দিয়া হীৰামণি দেৱী। ১০। অগ্নিকণা মই-বিপুল তালুকদাৰ। ১১। ব্যৰ্থ জীৱন-অৰূপ দাস।
১২। এটি বিপ্লৱৰ গান-দীপক কলিতা।
১৩। সিইত আহিছে-ইৰামণি শৰ্মা। ১৪। আহ্বান চন্দন শৰ্ম্মা। ১৫। বিভিষীকা-মুকুট শৰ্মা।

## প্ৰবন্ধ ঃ
১। বিশ্ব সাহিত্যত ইংৰাজী আৰু আৰবী কবিতাত ৰোমাণ্টিছিজম-হাফিজৰ ৰহমান। ২। নাৰী স্বাধীনতা এক পৰ্য্যালোচনা-নমিতা শৰ্ম্মা। ৩। উচ্ছৃংখল যুৱ মানসিকতা আৰু সমাজ সংস্কাৰ-নুৰুল ইছলাম আহমেদ। ৪। ৰোহিনী-মকছেদুল ইছলাম। ৫। মোক্ষতত্ত্ব-দক্ষেশ্বৰ ডেকা।

## ভিন্ন কলম ঃ
১। অন্যান্য বিষয়। ২। সম্পাদকলৈ চিঠি। ৩। নীতিজ্ঞান। ৪। প্ৰশ্নোত্তৰ। ৫। কৌতুক আৰু শ্বায়েৰী।
বিভাগীয় সম্পাদক / সম্পাদীকাৰ প্ৰতিবেদন।

ENGLISH :
1. O, my Day's O, my Village— M.O. Ghani.
2. Asking a halp to Gol— Jumi Kalita.
3. Plato's Philosophical and Educational Veiws-Nirupama Sarma.


000
000000
0000
000

# সম্পাদকীয়



'সাহিত্যাই জাতি এটাৰ দাপোন স্বৰূপ' এই শাৰী উক্তি জনসাধাৰণৰ মুখত মুখাৰিত হলেই যে সাহিত্য তথা জাতি জীয়াই থাকিব সেয়া নহয়। সাহিত্য সৃষ্টিৰ মূল উৎস অধ্যয়ন। কয়লা বিহীন ইঞ্জিন যেনেকৈ অচল ঠিক তেনেকৈ অধ্যায়ন বিহীন সৃষ্টি সাহিত্যাই জাতি বা সাহিত্য স্থবিৰ কৰাৰ বাহিৰে অইন একো ভূমিকা লব নোৱাৰে। সেয়ে সাহিত্য তথা জাতি জীয়াই ৰখাৰ অৰ্থে অধ্যয়নৰ ফলত সঞ্চিত বিস্কৃত জ্ঞানৰ পৰিসৰে নতুন প্ৰতিভাৰ জন্ম দিয়ে। গতিকেই সাহিত্যাই হ'ল এখন দেশৰ এটা জাতিৰ প্ৰাণ। সাহিত্য নোহোৱাকৈ এখন দেশৰ সংস্কৃতি, সভ্যতা, কৃষ্টি গঢ়ি উঠিব নোৱাৰে। যেনে দৰে মাতৃ নোহোৱাকৈ সন্তানে পৃথিৱীৰ জ্ঞানৰ পোহৰ দেখিবলৈ নাপায় ঠিক তেনেকৈ বাস্তৱ জগতৰ সুখ, দুখ, আনন্দ, বিষাদ সৌন্দৰ্য্য এই সকলোবোৰৰ অনুপস্থিতিত সাহিত্য হব তেনে অন্ধকাৰ। আজি এই জৰা-জীৰ্ণ কু-সংস্কাৰেৰে ভৰা জাতি এটাক সৰ্বাংগীন উন্নতিৰ পথত আগুৱাই নিবলৈ হলে এটা জাতি হিচাপে বিশ্ব দৰবাৰত থিয় দিবলৈ হ'লে সাহিত্যৰ প্ৰয়োজন। কিয়নো ৰাজনৈতিক আৰু আধ্যাত্মিক সমাজখনৰ শান্তি আৰু সৌন্দৰ্য্যৰ অনুপ্ৰেৰনা যোগাব পাৰিব মাথোন সু-সাহিত্যইহে।

অসম তথা অসমৰ জাতি সত্তা আজি কিছুমান দানৱ সদৃশ দুৰ্নীতিবিদৰ দুৰ্নীতি তথা ভূৱা প্ৰৱঞ্চনাৰ মাজত আৱদ্ধ। কোনোবাই যদি সংস্কাৰৰ মানসেৰে বিপ্লৱী মন লৈ আগবাঢ়ি আহে তেতিয়া হলে এক পক্ষীয় দৃষ্টি ভংগীত ইয়াক সমাজ বিৰোধী বুলি কব। কিন্তু যদি আমি বাহ্যিক দৃষ্টিভংগীৰে চাবলৈ নগৈ সূক্ষ্ম দৃষ্টিভংগীৰে চাবলৈ যাও তেতিয়া হলে ইয়াৰ বাবে দায়ী হব দুৰ্নীতিবিদ আৰু প্ৰৱঞ্চকসকল। এনে দুৰ্নীতিবিদ আৰু প্ৰৱঞ্চক সকলৰ পৰা মুক্তি পাবলৈ হলে

ছাত্ৰ সমাজে এক কঠোৰ দায়িত্ব পালন কৰিব লাগিব। এই দায়িত্ব অধ্যয়ন।

অসম আজি মৃত্যু মুখত। কাৰণ কেন্দ্ৰীয় চৰকাৰে এই ৰাজ্যৰ প্ৰতি কৰি থকা চৰম অৱহেলা। ভাষা, শিক্ষাৰ মাধ্যম, তেল শোধনাগাৰ, খাদ্য আৰু বিদেশী বহিষ্কৰণ আদি ন্যায্য দাবীবোৰৰ বাবে অসমে আন্দোলন কৰিব লগা হৈছিল আৰু আজিও আন্দোলন কৰি আছে। কিন্তু এনে ধৰণৰ ন্যায্য দাবীবোৰৰ বাবে ভাৰতবৰ্ষৰ কোনো এখন ৰাজ্যই আন্দোলন কৰিব লগা হোৱা নাই। সেয়েহে নিজ ৰাজ্যৰ স্বাৰ্থৰ হকে আহুতি দিয়া শ্বহীদৰ সংখ্যা অন্যান্য ৰাজ্যৰ তুলনাত অসমত বেছি। এইদৰে আমাৰ চিৰ চেনেহী অসম জননী যুগ যুগান্তৰ অৱহেলিত হৈ ৰ'ল। ফল স্বৰূপে অসমৰ যুৱক সকল জাগি উঠিছে।

স্বাধীন অসম ৰাষ্ট্ৰৰ সপোন দেখা এই চাম যুৱকৰ কাৰ্য্যই অসমৰ জনসাধাৰণক সচেতন কৰাৰ লগতে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰ উভয়কে অধিক চিন্তিত কৰি তুলিছে। আৰু উভয় চৰকাৰে এইচাম সন্ত্ৰাসবাদীক কৰায়ত্ব কৰিবলৈ উঠি পৰি লাগিছে। বিয়পাই দিছে চাৰিওফালে ৰঙা, ক'লা, বগা নানা কুকুৰ সদৃশ কিছুমান মানৱ, যাৰ ফলত বহুতো অসমৰ মূল্যবান সন্তানৰ মৃত্যু হ'ল। কিছুমান পংগু হ'ল। সৰ্বভাৰতীয় দল সমূহেও ইয়াক এটা ইচু হিচাবে লোৱাত অসমৰ মূল সমস্যা ঢাক খাই গৈছে। বিভিন্ন ৰাজনৈতিক দল সমূহে অসমৰ সামগ্ৰীক উন্নতিৰ কথা নেভাবি ক্ষুদ্ৰ ৰাজনীতিক স্থান দিয়াত অসমৰ উন্নতিৰ হেঙাৰৰ অইন এটা কাৰণ। অসমীয়াৰ মাজত বিভাজন আনিছে এই ৰাজনীতিয়ে। প্ৰকৃততে অসম ৰাজনীতিৰ পৰীক্ষাগাৰৰ এটা গিনিপিগ বুলি কোৱা হয়।

যুগৰ পৰিবৰ্ত্তনৰ আৱশ্যক হৈ পৰিছে। তেতিয়াই আৱশ্যক হয় নতুন সাহিত্যিকৰ সৃষ্টি। কলেজ আলোচনী বিলাক ন-ন সাহিত্য প্ৰেমীলোকৰ সৃষ্টি কৰি ন-ন সাহিত্যিকৰ আৱিস্কাৰ কৰাত সহায় কৰে। সেই কন আৱশ্যকতা বুকুত বান্ধি লৈ আমাৰ আলোচনীখনো আহি আহি এয়া ১৯৯৪-৯৫ চনৰ পদক্ষেপত। আমাৰ সাহিত্য সংস্কৃতিৰ বাহক বন্তি গচি যেন কেতিয়াও ছাত্ৰ-ছাত্ৰীসকলে নুমাই যাবলৈ নিদিয়ে। ইয়াৰ বুকুতে পাতনি মেলি যেন সৃষ্টি হয় একোজন সু-সাহিত্যিকৰ, গঢ় লয় ন-ন সমাজ সেৱক।

আলোচনীখন প্ৰকাশ পোৱাত কেই মাহমান পলম হ'ল। তাৰ বাবে মই সকলোৰে ওচৰত মাৰ্জনা বিচাৰিছোঁ। ইয়াৰ কাৰণ প্ৰৱন্ধ পাতিৰ অভাৱ আৰু কিছু পৰিমাণে মোৰ অনাভিজ্ঞতা। আলোচনীখন প্ৰকাশৰ পথত বিভিন্নজনৰ সহায় সহযোগ পাইছো। বিশেষকৈ অধ্যক্ষ ভূঞা চাৰ, তত্ত্বাবধায়ক মাননীয় শ্ৰীদক্ষেশ্বৰ ডেকা, মোৰ শিক্ষাগুৰু মাননীয় শ্ৰীভূপেন্দ্ৰ নাথ শৰ্ম্মা, অমৰেন্দ্ৰ শৰ্ম্মা আৰু মুকুল কলিতাৰ ওচৰত কৃতজ্ঞ হৈ ৰম। অৱশেষত মোৰ লগত ইটো সিটো কৰি দিয়াৰ বাবে ৰাতুল কলিতা আৰু অতুল বড়োৰ লগতে জনসেৱক প্ৰেছৰ স্বত্বাধিকাৰী প্ৰমুখ্যে সমূহ কৰ্মচাৰীলৈ ধন্যবাদ জ্ঞাপন কৰি সামৰণি মাৰিলোঁ। ০০০

সম্পাদক।



গল্প



“একোটা বিশেষ মুহূৰ্ত্ত বা অৱস্থাত মানৱ মনৰ যি প্ৰতিক্ৰিয়া হয়, সেই প্ৰতিক্ৰিয়াক আশ্ৰয় কৰি চুটি গল্পৰ জন্ম হয়।
............ গল্পৰ উপাদান মানুহ আৰু মানুহৰ বিচিত্ৰ অনুভূতি। জীৱন সমুদ্ৰ মন্থনত অমৃত আৰু গৰল উভয়ৰে জন্ম হয়। অমৃত আৰু গৰল উভয়ে সত্য। চুটিগল্প এনেবোৰ মুহূৰ্ত্তলৈ ৰচিত। অমৃত আৰু গৰল ইয়াৰ উপাদান।”

গল্প

গল্প




শ্ৰীৰাজীৱ শইকীয়া
স্নাতক ২য় বৰ্ষ (কলা)

একেই প্ৰশ্ন ...... ...... । এই প্ৰশ্নবোৰে বিদ্যুতৰ মনলৈ বিৰক্তিৰ সোঁত বোৱাই আছে আজি কিছুদিনৰ পৰা। বিৰক্তিবোৰে তাৰ ভাবনাক গিলি থ'ব খোজে যেতিয়া দুৰ্লভ উত্তৰৰ প্ৰশ্নবোৰৰ দোকোল ঢাঁকা বানে তাৰ মনত প্ৰচণ্ড ধুমুহাৰ সৃষ্টি কৰে। সেয়েহে সি বাৰে বাৰে পাহৰিব বিচাৰে প্ৰশ্নবোৰ ?? কিন্তু যিমানে সি প্ৰশ্নবোৰৰ প্ৰসঙ্গ এৰাই চলিব বিচাৰে সিমানে এইবোৰৰ সন্মুখীন হৈছে। কথাবোৰ সি সহজভাবে লব নোৱাৰা হৈছে। তাৰ ভিতৰৰ কিবা এটাৰ যেন বিলুপ্তি ঘটিছে। বচা বচা কিতাপবোৰৰ গধুৰ চিন্তাবোৰৰ বাস্তৱতাৰ মাজতো যেন অধ্যয়ন পুষ্টতাৰ মনটো বাৰে বাৰে চঞ্চল

[ অপনি–চিৰদিনৰ বাবে কালৰ সোঁতত উটি যোৱা, ভাৱনা হৈ ৰোৱা বন্ধু তপনৰ স্মৃতিত 'ব্যথিত হৃদয়' অৰ্পিলো। কাৰোবাৰ বাস্তৱক আমনি কৰিলেও মই দায়ী নহয় এয়া সম্পূৰ্ণ কল্পনাৰ। ]

হৈ পৰে।

পুল, বিদ্যুতৰ সহপাঠী। বিদ্যুতে কলেজৰ পদুলি গচকা দিনৰে পৰাই তাক সঁচা বন্ধু ৰূপত পাই আহিছে আজিলৈকে। বিদ্যুত সাধাৰণতে আনতকৈ ব্যতিক্ৰম। সেয়েহে বোধহয় তাৰ বন্ধুৰ সংখ্যাও কম আছিল। পুলৰ ভাল লাগিছিল বিদ্যুতৰ ব্যতিক্ৰমখিনিকে। সিহঁত দুয়ো ৰুমমেটও আছিল একেবাৰে কলেজীয়া জীৱনৰ আৰম্ভণিৰে পৰা। সেয়েহে সিহঁত দুয়োৰো সম্পৰ্ক আছিল নিবিড়, মিসন্ধিপূৰ্ণ। দুখবোৰ সমানে হজম কৰিব পৰা আনহাতে আনন্দবোৰ সমানে ভগাই লব পৰা বন্ধু আছিল দুয়ো। ইজনৰ সিজনৰ প্ৰতি থকা ত্যাগ আছিল

সঁচাকৈয়ে আদৰ্শনীয়। বিদ্যুতক ঘৰত আতাজানে সকলোৱে পঢ়াই মৰমতে বেকী বুলি মাতিছিল আৰু সেই মৰমে পুলকোকো বেকী বুলিয়ে মাতিবলৈ বাধ্য কৰাইছিল।

অইন দিনাৰ দৰে সিদিনাও পুলৰ মাক দেউতাকে তাৰ খবৰ লবলৈ ঘৰৰ পৰা হোষ্টেললৈ আহিছে। পুলৰ লগতে বিদ্যুতৰো খা-খবৰ লোৱাৰ অন্তত তেওঁলোক যাবলৈ ওলাল। পুলে কিছুদূৰ আগবঢ়াই থলে। মাক দেউতাকক বিদায় দি ওভোটাৰ পথত বহুদিনৰ পৰা তাৰ মনত গুমৰি-গুমৰি থকা প্ৰশ্নটোৱে আকৌ এবাৰ ভুমুকি মাৰিলে। সি আজি সেই বিষয়ে বিদ্যুতক সুধিবলৈ ঠিৰাং কৰিলে। ৰুমটোত সোমাই পুলে আৰম্ভ কৰিলে "বেকী তোক মই কথা এটা সুধিব বিচাৰো। তোৰ মা দেউতা হোষ্টেললৈ কিয় নাহে বাৰু?" বিদ্যুতে ভিতৰি ভিতৰে শিয়ৰি উঠিল। সৰ্বশৰীৰ জ্বলি উঠিল এক প্ৰকাশ কৰিব নোৱাৰা বিৰক্তিত। নিজকে সামান্য চম্ভালি সি পুলৰ হাতত খামুচি ধৰি কলে— "পুল, মোৰ অনুৰোধ তই দ্বিতীয়বাৰ মোক এইটো প্ৰশ্ন নকৰিবি।" পুলে তাক কোনো দিনে নুসুধিলে। তাৰ বাবে সেইটো সাথৰ হৈয়ে থাকিল। কিন্তু বিদ্যুতে শান্তি নাপালে। প্ৰকাশ কৰিব নোৱাৰা বেদনাত সি গোটেই নিশাটো ছটফটাই থাকিল।

পিছদিনা ৰাতিপুৱা। খুব গৰম। পুলে বিদ্যুতৰ বাইকখন লৈ বজাৰলৈ গৈছে। বিদ্যুতে বিচনাখনতে চিত হৈ কিতাপ এখন হাতত লৈছে যদিও তাৰ ভাল লগা নাই। চিলিং ফেনখনলৈ চাই সি কিবা ভাবিছে। হঠাৎ কলমটো লৈ উদ্ৰেক হোৱা ভাৱনাৰ পৰিশীলিত ৰূপটো কিতাপখনৰ পিছফালে লিখি থলে—

"তোৰ কোলাত শুই থকা বেথাখিনি
সিহঁতে চেপি চেপি
বোকোচাত তুলিব নোৱাৰা
এটা আৰ্তনাদ সৃষ্টি কৰিলে।"

এনে সময়তে উশাহু খাই পুল সোমাই আহিল। সি বিদ্যুতক সাৱটি ধৰিলে। বিদ্যুতে পুলৰ আনন্দৰ উৎস বুজিব নোৱাৰি সুধিলে— "পুল কিয় তেনেখন কৰিছ? কিনো হ'ল তোৰ?" সি কলে "বেকী, তোৰ গল্পটি আলোচনীত প্ৰকাশ পাইছে। সেই যে 'গহীন মৃত্যুৰ পথ' নামৰ গল্পটো।" বিদ্যুতে কলে- "তাতে কি ডাঙৰ কথা হ'ল আগেয়ে নোহোৱা নোপোজা কথানে এইটো?" এইবাৰ পুলে তাক জলপ জোৰেৰে কলে "ডাঙৰ কথা মানে তই প্ৰথম হৈছে আৰু পুৰস্কাৰ পাইছ।" তেতিয়াহে বিদ্যুতৰ মনত পৰিল যোৱা মাহত পুলৰ খচ-খেচনিত গল্প প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰাৰ কথা। কিন্তু আজি সেই আনন্দঘিনিক মনৰ বিদ্যুতৰ অস্থিৰতাই গ্ৰাস কৰি পেলালে।

বিদ্যুত পিছদিনা ঘৰলৈ যাবলৈ ওলাল। সি মনতে স্থিৰ কৰিলে যে এইবাৰ আতাজানক সকলো ভাঙি পাতি কবলৈ বাধ্য কৰাব। পুলে হোষ্টেলৰ গেটলৈ বাইকখন উলিয়াই দিলে। তাৰ বেয়া লাগিল কাৰণ বিদ্যুত অবিহনে সি সম্পূৰ্ণ অকৈবিক হৈ পৰে। তাতে তাৰ গীটাৰখনো যোৱামাহত ঘৰতে এৰি থৈ আহিছে। অভ্যাসগত ভাবে



পুলৰ মুখৰ পৰা বাক্যশাৰী ওলাই আহিল- "সোনকালে আহিবি, গাড়ী লাহে লাহে চলাবি।" পুলৰ ভয় লাগে বিদ্যুতৰ গাড়ী জোৰে চলোৱাটো এটা অভিৰুচি বাবে। বিদ্যুতেও তাৰ মৰমসনা আদেশকণ দি কিকত ভৰি দিলে।

বিদ্যুতে যেতিয়াৰে পৰা বুজি পোৱা হৈছে তেতিয়াৰে পৰা সি আতাজানক মাক দেউতাকৰ ৰূপত পাই আহিছে। মাক দেউতাকেও বোধহয় নিজৰ ল'ৰা-ছোৱালীক ইমান মৰম নকৰে আতাজানে তাক যিমান মৰম কৰে। আতাজানৰ সুবৃহৎ ঘৰটোত আটাজান আৰু আটাজনৰ লগুৱা ৰামো কৰাই মুখ্য। ইয়াৰ উপৰিও কেবাটাও পৰিয়াল ভাড়াত থাকে। উপাৰ্জন ৬ হাজাৰৰ কম নহয় প্ৰথম অৱস্থাত আতাজানৰ পৰিচয় এজন অটো চালক হিচাবে আছিল। তেনেকৈয়ে তেওঁ ঘৰ দুৱাৰ কৰিলে। বিদ্যুতকো পঢ়ালে। মানুহজনৰ ব্যক্তিত্বক সকলোৱে শ্ৰদ্ধা কৰে। জাতি, ধৰ্ম নিৰপেক্ষ সদাহাস্য মুখমণ্ডলৰ এই মানুহজনক সকলোৱে ভাল পায়, শ্ৰদ্ধা কৰে এজন প্ৰকৃত মানৱ হিচাবে। সঁচাকৈয়ে আতাজান এজন উদাৰ মনৰ আচল মানুহ।

বিদ্যুতে দুপৰীয়া ঘৰ পালেগৈ। বিদ্যুতক দেখি আতাজানে আনন্দতে সাৱটি ধৰিলে। ৰামোককাৰো আনন্দৰ সীমা নাই। দুপৰীয়া ভাত খোৱাৰ পিছত আতাজানক সি সুধিলে- 'আতাজান, মই তোমাক যেতিয়া মোৰ মা দেউতাৰ কথা সোধো, তেতিয়াই তুমি এই প্ৰসঙ্গৰ পৰা আঁতৰি যোৱা। কথাবোৰত মইও আগতে বৰ বেছি গুৰুত্ব দিয়া নাছিলো। কিন্তু মোৰ কেতিয়াবা সন্দেহ হয়, মোৰ কিজানি মা দেউতা নায়েই। আচলতে তুমি ইমান দিনে এই এই-প্ৰশ্নটোৰ পৰা আঁতৰি থাকিব বিচৰাৰ নিশ্চয় ৰহস্য আছে। আতাজান তুমি মোক আজি সকলো কোৱা নহলে মোক এইবোৰ প্ৰশ্নই বৰকৈ আমনি কৰে।"

আতাজানে অৱশেষত ভাবিলে বিদ্যুত আৰু কেচুৱা হৈ থকা নাই। সি বুজা হৈছে, জনা হৈছে। সকলো পৰিস্থিতি সহজ ভাবে লব পৰা গুণ তাৰ নোহোৱা নহয়। সেয়ে আতাজানে তাক সকলো কবলৈ স্থিৰ কৰিলে।"

আজি তিনি মাহ ধৰি বিদ্যুতে পম্পীৰ পৰা কোনো চিঠি পত্ৰ পোৱা নাই। পম্পীৰ ওপৰত তাৰ বৰ খং উঠিছে। খং অভিমানেৰে সি পম্পীক লগ কৰিবলৈ প্ৰথম বাৰৰ বাবে সিহঁতৰ ঘৰলৈ বুলি বাইক ষ্টাৰ্ট কৰিলে। পম্পী মানে ডি. চি. অৰুণ দত্তৰ একমাত্ৰ সন্তান মানালিছা দত্ত। বিদ্যুতে মৰমতে তাইক এটা সুন্দৰ নাম উপহাৰ দিছে 'পম্পী'। সিহঁত দুয়োৰো চিনাকি হবৰ তিনিবছৰৰ বেছি হ'ল। প্ৰথম চিনাকিতে যেন সিহঁতে সিহঁতৰ বহু গভীৰলৈ সোমাই পৰিছিল। শেষত চিনাকি হৈ পৰিছিল 'প্ৰেম'। অকল সেয়াই নহয়, বিদ্যুতে তাৰ মৰমৰ কইনাজনী পম্পীকে সজাব বুলি ভাবিছিল। পম্পীয়েও প্ৰাণ ভৰি ভাল পাইছিল বিদ্যুতক। বস্তুত আবেগ পাৰ হৈ গৈছিল দুয়োৰো জীৱনত, হেজাৰ ভাষাৰ

বিনিময় ঘটিছিল সিহঁতৰ চিঠিবোৰৰ জৰিয়তে। দুয়োৰো প্ৰেম আছিল নিৰ্মল।

বজাৰৰ দক্ষিণ ফালৰ কেঁকুৰীটো ঘূৰি এখন পাৰ্ক তাৰ পৰা অলপ গলেই অৰুণ দত্তৰ বৃহৎ অট্টালিকা। বিদ্যুতে পম্পীৰ ঘৰলৈ যাবয়ে নালাগিল। তাই পাৰ্কৰ এটা মূৰত থকা ওলোমা বেঞ্চখনত তাইৰ পোহনীয়া কুকুৰ ‘কৰবেত’ ৰ সৈতে বহি আছে। বিদ্যুতে পম্পীক দেখিয়ে বুজিছিল যে তাইৰ মুড্ আজি ঠিক নহয়। মুখখন যেন আঘোনৰ ডাৱৰে ঢকা আকাশখনৰ দৰে হৈ আছে। বিদ্যুতৰ মত শুনি পম্পীয়ে মনৰ আবেগ দমাব নোৱাৰি হুক-হুকাই কান্দি পেলালে। আনক সেই ডাৱৰৰ বৰষুণে তিয়াব নোৱাৰিলেও বিদ্যুতৰ হৃদয় তিতি গ'ল। তাৰ কোমল হিয়াখন সেমেকি উঠিল পম্পীৰ উচুপনিত। বিদ্যুত কিছু আচৰিত হ'ল। সি পম্পীক কি হৈছে সুধিলে। তিনিমাহ ধৰি পুহি ৰখা হিয়াৰ অযুত বেদনাবোৰ কৈ গ'ল কান্দি কান্দিয়েই– “বেকী তুমি মোক পাহৰি যোৱা। মইও চেষ্টা কৰিম। মই মা-দেউতাক অমান্য কৰিব নোৱাৰিম। আৰু সেয়া হয়তো তোমাৰ খাতিৰতে। তোমাক দেউতাহঁতে অপমান কৰাটো মই সহ্য কৰিব নোৱাৰিম বেকী। আমাৰ কথাবোৰ মা হঁতে জানিব পাৰি মোক তোমাৰ লগত কথা কোৱা বন্ধ কৰি দিছে। তেওঁলোকৰ মতে তুমি মুছলমান আনহাতে মই হিন্দু। আমাৰ মাজত হেনো আকাশ-পাতাল পাৰ্থক্য আছে।” লাহে লাহে আন্ধাৰো নামি আহিল। পম্পী উচুপি থাকিল। বিদ্যুতে মুখেৰে এটা শব্দও বৰ পৰা নাই। তাই বেথা ভৰা চাৱনিৰে বিদ্যুতৰ চকুলৈ চ'লে আৰু তাইৰ চকু দুটাই বিদ্যুতৰ চকুযুৰিৰ পৰা নীৰৱে বিদায় ললে।

কলিজাত এপাচি যন্ত্ৰণালৈ সি ঘৰলৈ উভতিল। বিদ্যুতে জানে পৃথিৱীত মাথো দুটা জাতি আছে এটা ধনী আৰু আনটো দুখীয়া। সি আচৰিত হ'ল। পম্পীহঁতৰ দৰে শিক্ষিত ঘৰৰ মানুহে এতিয়াও জাতি ধৰ্মক লৈও উচ্চ নীচ বিচাৰে। অৱশ্যে সি স্বীকাৰ কৰে পম্পীহঁতৰ লগত মিলাকৈ সি ধনী নহয়। মনতে ভাবিলে মুছলমানৰ হৃদয় আৰু হিন্দুৰ হৃদয়ৰ মাজত পাৰ্থক্য আছে নেকি? মুছলমানৰ তেজৰ ৰঙ হিন্দুতকৈ বেলেগ নেকি? বিচাৰ কৰিবলৈ, অনুভৱ কৰিবলৈ মুছলমানৰ বিবেক শুন্য নেকি? সৰল মনৰ বিদ্যুতে এইবোৰ প্ৰশ্নৰ যুক্তি সংগত উত্তৰ বিচাৰি নাপালে। তাৰ বেয়া লাগি গ'ল। নিজৰ ওপৰতে খং উঠি গ'ল এই খন সমাজত জন্ম পোৱা বাবে।

ঘৰলৈ আহিয়েই সি আতাজানক প্ৰশ্ন কৰিলে সি মুছলমান হৈ জন্ম গ্ৰহণ কৰিলে। আতাজানে অপ্ৰস্তুত ভাবে এনেকুৱা এটা প্ৰশ্নৰ মুখামুখি হ'ল যদিও বুজিবলৈ বাকী নাথাকিল যে এই বৈষম্য আৰু কু-সংস্কাৰেৰে ভৰা সমাজখনে বিদ্যুতক নতুন সমস্যাৰ মাজলৈ ঠেলি দিছে। সহজ মনৰ ল'ৰাজনে পৃথিবীৰ এই শক্তিবোৰক চিনি পোৱা নাই। আতাজানে ভাবিলে বিদ্যুতক এই ধৰণীৰ দুৰ্গম পথলৈ ঠেলি দিয়াই উচিত হব কিয়নো সি এই জটিল গ্ৰহটোতেই গোটেই জীৱন সংগ্ৰাম কৰি নিজৰ অধিকাৰ বজাই ৰাখিব লাগিব। আতাজানে সকলো কথা জুকিয়াই থিৰাং কৰিলে বিদ্যুতৰ জন্ম বাহিনী কবলৈ। আতাজানে দীঘল হুমুনিয়াহ এটি এৰি আৰম্ভ কৰিলে এখন ইতিহাস।

“সিদিনা আছিল মাৰ্চ মাহৰ ২৫ তাৰিখ। আজানৰ সময়ত মই মছজিদলৈ গৈছিলো। পুখুৰী পাৰৰ মছজিদৰ ওচৰত পকী দলং খনৰ উত্তৰ মূৰত এটা বিদ্যুৎ পৰিবাহীৰ খুঁটা আছিল। সেই খুঁটাটোৰ গুৰিত দেখিলো এখন হালধীয়া টাৱেলেৰে বন্ধা এটা টোপোলা।” আতাজানে কথাখিনি কওঁতে যেন বাৰে বাৰে থমকি ৰয়। তথাপি নিজকে সংযত কৰি তেওঁ কৈ গ'ল— “ওচৰ পোৱাত দেখিলো টোপোলাটো লৰচৰ কৰি আছে। গৰাকীবিহীন টোপোলাটো আপোচ নকৰাকৈ খুলিলো আৰু তাত এটি কেচুৱা পালোঁ। বাতৰি কাকত আদিত পঢ়িব পোৱা অবৈধ ভাৱে সন্তান জন্ম দি নিজৰ স্থিতি বজাই ৰাখিবলৈ যুৱক যুৱতীয়ে পেলাই থৈ যোৱা ঘটনাৰ দৰেই ভাবি ললোঁ এই ঘটনাটোকো। আশ্ৰমত ৰাখিম বুলি ভাবিও নোৱাৰিলোঁ। কিবা অস্বাভাৱিক ভাবে নিজৰ মঙহৰ এটুকুৰা যেন লাগিল। এই বংলাৰ প্ৰতি খোদাৰ দান বুলি ভাবিয়ে বুকুৰ মাজত কলিজাৰ এফাল বুলি সাৱটি ধৰি আছোঁ আৰু সেয়া আন কোনো নহয়, তই—বিদ্যুত। তই বিচৰা প্ৰশ্নৰ উত্তৰ মোৰ হাতত নাই। তই কোন বংশৰ কোন জাতিৰ হিন্দুৰ নে মুছলমানৰ নে খ্ৰীষ্টানৰ সেয়া মই নাজানো সোন। তই এজন তেজ মঙহৰ সঁচা মানুহ বুলিহে মই জানো। তইও সদায় সঁচা মানুহৰ আদৰ্শৰে তোৰ পৰিচয় দিয়াত যত্নপৰ হবি বুলিয়ে মই আশাকৰো–বেকী।” কিছু সময় দুয়ো দুয়োৰো চকুলৈ চাই থাকিল। বিদ্যুতৰ সেমেকা হাঁহিয়ে আতাজানৰ চকুৰ পৰা দুটোপাল চকুলো সৰালে।

বিদ্যুতে আতাজানৰ বক্তব্যৰ আধামানতে বুজিব পাৰিছিল। সি কিছু সকাহ পালে। যদিও তাৰ মাক দেউতাকৰ চিন নাই তথাপি তাৰ জন্মৰ ইতিহাসখিনি বুটলিবলৈ সক্ষম হ'ল। তাৰ মনটো পাতল পাতল লাগিল। কলেজলৈ যোৱাটোকে ঠিক কৰিলে। ক্লাচো আৰম্ভ হৈছে। যোৱাৰ আগতে সি এবাৰ পম্পীক মাত লগাই যোৱাৰ কথা ভাবিলে তাৰোপৰি পম্পীক জন্ম কাহিনীটো কৈ দিয়াটো তাৰ সময়োপযোগী কৰ্ত্তব্য বুলি স্পষ্টবাদী মনটোৱে বাৰে বাৰে সকীয়াই দিলে। সি পম্পীৰ ঘৰলৈ যাবলৈ ওলাল।

পদুলিত গাড়ী ৰোৱাৰ শব্দ শুনি পম্পীয়ে খিড়িকীৰ পৰ্দাৰ ফাকেৰে বাহিৰলৈ চালে। তাই চমকি উঠিল। বিদ্যুতে দুৱাৰ মুখত থকা খাকী পোছাক পৰিহিত মানুহজনক পম্পীক সি লগ পাব বিচাৰিছে বুলি জনালে। এনেতে পম্পীৰ মাক ওলাই আহিল। বিদ্যুতৰ পৰিচয় জনাৰ পিছত পম্পীৰ মাকৰ কথাখিনি শুনাৰ পিছত তাৰ আৰু এক মুহুৰ্তও ৰৈ থকাৰ ইচ্ছা নাছিল। সি ধৈৰ্য্যৰে কথাখিনি শুনিলে হয়তো ভদ্ৰতাৰ খাতিৰতে। পম্পী নিৰৱে চকুলো টোকাৰ বাদে অন্য উপায় নাছিল।

হতাশৰে উপচি পৰা ব্যথিত হৃদয়খনক সিহঁতৰ সম্ভ্ৰান্ত পহুলিৰ পৰা তাৰ বাইকখনে লৈ আহিল। তাৰ বাইকখনেও নিজা ভাষাত পম্পীৰ মাকৰ কথখিনি মন্তব্য দিলে তীব্ৰ ঘৃনাৰে ক'লা ক'লা ধোঁৱা উলিয়াই বাৰে বাৰে। পম্পীৰ মাকৰ কথাখিনিয়ে তাক মনত বৰকৈ যন্ত্ৰনা দিলে। "ভই বাটৰ ভিকহু, মুছলমান কৰবাৰ। আমাৰ পহুলিত কুকুৰৰ দৰে ভুকিবলৈ নাহিবি.... ;" সি বাৰে বাৰে নিজৰ গাটোলৈ চালে। ঠিকে আছে তাৰ অঙ্গ প্ৰত্যাঙ্গ। ঠিক তেজ মঙহৰ মানুহৰ দৰেই। তেন্তে কিয়? কিয় ইমান সি অবহেলিত? বাৰে বাৰে বিভিন্ন প্ৰশ্নই তাক উত্তেজিত কৰিলে। সমাজখনলৈ তাৰ ঘৃণা উপজিল। জন্ম দিব পৰা প্ৰত্যেক জনলৈ তাৰ অক্ৰোধী মনত প্ৰচণ্ড ক্ষোভৰ সৃষ্টি হ'ল জন্মৰ কথা চিন্তা কৰিয়েই বোধকৰো তাৰ দুচকুয়েদি দুধাৰি তপত চকুলো বাগৰি গ'ল। লোপোৱাৰ বেদনাখিনি পঞ্জীভূত হৈ মনত প্ৰবল ধুমুহাৰ সৃষ্টি কৰিলে। সি গমকে পোৱা নাছিল। গাড়ী কিমান বেগত চলিছিল। ক্ষন্তেক মূহুৰ্তৰ বাবে হলেও তাৰ চেতনা ঘূৰিল যেতিয়া তাৰ বাইকখনে ৰেলগেটটোত খুন্দা মাৰিলে। তাৰ মৰমৰ বাইকখনেও যেন আজি তাক বিশ্বাসঘাটকতা কৰিলে। সি কেকাই উঠিল। ক্ষন্তেকতে তাৰ সুঠাম দেহটো তেজেৰে ৰাঙলী হৈ গ'ল।

বিদ্যুত আজি বিদ্যুত বেগেৰেই গুচি গ'ল এখন সমাজৰ কিছুমান সৰু সৰু নীতিক ঘৃণা কৰি এখন বৈষম্যহীন পৃথিবীৰ অন্তিম দিশলৈ চিৰদিনৰ বাবে। খালী হৈ গ'ল আতাজানৰ বুকু, পুলৰ কাষৰ বিচনাখন, তাৰ হৃদয়ৰ এফাল। চিৰদিনৰ বাবে স্তব্ধ হৈ গ'ল পম্পীয়ে আশাৰে বাট চাই থকা তাইৰ চিনাকি আখৰ কেইটা। দুখতেও হাঁহি হাঁহি আনক হছুৱাব পৰা ল'ৰাজনৰ স্পন্দন নিমিষতে স্তব্ধ হৈ গ'ল। বোধহয় আজি ২০ বছৰ আগতে বিজুলী খুঁটাৰ গুৰিত থৈ যোৱা নিষ্ঠুৰ হৃদয়ৰ মাকজনীৰ শ্ৰদ্ধাৰ বাবেই তাৰ মুখৰ পৰা আপোনা আপুনি ওলাই আহিছিল শেষ শব্দটো "মা"।

বিদ্যুতৰ স্পষ্টবাদী মনটোক, তাৰ মানৱ সেৱাৰ আদৰ্শক, তাৰ কবিতাবোৰক, হৃদয়ৰ অকৃত্ৰিম মৰমবোৰক আজিৰ পৃথিবীখনে আকোৱালী লবলৈ টান পালে। সি গুচি গ'ল যোৱা বাটে, বোধহয় সেই পথ তাৰ চিনাকি বাবে কিন্তু সি বিচৰা প্ৰশ্নৰ উত্তৰ এটা প্ৰশ্ন হৈয়ে থাকিল। বিদায় লগনৰ শেষ মূহুৰ্ততো বোধহয় সি 'মা' শব্দটোৰে তাৰ প্ৰশ্নৰ উত্তৰ বিচাৰিছিল। তাৰ দেউতাক কোন? মাক কোন? সি সচাকৈ মুছলমানৰ সন্তান আছিল নেকি? নে হিন্দুৰ? নে খ্ৰীষ্টানৰ অথবা অন্য জাতিৰ। কোনে দিব তাক তাৰ প্ৰশ্নৰ শুদ্ধ উত্তৰ? .... ।

❋

> সত্যৰ মুখামুখি হবলৈ ভয় নকৰিবা। সত্য সদায় ভয়ংকৰ যি কাপুৰুষ, তেওঁহে কেতিয়াও সত্যৰ মুখামুখি হব নোৱাৰে।
>
> —হোমেন বৰগোহাঞি





শ্ৰী কল্পনা শৰ্মা
স্নাতক ২ বৰ্ষ

নাই! নাই! নাই। সি আৰু ভাবিব নোৱাৰে। যেতিয়া তাৰ মনলৈ দূৰ অতীতৰ কথা আহে, তেতিয়া তাৰ এনে লাগে যেন পাগল হৈ যাব। প্ৰায় আঠ বছৰ আগৰ তাৰ মাক দেউতাক আৰু মৰমৰ ভনীয়েকলৈ মনত পৰে।

ৰংপুৰ! এখন প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰপুৰ ধুনীয়া গাওঁ। সেই গাৱঁতেই জয়কান্ত শইকীয়াৰ ঘৰ। শইকীয়াই ঘৰখনৰ একমাত্ৰ উপাৰ্জনকাৰী। তেওঁ ওচৰতে থকা এখন এল-পি স্কুলৰ শিক্ষক। শইকীয়াৰ পুতেক জিতু আৰু জীয়েক জোনালী। জিতু দশম শ্ৰেণীত আৰু জোনালী অষ্টম শ্ৰেণীত পঢ়ি আছে।

> ভনীয়েক জোনালীৰ মৃত্যুৱে জিতুৰ অন্তৰত জুই জ্বলাইছিল, হৃদয় পুৰি চাই কৰিছিল। হিয়াৰ জ্বলা জুই নুমাব নোৱাৰি এদিনাখন সি কৰবালৈ গুচি গ'ল।

এনেকৈ সুখ আৰু আনন্দৰ মাজেৰে সৰু পৰিয়ালটো সময়ৰ সোঁতত আগুৱাই গৈ আছিল। কিন্তু নিয়তিয়ে জিতুহঁতৰ সুখ সহিব নোৱাৰিলে। দুষ্ট নিয়তিয়ে মনে মনে এটা ক্ৰুৰ হাঁহি মাৰিলে।

এদিন হঠাৎ শইকীয়ানীৰ পেটৰ বিষ আৰম্ভ হ'ল। এসপ্তাহ মান পিছৰ পৰা তেওঁ বিচনাৰ পৰা উঠিব নোৱাৰা হ'ল। একমাত্ৰ জোনালী ঘৰৰ সকলো কাম কৰিব লগাত পৰিল। সিপিনে পৰীক্ষালৈও বেছিদিন নাই। অকল জিতুয়েই স্কুললৈ গৈ আছে। জয়কান্ত শইকীয়াৰ চিন্তা দিনে দিনে বাঢ়ি আহিল। জমাত থকা টকা পইছাও লাহে লাহে শেষ হৈ আহিল, কিন্তু শইকীয়ানীৰ অসুখ ভাল হোৱাৰ লক্ষণ অকনো দেখা নগল। শইকীয়াই উপায় বিহীন হৈ গাঁৱৰে যদু মহাজনৰ পৰা টকা ডেৰহাজাৰ ধাৰ ললে। শইকীয়ানীৰ অসুখ ক্ৰমে বেছি হবলৈ ধৰিলে। অৱশেষত শইকীয়ানী এই বিশাল সংসাৰৰ পৰা চিৰ বিদায় মাগিলে।

জোনালী পৰীক্ষাত উত্তীৰ্ণ হব নোৱাৰিলে। জিতু হাইস্কুল শেষান্ত পৰীক্ষাত কোনোমতেহে উত্তীৰ্ণ হ'ল। জোনালীয়ে পঢ়া বাদ দিলে। জিতুৱে ওচৰৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় এখনত একাদশ শ্ৰেণীত ভৰ্ত্তি হ'ল।

এইদৰে এবছৰ দুবছৰকৈ পাছ বছৰে পাৰ হৈ গ'ল। জিতুয়ে এইবাৰ বি-এ পৰীক্ষা দিব, আৰু এবছৰ মানৰ পিছত জয়কান্ত শইকীয়ায়ো চাকৰিৰ পৰা অৱসৰ লব। এনেতে যদু মহাজনে সুতে মূলে সাত হাজাৰ টকা খুজি পঠালে। কিন্তু শইকীয়াই সম্পূৰ্ণ টকা দিব নোৱাৰি পাছ হাজাৰ টকা দিলে। বাকী দুহেজাৰ টকা শইকীয়াই পিছৰ বছৰত দিব বুলি ক'লে।

শইকীয়াই অৱসৰ পোৱাৰ চাৰি মাহ হ'ল। মহাজনে বাকী দুহেজাৰ টকা সুতৰ সৈতে মুঠ তিনিহাজাৰ টকা খুজি পঠালে। শইকীয়াৰ পৰা টকা আদায় কৰিব নোৱাৰাত ভেটিৰ মাটি খিনিৰ বাহিৰে বাকী সকলো সম্পত্তি মহাজনে শইকীয়াৰ পৰা হস্তগত কৰি ল'লে।

জিতুৱে বি-এ, পৰীক্ষাত উত্তীৰ্ণ হ'ল। কিন্তু সি আৰু বেছি পঢ়িব নোৱাৰিলে। সি চাকৰি বিচাৰিবলৈ ধৰিলে। কিন্তু তাৰ ভাগ্যত এটাও চাকৰি নিমিলিল।

এদিন হঠাৎ শইকীয়াই পিছলৈ পৰি ককাঁলত আঘাত পালে। লাহে লাহে শইকীয়াৰ ককাঁলৰ বিষ বেচি হবলৈ ধৰিলে। জিতুই উপাই বিহীন হৈ পৰিল। শেষত সি চাকৰি নাপাই দিন হাজিৰা কৰিবলৈ ধৰিলে। তথাপিও সি চাকৰি বিচাৰিবলৈ বাদ নিদিলে। কিন্তু সি এদিন বুজি পালে যে এই পৃথিবীখন দুখীয়াবোৰৰ বাবে নহয়।

জিতুৰ দেউতাকৰ অসুখ ক্ৰমাৎ বাঢ়িবলৈ ধৰিলে। জিতু আৰু জোনালীয়ে অশেষ চেষ্টা কৰিও দেউতাকক সিহঁতৰ মাজত ধৰি ৰাখিব নোৱাৰিলে। এদিন দেউতাক কোনো এক অজান দেশলৈ গুচি গ'ল। দেউতাক মাকৰ মৃত্যুৱে জিতু আৰু জোনালীৰ মনত খুব আঘাত দিলে। দুখ কষ্টৰ মাজেৰে সিহঁত দুয়ো দিন নিয়াব ধৰিলে।

জিতুৱে বেচি কাম নোপোৱা কাৰণে জোনালীয়েও মহাজনৰ ঘৰত কাপোৰ ধোৱা, বাচন বৰ্তন ধোৱা আদি কাম কৰিব লগীয়া হৈছিল। জোনালীৰ কষ্ট বেছি হোৱাৰ কাৰণে তাই শুকাই ক্ষীণাই যাবলৈ ধৰিলে। হঠাৎ এদিন তাইৰ হাতৰ পৰা এটা গ্লাচ পৰি ভাঙি যোৱাৰ বাবে জোনালীক মহাজনৰ ঘৈনীয়েকে খুব মাৰধৰ কৰিলে। তেতিয়াৰ পৰা তাইৰ বুকুৰ বিষ হবলৈ ধৰিলে। এনেকৈয়ে বিষ বেছি হোৱাত জোনালী বিচনাৰ পৰা উঠিব নোৱাৰা হ'ল। জোনালীয়ে বুকুৰ বিষৰ কাৰণে ইহলীলা সম্বৰণ কৰিব লগা হ'ল। কিন্তু মৰাৰ আগতে জিতুক কৈ গৈছিল যে মহাজনৰ ঘৈনীয়েকৰ মাৰ খোৱাৰ পিছৰে পৰা তাইৰ বুকুৰ বিষ আৰম্ভ হৈছিল। জোনালীৰ মৃত্যুৰ আচল খবৰ গম পাই জিতু জ্বলি উঠিল। সি উপযুক্ত সুযোগ লৈ বাট চাই থাকিল।

ভনীয়েক জোনালীৰ মৃত্যুৱে জিতুৰ অন্তৰত জুই জ্বলাইছিল হৃদয় পুৰি চাই কৰিছিল। হিয়াৰ জ্বলা জুই নুমাব নোৱাৰি এদিনাখন সি কৰবালৈ গুচি গ'ল।

প্ৰায় চাৰি বছৰ মানৰ পিছত সি গাঁৱলৈ পুনৰ ঘূৰি আহিল। লগত এথন চোকা চুৰি। মাজনিশা সি মহাজনৰ ঘৰত সোমাল আৰু মহাজনৰ গোটেই পৰিয়ালটোকে এজন এজনকৈ হত্যা কৰিলে। কিন্তু মহাজনৰ চিঞৰৰ বাখৰ শুনি ওচৰত পহৰা দি থকা মানুহ বিলাকে আহি জিতুক ধৰিলে আৰু পিছদিনা তাক নি ওচৰৰ পুলিচ থানাত গটাই দিলে। বিচাৰত তাৰ ফাঁচীৰ হুকুম হ'ল।

আজি আকৌ জিতুৰ মাক, দেউতাক আৰু ভনীয়েকলৈ মনত পৰিছে.......... । কাৰণ তাৰ আজি ফাঁচীৰ দিন। 000



"অসমৰ অত্যাচাৰিত আৰু অৱনত জাতি সমূহক আন আন উন্নত জাতিৰ লগত একে আসনতে ঠাই দিবলৈ অসমৰ প্ৰত্যেক ৰাজনীতিজ্ঞ আৰু সমাজ নেতাসকলে এতিয়াৰ পৰা চেষ্টা কৰা উচিত। তাকে নকৰিলে অৱনত জাতি সমূহৰ বুকুত বিদ্ৰোহৰ অগ্নি জ্বলাই অসমত আৰু এটা গৃহ কন্দলৰ বাহ সাজি দিয়া হব।"

আহ্বান ২য় বছৰ
১১ শ সংখ্যা




পাৰবীন অনিমা চৌধুৰী
স্নাতক তৃতীয় বৰ্ষ [ কলা ]

পাখিলগা সোনালী পৰীৰ পিঠিত উঠি সময় আগবাঢ়িল। সেই সময়ৰ সতে খোজ মিলাই আগবাঢ়িব ধৰিলে মোৰ ৰিক্ত জীৱনটো। একেবাৰে ধুনীয়াজনী নহলেও মোৰ ওঠত অনবৰতে লাগি থকা লাজুক লাজুক মিচিকিয়া হাঁহিটোৱে হয়তো মোকো বৰ মৰমলগা জনী কৰি তোলে বুলি প্ৰায়ে লগৰ মামনি, অঞ্জু, ৰবিহঁতে কৈ থাকে। হাইস্কুলত পঢ়ি থকা অৱস্থাত মই সদায়ে প্ৰথম হৈছিলোঁ। সেয়ে হাইস্কুলত পঢ়ি থকা কালতে সপোন দেখিছিলো নগৰৰ কলেজত পঢ়াৰ। হোষ্টেলত থাকিম, বিভিন্ন ঠাইৰ ছোৱালী লগ পাম, একেলগে থাকিম, খোৱা, পঢ়া, ফুৰা, চিনেমা চোৱা ... .... .. .... বাঃ কি যে এক ৰোমাঞ্চকৰ জীৱন! এনে এক জীৱনৰ স্বপ্নই মোক সকলো সময়তে আচ্ছন্ন কৰি ৰাখিছিল। সঁচাই স্বপ্ন যেতিয়া বাস্তৱত মূৰ্ত্ত জীৱন্ত হয় তেতিয়া জীৱন হয় সুন্দৰ। মোৰ একনিষ্ঠতাৰ বলত এদিন প্ৰথম বিভাগত মেট্ৰিক পাছ কৰিবলৈ সক্ষম হ'লোঁ। অতদিনে হৃদয়ৰ গোপনকক্ষত পুহিৰখা মোৰ কল্পনাটোক বাস্তৱত প্ৰতিফলিত কৰাৰ্থে বুকুত বহুতো ৰঙীন আশা লৈ ঢাপলি মেলিলোঁ গুৱাহাটী চহৰৰ কটন কলেজলৈ। বেচ্ আনন্দিত মই, যেতিয়া স্কুলীয়া কালৰ সপোন বাস্তৱত পৰিণত হৈছিল। অসমৰ চৰম ধন্য কটন কলেজৰ দৰে এখন উচ্চ শিক্ষানুষ্ঠানত

> ৰাকেশৰ কি প্ৰয়োজন আছিল মোৰ জীৱনটোলৈ প্ৰতাৰণাৰ বিষঁকাড় নিক্ষেপ কৰিবলৈ। ছোৱালীবোৰক সিহঁতে কি বুলি ভাবে! ভাল পোৱাটো কি প্ৰাণহীন পুতলাৰ খেলা! ইচ্ছা কৰিলেই যে হজুৱাব, কন্দুৱাব, নচুৱাব পাৰি.................. ।



পঢ়িবলৈ পাই মই আনন্দত আপ্লুত হৈ পৰিছিলো। প্ৰথম কটন কলেজলৈ পঢ়িবলৈ আহি কটন কলেজৰ অপূৰ্ব ৰূপত বিমুগ্ধ হৈ গৈছিলো মই। কলেজৰ কেম্পাছৰ পৰা দূৰ দূৰ বিয়পা সেউজীয়া পাহাৰ, কলেজৰ চৌদিশে বিস্তীৰ্ণ সেউজীয়া জোপোহা জোপোহা গছবোৰ; বিভিন্ন ৰঙৰ বগান ভেলীয়া ফুলৰ সম্ভাৰ। অভিভূত হৈ গৈছিলো মই। মোৰ শৰীৰত এটা শীতল শিহৰণ বৈ গৈছিল।

ফাংচন শেষ হোৱাৰ পিছত লগৰ মামনি, অঞ্জু আৰু ৰবীহঁতৰ সতে অনেক ল'ৰা ছোৱালীবোৰৰ মাজৰ পৰা মুকলি ফিল্ড খনলৈ ওলাই আহিলোঁ। এনেতে মোৰ চকু পৰিল পুখুৰীটোৰ পাৰত থকা প্ৰকাণ্ড শিলটোৰ ওপৰত দুজন ল'ৰা বহি আছে। তাৰে এজনে এক মাদকতা সনা নিপলক দৃষ্টিৰে মোলৈ চাই আছে। ক্ৰমে আমাৰ দলটোও আগবাঢ়িল ল'ৰা দুজনৰ আগেৰে কেন্টিং অভিমুখে। ল'ৰা দুজনৰ আগেৰে কেইখোজমান যোৱাৰ পিছত ঘুৰি চালোঁ। লঁৰাজনে তেতিয়ালৈকে মোলৈ চায়ে আছে। মই সিহঁত দুজনলৈ তেনেকৈ ঘূৰি চোৱা দেখি লগৰজনে হাঁহি দিয়াত মই বৰ লাজ পালোঁ। অৱশেষত চাহ পানী খাই আমি আটাইজনী ল'ৰা দুজন বহি থকা বিপৰীত দিশত পুখুৰীৰ পাৰত থিয় হলোঁ।

: এক্সকিউজ মি! — শিলটোত বহি থকা ল'ৰা দুজনৰ এজন উঠি আহি আমাক আগ ভেটি মাত লগালে।

: ইয়েছ! বান্ধৱী মামনিয়ে প্ৰশ্নবোধক দৃষ্টিৰে মাত দিলে।

: মোৰ নাম চিৰাজুল হক। কটন কলেজত পঢ়োঁ, বি.এছ.ছি প্ৰথম বাৰ্ষিকত।

ল'ৰাজনে নিজৰ পৰিচয় দিলে।

: তাতে আমাৰ কি হ'ল ? – অলপ ৰগৰ কৰাৰ মনেৰে বান্ধৱী মামনিয়ে ক'লে আৰু লগৰ অঞ্জু, ৰবিহঁতে উচ্চস্বৰে হাঁহিলে। মামনিহঁতৰ ব্যৱহাৰে ল'ৰাজনৰ আগত মোক বৰ আমনি কৰিবলৈ ধৰিলে।

: মণি তই যে আৰু! —অলপ মনে মনে থাক চোন।"

মই অলপ শাসনৰ সুৰত কৈ ল'ৰাজনৰ ফালে চাই সুধিলোঁ — "বাৰু কোৱাচোন কি কব বিচাৰিছা ?

: মানে · মানে মই তোমালোকৰ গ্ৰুপ ফটো এখন লব বিচাৰিছোঁ, যদিহে তোমালোকে বেয়া নোপোৱা।

চিৰাজে সেমেনা সেমেনিকৈ প্ৰস্তাৱটো দিলে।

: ঠিক আছে বাৰু! মই কলোঁ।

শেষত চিৰাজে পুখুৰী পাৰত থকা কৃষ্ণচূড়া গছ জোপাৰ তলত আমাৰ গ্ৰুপ ফটো একপি লৈ আমাৰ পৰা বিদায় লৈ পুনৰ আগবাঢ়িল শিলটোৰ ওপৰত বহি আনমনা হৈ প্ৰাকৃতিক দৃশ্য উপভোগ কৰি থকা সেই ল'ৰাজনৰ ওচৰলৈ। এনেতে হাতৰ ঘড়ীটোলৈ চকু ফুৰালোঁ। পাঁচ বাজি কাহানিবাই গৈছে। আটায়ে হোষ্টেল অভিমুখে ৰাওনা হলোঁ।

নিশা মোৰ টোপনি নাহিল। বিছনাখনত বাগৰ দিছোঁ মাত্ৰ অজুত ভাৱনাই

মোৰ চকুৰ পৰ্দাত দোলা দিব ধৰিলে। আগদিনা লগ পোৱা ল'ৰাজনে কিয় বাৰু মোলৈ তেনেকৈ একে থৰে মৰম সনা চাৱনিৰে চাই থাকে ? ইয়াৰ আগতে সেই ল'ৰাজনক প্ৰায়ে তেনেদৰে নিমাত পুতলাৰ দৰে চাই থকা দেখিছোঁ। কিন্তু কোনো দিনাই মোক অৱশ্যে মাতিবলৈ চেষ্টা কৰা নাই। মাথো হেপাহ পলাই চায় কলেজৰ ইটো সিটো প্ৰান্তত বহি। ল'ৰাজনৰ বিষয়ে মই একোৱে নাজানো। মাথো জানো সেই ঠিকনাবিহীন ল'ৰাজনে মোক প্ৰাণভৰি একেথৰে নৱনুমোহন চাৱনিৰে চাই থাকে। ক্ৰমান্বয়ে মোৰ চিন্তাবোৰ গভীৰ হৈ পৰিল আৰু মোক বৰকৈ আমনি কৰিবলৈ ধৰিলে। ৩ বাজি কাহানিবাই পাৰ হৈ গৈছে। কোনো মতেই মোৰ চকুৰ পৰ্দাত টোপনি আনিব নোৱাৰিলোঁ। ওৰে নিশা গাৰুটো দুহাতেৰে সাৱটি উজাগৰেই কটালোঁ।

পিছদিনাখন ক্লাছ কিছু ডেৰিকৈ আছিল যদিওঁ অলপ আগতীয়াকৈ ক্লাছলৈ বুলি ওলাই গলোঁ। পোনে পোনে লাইব্ৰেৰীত সোমালো। কিতাপ এখন লব লাগে। তেতিয়া ৯ বাজি গৈছিহি। লাইব্ৰেৰীত ল'ৰা ছোৱালীৰ সংখ্যা তেনেই তাকৰ আছিল। সেয়ে মই বিচৰা কিতাপ খন লোৱাত বিশেষ কষ্ট নহ'ল।

: এক্সকিউজ মি ! — পিছফালৰ পৰা চিৰাজে মোক মাতিলে।

: আৰে তুমি ? আকৌ ফটো তুলিবা নেকি ? হাঁহিৰে সৈতে উত্তৰ দিলো মই।

: নাই, নাই তোমাৰ বন্ধু "ফটোগ্ৰাফাৰ" হলো বুলি যা-তা সময়ত ফটো তোলা মোৰ কাম নহয় কিন্তু ! জানা, তোমালোক ছোৱালীবোৰ বৰ সাংঘাটিক দেই। সিদিনা তোমালোকে কিন্তু মোক বৰ ভয় খুৱাই দিছিলা।

: ল'ৰা মানুহবো ছোৱালীলৈ ইমান ভয়নে ? আমিতো কিবা বাঘ নহয় তোমাক যে আক্ৰমণ কৰিম ? ... ... ... ...

: বাৰু, বাদ দিয়া সেইবোৰ। তোমাৰ সতে ইমান সময় কথা পাতিলোঁ কিন্তু তোমাৰ নামটোৱে ... ... ... ... .. ... ...

: অ' মোৰ নাম নহয় জানো ? মিতালী চৌধুৰী।

: ক্লাছ ?

: বি-এ, প্ৰথম বাৰ্ষিক।

: মেজৰ আছে তোমাৰ ?

: আছে। শিক্ষা বিষয়ত।

অ' ৰাকেশ, ৰাকেশ অ' শুন ইফালে আহ চোন ! — লাইব্ৰেৰীত বাতৰি কাকত চাই থকা ল'ৰাজনক উদ্দেশ্যি চিৰাজে চিঞৰিলে। ল'ৰাজন আহি চিৰাজৰ কাযত থিয় হ'ল।

: মিতা ! এয়া মোৰ বন্ধু ৰাকেশ, ৰাকেশ চৌধুৰী। একে ক্লাছৰে। দুয়োজনৰে মেজৰো একে, অংক বিষয়ত। বৰ ভাল, গহীন, গম্ভীৰ ল'ৰা। শেষত প্ৰীতি-নমস্কাৰেৰে আমাৰ চিনাকী পৰ্ব সামৰিলো।

প্ৰথম সাক্ষাততে মোৰ ৰাকেশক বৰ ভাল লাগিছিল। সুন্দৰ, ওখ, অলপ মিঠা বৰণৰ, অমায়িক, উদাৰ নৈতিক আৰু এযোৰ সজল যাদুকৰী নয়নৰ অধিকাৰী আছিল ৰাকেশ। ৰাকেশৰ স্পষ্টবাদীতাই মোক বাৰুকৈ মুগ্ধ কৰিলে। ইয়াৰ বাহিৰেওঁ ৰাকেশৰ আৰু বহুতো গুনেই আছে আৰু যিবোৰ মোক বেছি আকৰ্ষিত কৰিলে। অৱশ্যে মোৰো কথাবোৰ "প্ৰফেচনেল" আছিল। দুয়োৰো মাজৰ বন্ধুত্ব অধিক গভীৰ হৈ পৰিল। শেষত, দুয়োৰো বন্ধুত্বক লৈ লগৰ চিৰাজ, বিপুল, মামনি, অঞ্জু, ৰবিহঁতে জোকাবলৈ আৰম্ভ কৰিলে। ক্লাছ নথকা সময়খিনিত আমাক দুয়োকো লৈ বন্ধু মহলত বেচ হাঁহি ঠাট্টা মস্কৰাৰ খলকনিয়ে কলেজৰ চৌদিশ ৰজন জনাই তোলে। কেতিয়াবা লাজ, খঙত ৰঙাছিঙা পৰি সিহঁতৰ কাষৰ পৰা আঁতৰি পলাওঁ। মামনিক আমি আটাইয়ে মৰমতে "মনি" বুলি মাতিছিলো। মনি মোৰ অন্তৰংগ বান্ধৱী। দুয়োজনী আছিলো একেটা মুদ্ৰাৰে ইপিঠি সিপিঠি। এজনী নহলে আনজনীৰ একো নিসিজে। সেয়ে "Education"ৰ নিৰুপমা বাইদেউৱে সদায়ে কৈছিল আমাক হেনো তেখেতে এজন ল'ৰাৰ লগতে বিয়া দি দিব ............... । নিৰুপমা বাইদেউৱে আমাক দুয়োজনীকে বৰ মৰম কৰিছিল। কিয়নো তেখেতে বিচৰা মতে আমি আমাৰ পঢ়াশুনাত সু-কৃতকাৰ্য্যতাৰে উত্তীৰ্ণ হব পাৰিছিলোঁ। এই জনী মনিৰে সৈতে আজৰি সময়খিনিত দীঘলী পুখুৰীৰ পাৰত বহি জীৱন গঢ়াৰ কতনা সপোন ৰচিছিলো। মন আৰু মানুহৰ সম্পৰ্কক লৈ নানান আলোচনা কৰিছিলো। ভবিষ্যতে হব লগা আপোনজনৰ দুয়ো বান্ধৱী লগ হৈ বহুতো সপোন ৰচিছিলো হয়তো মনিয়ে মোৰ মনৰ কথাবোৰ সহজে বুজিব পাৰিছিল। ৰাকেশ আৰু মোৰ মাজত উদয় হোৱা ............................... আবেলি পৰত মনি আৰু মই প্ৰায়ে দীঘলী পুখুৰী পাৰত বহি প্ৰাকৃতিক শোভা উপভোগ কৰাটো দুয়োৰে অভ্যাসত পৰিণত হৈছিল। সেয়ে দুয়ো ওলাই আহিলো। ...............

: মিতা ! তোৰ বাবে ৰাকেশে সদায় বৈ থাকে সেই নিৰ্দ্দিষ্ট শিলটোৰ ওপৰত বহি নহয় জানো ?

: ই ! মোৰ বাবে কিয় হব ? ...............

: নহয় মিতা, তই ভুল বুজি আছ, মই জানো, ৰাকেশে তোক চাগে বৰ ভাল পায়। আপোন হিচাপে পাবলৈ বিচাৰে। মাথো তই না নকৰিবি। তইতো জানাই মিতা, ৰাকেশ বৰ ভাল ল'ৰা সি তোক কেতিয়াও বিশ্বাসঘাতকতা কৰিব নোৱাৰে। মই জানো মিতা ৰাকেশৰ দৰে অমায়িক ল'ৰাজনৰ সতে তই বৰ সুখী হবি ... ...

: 'ন' মনি", ৰাকেশে মোক ভাল নাপায়।

: কেনেকৈ জানিলি ?

: এনেয়ে ...............

: ওঁ বুজিছো, তয়ো চাগে মনে মনে বৰ ভাল পাইছা নহয়নে মিতা ?

: ...............

ক্ৰমান্বয়ে ৰাকেশক লৈ জোকোৱা লগৰবোৰৰ সেই মিঠা ভাষাবোৰে মোৰ মনত এক বুজাব নোৱাৰা মিঠা আমেজ দিবলৈ ধৰিলে। দেহৰ প্ৰতি শিৰা উপশিৰাই এক মৃদু শিহৰণ অনুভৱ কৰিবলৈ ধৰিলোঁ। সুন্দৰকৈ পাহি মেলি ফুলি থকা গোলাপ জুপিত যেন কোনোবাই হাত টুকুৰিয়াই দিলে। শেষত কোনোৱে নজনাকৈ ইজনে সিজনৰ বুকুৰ কোনো গভীৰ, গোপন কক্ষত সোমাই পৰিলোঁ। এনেকৈয়ে আমাৰ গভীৰ বন্ধুত্ব শেষত ৰূপান্তৰিত হৈছিল মৰম, প্ৰেম

প্রেম আৰু ভালপোৱাৰে । আমি আগবাঢ়িলো আমাৰ জীৱন গঢ়াৰ পথত । কিন্তু দুয়ো একমাত্ৰ মুক্ত আকাশক সাক্ষী হিচাপে লৈ প্ৰতিশ্ৰুতিবদ্ধ আছিলো, দুয়ো দুয়োকো আপোন হিচাপে পোৱাৰ ।

তাৰ পিছত ........................ তাৰ পিছত

দিনবোৰ যেন সবাতোকৈ সুন্দৰ । পঢ়াশুনাৰ লগতে আমাৰ প্ৰেম ভালপোৱাও আগবাঢ়িব ধৰিলে সমানগতিৰে । দুয়ো দুয়োকো বেদেখাকৈ এখন্তেক থাকিব নোৱাৰা হলো । যি জনী মনি নহলে মই এখোজো আগবাঢ়িব নোৱাৰো সেইজনী মনিৰ সংগয়ো মোৰ ভাল নলগা হ'ল । মাথো ... ... ... !

আনহাতে ৰাকেশেওঁ হৃদয়ৰ এফ'লৰ দৰে অন্তৰংগ বন্ধু চিৰাজক এৰি ক্লাছ শেষ হোৱাৰ পিছত প্ৰায়ে মোক লগ কৰিবলৈ উদ্যত হৈ পৰে । দুয়ো মনে মনে লগ হৈ ব্ৰহ্মপুত্ৰৰ পাৰলৈ ফুৰিবলৈ যাওঁ । সেই শান্ত নিৰিবিলি পৰিবেশত আমাৰ দুয়োৰে নিৰ্বাক, নিশব্দ চাৱনিত বহুতো নোকোৱা কথাৰ অৰ্থ ফুটি উঠিছিল । ব্ৰহ্মপুত্ৰৰ পাৰত বহি অথবা কোনোবা ৰেষ্টুৰেন্টত বহি ব্যস্ত চহৰৰ পৰা আতঁৰত থাকি ইজনে সিজনৰ আগত মনৰ গোপন কথাবোৰ প্ৰকাশ কৰোঁ । অলেখ সপোন ৰচিছিলো যুটীয়াভাবে । ঘন্টাৰ পাছত ঘন্টা কটায়ো, অৰ্থহীন বহুতো কথা কৈয়ো অনুভৱ কৰোঁ যেন একো কোৱাই নহ'ল আৰু বহুতো বাকী ৰ'ল । আমাৰ প্ৰতিটো কথাৰ মাজতে এক মিঠা আমেজ জাগ্ৰত হয় । নানান হাঁহি ধেমালিৰে পাৰ কৰিছিলোঁ বহুতো মধুৰ ক্ষণ । মন্ত্ৰমুগ্ধ হৈ দুযো দুয়োৰে নিচেই ওচৰ চাপি গৈ কোনো কল্পনাৰ ৰাজ্যত ভ্ৰমণ কৰি ফুৰিছিলো । অনন্ত প্ৰেমৰ বাবে অংগীকৃত হৈছিলোঁ দুয়ো দুয়োৰে বাবে । —

বি-এ, ফাইনেল পৰীক্ষালৈ মাত্ৰ দুসপ্তাহ বাকী । এনেতে হঠাৎ মোৰ হাতত পৰিলহি এখন টেলিগ্ৰাম । ........................ ঘৰৰ পৰা কৰা । টেলিগ্ৰামখনে কঢ়িয়াই আনিছিল দেউতাৰ মৃত্যুৰ বাতৰি । কান্দি কাটি বাউলি হৈছিলোঁ মই । হাজাৰ প্ৰতিকূলতাৰ মাজতো নিজক পঢ়াত ডুবাই ৰাখি অৱশেষত পৰীক্ষাতো দিলোঁ । পৰীক্ষা দি মই ঘৰলৈ আহিবৰ হ'ল ওলোৱাত ৰাকেশে বাবে বাৰে মোক কৈছিল ........................ ........................

: মিতা, তুমি মোৰ কাৰণে অলপো চিন্তা নকৰিবা । পৃথিৱীৰ কোনো শক্তিয়ে তোমাক মোৰ পৰা বিচ্ছিন্ন কৰিব নোৱাৰে । তুমি সদায় মোৰ হৈ থাকিবা মিতা, চিৰদিন মোৰ হৈ থাকিবা । তুমিতো জানাই মোৰ সিদ্ধান্তৰ কথা । তোমাৰ প্ৰতিটো সপোন মই বাস্তৱত ৰূপায়িত কৰিম । মাথো তুমি মোৰ বুকুৰ মাজৰ পৰা আঁতৰি নাযাবা । জানা মিতা, তোমাৰ কোমল বুকুৰ সঁচা মৰম ভালপোৱা আৰু অনুপ্ৰেৰণা অবিহনে মোৰ জীৱন পথত মই এখোজো বাট বুলিব নোৱাৰো মিতা ! "অন্ধৰ হাতৰ লাখুটি হেৰাই গলে তাৰ জীৱনৰ যিদৰে নিশ্চয়তা নাই ঠিক তুমিও ........................

লগতে জানি থোৱা মিতা, যৌৱনৰ আদিম পুৱাতে তুমিয়ে মোৰ হৃদয় দুৱাৰ খুলি প্ৰেমৰ সুবাহ ঢালি দিছিলা, যি প্ৰেম



ভালপোৱা মোক আন কোনোৱে দিব নোৱাৰে ।" ........................ কথাবোৰ কৈ ৰাকেশে মোৰ হাতখন তাৰ হাতৰ মুঠিলৈ নি জোৰেৰে সাৱটি ধৰি কৈছিল,— "মই তোমাৰ বাবে বাট চাম মিতা, তুমি ঘৰলৈ গৈয়ে মোলৈ নিয়মিয়াকৈ চিঠি পত্ৰ দি থাকিবা ।" আই লাভ ইউ, আই লাভ ইউ ছ' মাচ্ ... ... ।"

ঘৰত থকাৰ তিনিমাহ পাছত আমাৰ ৰিজাল্ট ওলাল । মই প্ৰথম ক্লাছ লৈ সুখ্যাতিৰে বি-এ, পাছ কৰিলোঁ । আনহাতে ৰাকেশেও ছেভেনটি পাৰ্চেণ্টেজলৈ বি-এছ-চি, পাছ কৰি জে-এন-ইউলৈ এম-এছ-চি পঢ়িবলৈ গ'ল । দেউতাৰ মৃত্যুৰ পিছতে ঘৰখনলৈ আৰ্থিক সংকট নামি আহিছিল । এম-এ পঢ়াৰ প্ৰবল হেপাহটোক মনতে অৱদমন কৰি ৰাখি চাকৰিৰ কাৰণে চেষ্টা কৰিলোঁ । চাকৰিৰ ক্ষেত্ৰত অসমত যি অৰাজকতা চলি আছে সেই তিক্ততাপূৰ্ণ অভিজ্ঞতা অৱশ্যে মোৰ ভাগ্যত নঘটিল । যোগ্যতা অনুসৰি মই ওচৰৰে হাইস্কুল এখনত চাকৰি এটা পাই গলোঁ ।

দিনৰ দিনটো ল'ৰা ছোৱালীবোৰৰ মাজত কোলাহলপূৰ্ণ পৰিবেশটোত থাকি আবেলি ভাত কেইটামান খাই সদায়ে বিছনা খনত বাগৰ দিওঁ । কিন্তু কোনো দিনাই অলপো টোপনি আনিব নোৱাৰো । প্ৰয়োজনতকৈ আজি অলপ বেছি অৱশ অৱশ লাগিছে । টোপনি নহা চকুৰ পৰ্দাত অজস্ৰ স্মৃতিৰ ভিৰ । বহুতো স্মৃতি । ........................ ........................ সৰু সৰু টুকুৰা টুকুৰা বহুতো

মই যেতিয়া পূজা আদিৰ বন্ধত ঘৰলৈ আহোঁ তেতিয়া ৰাকেশে মোলৈ নিয়মিয়াকৈ চিঠি দিছিল আৰু মোৰ উত্তৰৰ বাবে বাট চাইছিল । কিন্তু আজি ~~~~~~~~~~ আজি দুবছৰেই হ'ল ৰাকেশৰ পৰা কোনো চিঠি নাহিল । বহুতো খবৰ কৰিও ৰাকেশৰ কোনো খবৰ উলিয়াব নোৱাৰি হতাশাত ভাগি পৰিলোঁ মই । স্বাস্থ্যৰো বহুখিনি অৱনতি ঘটিছিল । ৰাকেশে সচাই মোৰ মৰম, প্ৰেম, ভালপোৱাৰ সতে ল'ৰা ধেমালি খেলিছিল নেকি ? নাই নাই ৰাকেশে মোৰ পবিত্ৰ মৰম, প্ৰেম ভালপোৱাক কেতিয়াওঁ ঠগিব নোৱাৰে । সময়ত ৰাকেশ মোৰ ওচৰলৈ এদিন উলটি আহিবই ........................

কিন্তু নাই ৰাকেশ মোৰ ওচৰলৈ আৰু কোনো দিন উভতি নাহিল । ৰাকেশ বৰ দৃঢ়, দুঃসাহসী আৰু কৰ্মনিষ্ঠ । কব নোৱাৰাকৈয়ে সি মোৰ সমস্ত সত্বাটো অধিকাৰ কৰি লৈছিল । মোৰ হৃদয়ত ৰাকেশক লৈ ৰাশি ৰাশি ফুলিছিল কতনা আশাৰ ফুল কলি । অজান পুলকত মন কানন নাচি উঠিছিল । কিন্তু আজি সকলো শেষ হৈ গ'ল । সমস্ত সপোন সপোন হৈয়ে মৰহি যাবলৈ ধৰিলে মোৰ তিক্ত জীৱনটোত । আজি .... ....

আজি ৰাকেশ সম্পূৰ্ণ মানুহটোৱেই পৰিবৰ্ত্তন হৈ গ'ল । তাৰ দৃঢ় সিদ্ধান্ত বেছিদিন স্থায়ী নহ'ল । ইমান দিনৰ নিবিড় সম্পৰ্কটো মোৰ অৰ্থহীন যেন লাগিল । আনকি ৰিক্ত জীৱনটোৰ প্ৰতিও ঘৃণাৰে মনপ্ৰাণ ভৰি পৰিল । আত্মাভিমানত মই ভিতৰি ভিতৰি জ্বলি উঠিছিলো । ইমান দিনৰ গভীৰ সম্পৰ্কক ৰাকেশে ভৰিৰে গচকি যি অৱমাননা কৰিলে সেই পৰিবৰ্ত্তনে মোক দুৰ্বল কৰি পেলালে । ছিন্ন ভিন্ন হৃদয় বেদনাৰে প্লাৱিত হৈ পৰিল ।

ৰাকেশৰ কি প্ৰয়োজন আছিল মোৰ জীৱন-টোলৈ প্ৰতাৰণাৰ বিষঁকাড় নিক্ষেপ কৰিবলৈ! এই ল'ৰা বিলাকো যে! ছোৱালীবোৰক সিহঁতে কি বুলি ভাবে? ভালপোৱাটো কি প্ৰাণহীন পুতলাৰ খেল! ইচ্ছা কৰিলেই যে ইহুৱাব, কন্দুৱাব, নচুৱাব পাৰি ..........

বাহিৰত গভীৰ অন্ধকাৰ। আন্ধাৰ আৰু কুঁৱলিয়ে ঢাকি ধৰিছে অলপ দূৰৰো গছ্ বন। বুকুখন বিষাই উঠিল। বাহিৰৰ ফেৰফেৰীয়া বতাহ জাকে মোক চুই গ'ল, চুই গ'ল মোৰ ভগ্ন হৃদয়। নিৰিবিলি পৰিৱেশ টোৱে মোৰ মনটো অধিক বেদনা মধুৰ কৰি তুলিছে। সময়বোৰো যেন জ্বলন্ত মমৰ দৰে গলি গলি শেষ হৈছে। শৰতৰ আকাশত জোনাকৰ আভাই ভুমুকি মাৰি চৌদিশ পোহৰাই তুলিলে। ইমান সময় অন্ধকাৰত পৰি আটহীন কিছুমান কল্পনা কৰি বৰ আমনি লাগিল। হাতত মূৰা এটা লৈ মুক্ত আকাশৰ তলত বহি পৰিলোঁ। এনেতে চকু গ'ল— আকাশৰে এহাল চৰায়ে আনন্দৰে গীত গাই গাই গৈ আছে আপোন পাহৰা হৈ. একান্ত মনৰে উপভোগ কৰিলোঁ সেই দৃশ্য মই। কিন্তু হঠাৎ ক'ৰবাৰ পৰা এটা শেন চৰাই আহি সিহঁতৰ এটাক আক্ৰমণ কৰি আঘাত হানিলে। আনটোৱে নানা ইনাই বিনাই কৰিবলৈ ধৰিলে। কিন্তু শেনটোৰ তালৈ যেন অকনো ভ্ৰূক্ষেপেই নাই। বৰং লগৰজনৰ ইনাই বিনাইয়ে তাক যেন বেছি আনন্দিত কৰিলে।

সেই দৃশ্যৰাজিয়ে মোক পিছুৱাই লৈ গ'ল অতীতলৈ ............................ লগে লগে মোৰ দুচকুৰে দুধাৰি বিষাদৰ অশ্ৰু বৈ আছিল ............................ !!!

আই আজি মই সচাকৈয়ে
বৰ হিংস্ৰ হৈ উঠিছো
মোৰ নিয়াৰিৰ কাচিখনলৈ
এবাৰ চালেই বুজিব পাৰিবা
কাৰ দিঙিৰ যোখেৰে গঢ়িছো

হীৰেণ ভট্টাচাৰ্য্য






যতীন দাস
স্নাতক তৃতীয় বাৰ্ষিক
(কলা শাখা)
১৯৯৪-৯৫ ইং

বৰ্ষাৰ ক'লা মেঘে গোটেই-খন আকাশ এখন ক'লা ঢাকনিৰে নিচিনাকৈ আৱৰি ৰাখিছে। একেৰাহে কুৰিদিন নেৰানেপেৰা বৰষুণ। বৰষুণ এৰাৰ লক্ষণ দেখা নাই। তথাপিও সেইদিনা অকনমান পাতলিছে। সাচঁতীয়া চাউল মুঠিও তিনিদিন আগতে শেষ হ'ল। একেৰাহে তিনিদিন লঘোন। একোকে উপায় নেদেখি আবেলি তিনিমান বজাত প্ৰৱালে বাৰীৰ চুকত থকা মগ্ন বাহঁগছ জুপিৰ পৰা দুডাল কোমলীয়া বাহঁকে কাতি লৈ বজাৰলৈ বুলি ঢাপলি মেলিলে।

বজাৰৰ এচুকত বাহ দুডাল থৈ উৎকন্থিত মনে এটি নীৰৱ আশাৰে বাটচাই ৰ'ল। কোনোবাই বাহঁ দুডাল কিনিব আৰু তাৰে যি দুপইচা

> সময়ৰ লগে লগে সকলো স্মৃতিত পৰিনত হ'ল। স্মৃতিয়ে সকলোকে তোষামোদ কৰি গ'ল। স্মৃতিৰ বেদনা অতি নিৰ্মম যদিও জীৱন সংগ্ৰামত ব্ৰতী হৈ পৰা প্ৰৱালক স্মৃতিয়ে আমনি কৰিব পৰা নাছিল।

পাব সেইখিনিৰে নিশ্চয় কিবা অলপ হলেও কিনি লৈ ঘৰত গৈ নিশা মহানন্দেৰে মাকৰ সৈতে খাব। এনেদৰে বহুসময় বাটচাই ৰ'ল। প্ৰৱালৰ বাহঁ দুডালৈ কাৰোৱে চকুৱে নগল। এনেদৰে সময়বোৰ অতিবাহিত হৈ গ'ল। লাহে লাহে ধৰালৈ সন্ধ্যাদেৱীৰ আগমন ঘটিল। চহৰৰ আলিপদূলীবোৰ বিজুলী বাতিৰ তীব্ৰ আলোকে উজ্বলাই তুলিলে। উপায়বিহীন প্ৰৱালে অৱশেষত বাহঁ দুডাল কান্ধত লৈ চহৰৰ প্ৰতিঘৰ মানুহৰ পদূলীয়ে পদূলীয়ে বাহঁ লাগে নেকি বাহঁ লাগে নেকি বুলি চিঞৰি চিঞৰি ঘূৰি ফুৰিবলৈ ধৰিলে। এটি বৃথা চেষ্টা, তেওঁৰ চিঞৰলৈ কাৰো কৰ্ণপাত নহ'ল।

কিন্তু হঠাৎ কি হৈ গ'ল; কিন-কিনীয়া বৰষুণজাক ক্ৰমাৎ বাঢ়ি গৈ তীব্ৰ ৰূপ ধাৰণ কৰিলে। আৰু তাৰ লগে লগে নামি আহিল প্ৰৱাল ধুমুহা। চহৰৰ আলি পদূলীবোৰ জনশূন্য হৈ পৰিল আৰু তাৰ লগে লগে বিজুলী বাতিৰ পোহৰ নাইকীয়া হৈ গ'ল।

কেৱল বৰষুণ আৰু ধুমুহা, ধুমুহা আৰু বৰষুণ। যেন গোটেইখন আকাশত থকা সহস্ৰ জলকণিকাই তীব্ৰ আক্ষেপেৰে প্ৰৱালৰ ওপৰত বৰুণবান নিক্ষেপ কৰিছে আৰু তাৰ লগতে অৰ্জুনৰ সাৰথি কৃষ্ণৰ নিচিনাকৈ সহায় আগবঢ়াইছে ধুমুহাই। কেৱল বৰষুণৰ গিজ গিজনি আৰু ধুমুহাৰ ৰো ৰোৱনী আৰু তাৰ মাজে মাজে তীব্ৰ হঠাতে কেতিয়াবা তীব্ৰ আলোকেৰে আকাশখন সঞ্চাৰিত কৰি তোলে বিজুলী ঢেৰেকনীয়ে। তাৰ বাহিৰে অইন একো দেখা বা শুনা নাযায়।

এনেহেন এক মহাপ্ৰলয়ত জীৱন সাগৰৰ পল গনি এন্ধাৰৰ মাজে মাজে হুডাল কুমলীয়া বাহঁ কান্ধত লৈ বাট খেপিয়াই ফুৰিছে এটি দুৰ্ভগীয়া জীৱন। এনেদৰে কিছুদূৰ আগবাঢ়ি চহৰৰ কোনো এঘৰ মানুহৰ নঙলাত বাহঁহুডাল পেলাই থৈ সন্মুখৰ বাৰাণ্ডাখনত উঠিলগৈ। কিছুসময় ৰৈ থকাৰ পিছত প্ৰৱালে ভিতৰত অলপ কিহবাৰ পোহৰ দেখা যেন পালে। মাতি দিবৰ মন গৈছিল যদিও সাহসকন গোটাব পৰা নাই। আন-ফালে ঘৰত বা অকলশৰীয়া মাকজনীয়ে কি চিন্তা কৰিছে! এনেহেন কিছুমান খেলি মেলি ভাৱ মনলৈ আহি মনটো জুমুৰি ধৰিছে। হেন সময়তে পিছফালে কোনোবাই দুৱাৰ খোলাৰ শব্দ শুনিবলৈ পালে। ঘূৰি চাই দেখে যে এজন আদবয়সীয়া মানুহ ওলাই আহিছে। অপ্ৰকিতিস্থভাৱে মানুহজনৰ মুৱাকৈ ঘূৰিলে আৰু একো নোসোধাকৈয়ে বিনয়ী কণ্ঠে প্ৰৱালে উত্তৰ আগবঢ়ালে-বৰষুণৰ বাবে অলপ ৰৈছো।

বাকৰুদ্ধ কণ্ঠত তীব্ৰবেগে হৃদয়ৰ পৰা ঢৌ-খেলি খেলি ওলাই অহা প্ৰৱালৰ কণ্ঠত বিষাদৰ ছাঁ। যিটো মুখমণ্ডললৈ চালেও স্পষ্টকৈ বুজিব পাৰি। মানুহ গৰাকীয়ে বুজি পাইছিল। সেয়েহে প্ৰৱালক ওচৰলৈ মাতি আনি কিবা-কিবি সুধিলে। প্ৰৱালে সকলো-বোৰ স্পষ্টকৈ কৈ গ'ল। কৈ গ'ল জীৱনৰ কৰুণ স্মৃতিবোৰ।

প্ৰৱালৰ কথাই মানুহজনৰ হৃদয় বিগলিত কৰি তুলিলে। নিজকে নিজে স্বতস্ফুৰ্ত্ত ভাৱে কৈ উঠিল—হায়। নিয়তি --------- ।

বহুসময় থিয় হৈ থকাত প্ৰৱালক বহিবলৈ দিবলৈ বুলি মানুহ গৰাকীয়ে মাত লগালে— মাজনী, এইপিনে এখন তুল লৈ আহাচোন।

ভিতৰৰ পৰা এজনী কুৰি বছৰীয়ামান ছোৱালীয়ে হাতত এখন তুল লৈ ওলাই আহিল। বাহিৰত আহি প্ৰৱালক দেখা মাত্ৰকে ছোৱালীজনী স্তম্ভিত হৈ গ'ল। আৰু একে লেঠাৰীয়ে উত্তৰলৈ অপেক্ষা নকৰি কৈ গ'ল। প্ৰৱাল তুমি ইয়াত এনেকৈ এই অৱস্থাত? প্ৰৱালে মাথোন ব্যাকুল মনেৰে চাই ৰ'ল। উত্তৰ দিয়াৰ আগতে ছোৱালীজনীয়ে পুনৰ আৰম্ভ কৰিলে— দেউতা, এওঁৱেই প্ৰৱাল। যাৰ কথা মই তোমাক ছয়বছৰ আগৰে পৰা বহুদিন বহুবাৰ কৈছোঁ।



যাক তুমি ঘৰলৈ মাতি আনিবলৈ কৈছিলা। যিজনক বহুদিন বহুবাৰ অশেষ কাকুতিৰে মাতিও আনিব নোৱাৰি, মই তোমাৰ কথা ৰাখিব নোৱৰাত ব্যৰ্থ হৈ পৰিছিলোঁ। যাৰ বাবে মই কোনো দিনেই স্কুলৰ প্ৰথম পজিচনটো লাভ কৰিব নোৱাৰিছিলো। যাৰ বাবে মই বাৰ্ষিক অধিবেশনতে প্ৰথম পুৰস্কাৰবোৰ নাপাইছিলো। যিজনক স্কুলৰ ছাৰ বাইদেউসকলে মোতকৈওঁ বেছি মৰম কৰিছিল এইজনেই সেই প্ৰৱাল। যাক মই অশেষ কাকুতি নকৰাকৈ আজি আমাৰ ঘৰত উপস্থিত হৈছে। আজিৰ দিনটো আমাৰ বাবে বৰ সৌভাগ্যৰ। প্ৰৱাল আহা ভিত-ৰলৈ আহা। তুমিওযে দেউতা-নামটো শুনি-য়েই তুমি জনা নাছিলা নেকি? কিয় মই তোমাক নামটো কোৱা নাছিলো? দেউতাৰ ওপৰত অভিমান কৰি পুনৰ কলে— মোৰ বন্ধু বুলি কোৱা নাছিল নেকি; যে তুমি বাহিৰলৈ তুল আনিব কৈছা?

ইমান পৰে জীয়েকৰ নাটকীয় দৃশ্যখন চাই দেউতাকে একো তলকিবই পৰা নাছিল। এটি পুতলাৰ দৰে থিয় হৈ আছিল মাথো। হঠাৎ যেন জীয়েকৰ প্ৰশ্নই সংজ্ঞা ঘূৰাই আনিছে আৰু উত্তৰ দিলে— অ! তুমি তাৰমানে বাহিৰত বহিবলৈ দিয়াৰ কাৰণে অভিমান কৰিছা! নহয় জানো? মই আচ-লতে তেনে কোনো ভৱাই নাই। ভিতৰত বহাতকৈ দেখোন বাহিৰতহে বেছি ভাল লাগে। কি সুন্দৰ প্ৰকৃতিৰ বৈচিত্ৰ ৰূপ, মলয়া বতাহ জাকৰ লগতে আমাৰ হাচনা হানা জুপিয়ে উটুৱাই দিছে এটি মৃদু সৌৰভ। প্ৰকৃতিৰ কি অমূল্য দান। তুমি অলপ ইয়াত থাকাছোন। এনেকুৱা এটা পৰি-বেশটে হয়তো কোনোবা কবিৰ মনত হৃদয়ৰ অৰ্গল খুলি কবিতাৰ ভাষা ওলাই আহিব পাৰে। তুমি ছাৰিবেৰৰ মাজত থাকি হয়তো এইবোৰৰ একো ভূকে পোৱা নাই।

পিঙ্কীয়ে একপ্ৰকাৰ খং দেখুৱাই কৈ উঠিল— হৈছে হৈছে তোমাৰ আৰু সেই কবিতাৰ ভাষা শুনিবলৈ মোৰ ইচ্ছা নাই। তোমাক মই বেয়া পাইছোঁ।

আহা প্ৰবল ভিতৰলৈ আহা। পিঙ্কীয়ে প্ৰৱালক ভিতৰলৈ মাতিলে।

এইবাৰ এটি আকুল কণ্ঠে প্ৰৱালে উত্তৰ আগবঢ়ালে— পিঙ্কী তুমি মোক ভিতৰলৈ মাতিচা হয়, কিন্তু মই যে এই তুলখনত বহাৰ যোগ্যতা অৰ্জন কৰিব পৰা নাই। মোৰ এই লেটেৰা ভৰিৰে ভিতৰলৈ সোমোৱাই দুৰৰ কথা, পকীখনত থিয় হবলৈওঁ যেন বাৰে বাৰে পকীখনীয়েও মানা কৰি আছে।

প্ৰৱাল তুমি বেয়া পালা নেকি দেউতাই তেনেকৈ কোৱা কাৰণে?

নাই, নাই, মই কিয় বেয়া পাম, খুৰাদেউটো মোক একো বেয়া কথা কোৱা নাই।

আহা বোপা আহা, এই আকৰীজনীয়ে আকৌ মোৰ ওপৰতে খং কৰিব।

পিঙ্কীৰ দেউতাকে এক প্ৰকাৰ যোৰ কৰিয়েই প্ৰৱালক ভিতৰলৈ লৈ গ'ল।

ভিতৰত এটি সুন্দৰ সুসজ্জিত কোঠাত বহিবলৈ দি পিঙ্কী ভিতৰ সোমাই গ'ল।

ইমান দিনে জীৱন সাগৰৰ অটল সমুদ্ৰত ডুব গৈ প্ৰৱালে অতীতক সোঁৱৰীবৰ সময়ে পোৱা নাছিল। কিন্তু সেইদিনা হঠাৎ

পিঙ্কীক লগ পাই যেন তেওঁৰ অতীতৰ করুণ স্মৃতিবোৰ মানস পটত প্ৰতিবিম্বত হ'বলৈ ধৰিলে।

মইনাজান গাওঁৰ এটি সাধাৰণ খেতিয়ক পৰিয়ালৰ ল'ৰা প্ৰৱাল চাকুচনা। মাক দেউতাক আৰু একেজনী মাত্ৰ ভনীয়েকেৰে সৈতে ছাৰিটি পৰিয়াল। দেউতাক খেতিয়ক যদিও খেতিৰ ধানেৰে বছৰ জুৰি খাবলৈ নোযোৰে। ছমাহ ঘৰৰ খালে ছমাহ পৰৰ খাবলগীয়া হয়। এই পিছৰ ছমাহ পেটৰ ভাতমুঠিৰ কাৰণে চিন্তা কৰোতে তেওঁলোকৰ অৱস্থা গানীত হাঁহ নছৰা হৈ পৰে। এনে এটা দৰিদ্ৰতাৰ কৰালগ্ৰস্ত পৰিয়ালত জন্ম হৈওঁ প্ৰৱাল আৰু ভনীয়েক বিমাই কোনো দিনেই কোনো বস্তুৰ অভাৱ অনুভৱ কৰিবলগীয়া নহৈছিল। মাক দেউতাকৰ অগত্য স্নেহৰ দুয়োজন ভাই ভনীয়েকে ধেমালীৰে মহাসুখে দিনবোৰ অতিবাহিত কৰিছিল। কেৱল যে পুত্ৰ কন্যা বুলিয়ে মৰম কৰিছিল এনে নহয়, তেওঁলোকে নিজ ব্যক্তিত্বৰ বলেৰে মাক দেউতাকৰ পৰা মৰম আদায় কৰিছিল। তীক্ষ্ণ বুদ্ধিৰ ল'ৰা প্ৰৱালে স্কুলৰ পৰা যিফালে আগবাঢ়ি যায় সেইফালে নিজৰ পাৰদৰ্শিতা দেখুৱাব পাৰিছিল। যাৰ বাবে মইনাজান গাওঁৰ সকলৰ প্ৰায়বোৰ ব্যক্তিয়ে প্ৰৱালক চিনি পাইছিল আৰু তেওঁৰ ব্যক্তিত্বত নতশিৰে মূৰ দোৱাইছিল। আনকি স্কুলৰ শিক্ষক-শিক্ষয়িত্ৰী সকলৰ মৰমৰ থাল-খনো যেন কুৰনোৱাৰকৈয় প্ৰৱালৰ ফালে অলপ বেছিকৈ ঢাল খাইছিল।

স্কুলত নিত্য নৈমিত্তিক শিকোৱা পাঠখিনি প্ৰতিদিনে আগতিয়াকৈ ঘৰত পঢ়ি লৈছিল। কিবা অলপ ত্ৰুটি থাকিলেওঁ হই মাষ্টৰে শিকোৱাৰ লগে লগে তৎক্ষণাত বুজি উঠিছিল। আৰু তেওঁৰ পিছে পিছে আগবাঢ়ি গৈছিল সহপাঠী পিঙ্কী। পিঙ্কীও গোটেই কম নহয়। তাই অন্তত নিজৰ বাবে নহলেও প্ৰৱালৰ লগত ফেৰ মাৰি চেৰ পেলাবলৈ প্ৰৱালৰ নিচিনাকৈ নিৰ্দ্দিষ্ট বিষয়বস্তু আগতীয়াকৈ জানি লৈ ক্লাচত সবাতোকৈ আগত হ'বলৈ চেষ্টা কৰিছিল।

সেইখন চহৰতে এক আঢ্যৱন্ত ব্যক্তি অনুপ চলিহা। চলিহা বংশ বুলিলে চহৰখনত নাম নজনা ব্যক্তি নাই বুলি কলেও অত্যুক্তি কৰা নহয়। চহৰখনত যি-কেইটা ডাঙৰ ডাঙৰ কল কাৰখানা আছে এই চলিহা বংশৰ ভিতৰতে। এই অনুপ চলিহাৰ একমাত্ৰ কন্যা পিঙ্কী। তাইৰ বাবে দেউতাকে নকৰা এখোৱেই নাই। যিহকে লাগে, যিখৰ বিচাৰে, যি লৰ বিচাৰে সকলো তুৰন্তে যোগাৰ কৰি দিয়ে। গতিকে তাইৰ শিক্ষাৰ বাবে দেউতাকে যত্ন লোৱৰ কথাই নাই। স্কুলৰ পঢ়া বাদে দুজনা টিউটৰ এটাৰ পিছত এটা লাগিয়েই থাকে। ইচ্ছা নাথাকিলেও পিঙ্কীয়ে নিৰ্দিষ্ট সময়খিনি টেবুলৰ ওচৰত বহি থাকে। অৱশ্যে যিদিনা স্কুলত কোনো এটা নিৰ্দিষ্ট বিষয়ৰ ওপৰত আলোচনা কৰাৰ কথা থাকে সেইদিনাৰ কথা অলপ বেলেগ। অইন সকলো বাদ দি পুৱা গধূলি প্ৰতিটো টিউটৰৰ লগতে সেই নিৰ্দিষ্ট বিষয়টো খৰচি মাৰি জনাৰ চেষ্টা কৰে। ইয়াৰ পিছত ক্লাচত গৈ যেতিয়া শিক্ষকে নিৰ্দিষ্ট বিষয়টো আলোচনা কৰি ছাত্ৰ-ছাত্ৰী সকলক প্ৰশ্ন কৰে, তেতিয়া পিঙ্কীয়ে সবাটোকৈ



আগতে উত্তৰ দিবৰ চেষ্টা কৰে। তেনেকৈ খৰধৰকৈ উত্তৰ দিবলৈ চেষ্টা কৰোতে সঁচাই মিচাই ইটো লগলাগি খিচাৰি হৈ পৰে। তেতিয়া শিক্ষকে আকৌ প্ৰশ্ন কৰে- কোনোবাই ইয়াতকৈ আৰু ভালকৈ কৰ পাৰিব নেকি? কোনো ফালৰ পৰা একো সহাৰি অহা নেদেখিলে পিছফালে কোনোবা এখন বেঞ্চত এমূৰীয়াকৈ বহি থকা প্ৰৱাল লাহেকৈ ঠিয় হয় আৰু খুতি-নাতিখিনি ভাঙি একালৰ পৰা নিয়াৰিকৈ উত্তৰটো কৈ দিয়ে। যাৰ বাবে পিঙ্কীয়ে প্ৰত্যেক দিনে প্ৰায়বোৰ ক্লাচতে লাজ পাবলগীয়া হয়। এনেবোৰ কাৰণক লৈয়ে পিঙ্কীৰ প্ৰৱালৰ ওপৰত উঠে অত্যন্ত খং। ক্লাচৰ মাজতে কোনোৱে একো নুবুজাকৈ ভোৰভোৰাই কয় ইনানে যদি জানে আগতে নক'লে কিয়? দুয়োৰে সম্পৰ্ক কুকুৰ মেকুৰীৰ নিচিনা, চকুৰ আগত ওলালেই যেনিবাই খেংখেঙাই উঠিব। যদিও এই সম্পৰ্কৰ মাজটো যেন দুয়োৰে দুয়োৰে প্ৰতি আছে এক প্ৰাণৰ চাব। কোনো এদিন যদি কিবা কাৰণত কোনো এদিন যদি কিবা কাৰণত কোনো এজন ক্লাচত নাথাকে ইজনৰ মনটো শান্তি নাই। প্ৰৱাল নাথাকিলে পিঙ্কীৰ এনেকুৱা হেন লাগে যেন তেওঁ দিয়া প্ৰতিটো শুদ্ধ উত্তৰৰ মাজটো কোনোবাখিনিত কিবা এটা ভুল থাকি গ'ল যিটো শুধৰাই দিবলৈ সেইদিনা কোনোবা এজনৰ অভাৱ হয়। আনহাতে পিঙ্কী নেথাকিলে প্ৰৱালৰ এনে হেন লাগে যেন তেওঁ দিয়া উত্তৰবোৰ সেইদিনাৰ কাৰণে অসাৰ হৈ পৰে। কেতিয়াবা গা ভাল নহয় বুলি শিক্ষকক কৈ ঘৰলৈ উভতে।

প্ৰৱালৰ নামটো মনলৈ অহাৰ লগে পিঙ্কীৰ অন্তৰত এক অবুজ উত্তেজনাৰ সৃষ্টি হয়। ঘৰটো আনকি যি প্ৰসঙ্গতে নহওঁক প্ৰ-ৱা-ল আখৰ কেইটা চকুত পৰাৰ লগে লগে ক্ষন্তেকৰ বাবে হলেও মনটো ৰৈ যায়। কিতাপৰ পাতৰ মাজটো এই কেইটা আখৰ চকুত পৰিলে ৰঙা চিয়াহীৰে পাতলকৈ তলত এডাল আচ টানিবলৈ নাপাহৰে।

এদিনাখন লগৰ এজনী বান্ধৱীয়ে কিবা চাবলৈ বুলি পিঙ্কীৰ পৰা এখন কিতাপ নিলে। কিতাপখন খুলি দেখে যে যতেই প্ৰ-ৱা-ল আখৰ কেইটা আছে তাতেই তলত আচ টনা আছে। আনকি ক'ৰবাত কোনোবাটো তিনিটা আখৰ থকা শব্দৰ প্ৰথম আখৰ দুটা যদি প্ৰ আৰু ৱা হয় শেষৰটো ক'লা চিয়াহীৰে চিনিব নোৱাৰাকৈ ল বনোৱা আছে। কথা বুলিলে বতাহ, তুৰন্তে কথাটো ক্লাচৰ সকলোৰে মুখত প্ৰচাৰ হৈ গ'ল। ক্লাচত প্ৰত্যেক গাৱলৈ ধৰিলে— অ! এওঁলোক দুয়োজনে দুয়োজনৰ প্ৰতি দেখুওৱা খং ৰাগৰ অন্তৰালত আছে এই মৰ্মাৰ্থ। প্ৰেমৰ আগলি বতৰা; অভিমান। ইয়াৰ পিছৰে পৰা ক্লাচৰ ল'ৰা ছোৱালীবোৰে হঠাতে কেতিয়াবা প্ৰৱালক পিঙ্কী বুলি মাতে আৰু উত্তৰ দিয়াৰ আগতে পুনৰ কয় অ-ৰৌ, নামটো ভুল হৈ গ'ল। ঠিক তেনেদৰে পিঙ্কীকো তেনেকৈ প্ৰৱাল বুলি মাতে। প্ৰৱালক তেনে কৰিলে তেওঁ মাথো মৌন হৈ ৰয়। কিন্তু পিঙ্কীক তেনেকৈ মতাৰ লগে লগে তাই অত্যন্ত খং দেখুৱাই জপিয়াই উঠে। সেই হেতুকে বন্ধু-বান্ধৱীবোৰে প্ৰৱালৰ পৰিবৰ্ত্তে পিঙ্কীকে সৰহকৈ তেনেদৰে

মাণ্ডে। প্ৰকৃততে কিন্তু পিঙ্কীৰ সেয়া খং নহয়। খণ্ডেৰে প্ৰস্ফুটিত কৰা মনৰ মাজত সৃষ্টি হোৱা অপাৰ-আনন্দৰ জোৱাৰ। যিটো বন্ধু-বান্ধবীয়ে ভালদৰে বুজে। সেয়েহে ক্লাচ নথকা সময়খিনি ৰং-ধেমালীৰে কটাইছিল।

প্ৰৱাল যদিও ধীৰ স্থিৰ শান্ত সৌম্যৰ প্ৰতীক। তথাপি কোনো কোনো মুহূৰ্ত্তত পিঙ্কীয়ে যে তেওঁকো চঞ্চল কৰি তুলিব পৰা নাছিল তেনে নহয়। বিশেষকৈ বছৰটোৰ বাৰ্ষিক অধিবেশনৰ সময়খিনিত ভেৰ-চন প্ৰতিযোগিতাত যেতিয়া পিঙ্কীয়ে খুব বগা পাত কাপোৰ যোৰ পিন্ধি, আ-অলঙ্কাৰেৰে সুসজ্জিত হৈ লাজুক লাজুক চাৱনিৰে তেওঁলৈ চায়। অথবা চুইমিং প্ৰতিযোগিতাত যেতিয়া পিঙ্কীয়ে স্পটিং ব্লেজাৰটো পিন্ধি পানীত জপিয়াই পৰিব আৰু ইয়াৰ পিছত পানীত তিতি উঠা ব্লেজাৰটো দেহৰ প্ৰতিটো ভাজে ভাজে লিপিত খাই পৰাত দেহৰ প্ৰতিটো অঙ্গ স্পষ্ট হৈ জিলিকি উঠিব। তেতিয়া প্ৰৱালৰ মনটোৱে সুবিশাল সাগৰৰ পাৰ ভাঙি মৰুৰ বুকুত আশ্ৰয় লয়গৈ।

এনেদৰে যৌৱনে প্ৰলেপ সনা কৈশোৰৰ ৰঙীন স্বপ্নবোৰ বুকুত লৈ মহানন্দেৰে তেওঁলোক দুয়োজন এইবাৰ দশম শ্ৰেণীত অৱতীৰ্ণ হ'লগৈ। দশম শ্ৰেণীত এসপ্তাহমান ক্লাচ হৈছিল মাথোন এনেতে হঠাত কি হৈ গ'ল দেশৰ চাৰিওফালে এক হাহাকাৰ সৃষ্টি হ'ল। শুনা গ'ল আমাৰ দেশত হেনো বহিৰাগত লোক আহি ভৰি পৰিছে। যাৰ ফলতে হেনো আমাৰ দেশত দুৰ্ভিক্ষ, অভাৱ অনাটন আদিৰ সৃষ্টি হৈছে। আৰু তেওঁলোকক বহিস্কাৰ কৰাৰ কাৰণে ৰাইজে আন্দোলন চলাব। এই আন্দোলনৰ শুৰি ধৰিব ছাত্ৰ সমাজে। দেশৰ চাৰিওফালে হৰতাল, অনশন, ধৰ্মঘট আদিৰে এক বিভীষিকাৰ সৃষ্টি কৰিব ধৰিলে। আৰু ইয়াৰ প্ৰত্যোত্তৰ স্বৰূপে চৰকাৰে সৰ্বসাধাৰণ ৰাইজৰ ওপৰত জপাই দিলে কিছুমান গোৰা চিপাহী।

দিন যোৱাৰ লগে লগে দেশৰ চাৰিওফালে বিভিন্ন অমঙ্গলীয় ঘটনাবোৰ ঘটিবলৈ ধৰিলে। আজি বোলে ছাত্ৰ সমাজে অমুকত দলং এখন জ্বলাই দিছে। কালি বোলে অমুকত গাওঁ এখন জ্বলাই দিছে। আৰু ইয়াৰ পৰিণতি স্বৰূপে চৰকাৰী চিপাহীবোৰে ওচৰৰ গাওঁবোৰত নানান অত্যাচাৰ আৰম্ভ কৰি দিছে। দিনক দিনে এনে অত্যাচাৰ যেতিয়া ক্ৰমাং বৃদ্ধি হবৈল ধৰিলে তেতিয়া কেন্দ্ৰীয় চৰকাৰে আমাৰ চৰকাৰক অবৈধ ঘোষণা কৰি চৰকাৰ ভাঙি জাপি দিলে ৰাষ্ট্ৰপতিৰ শাসন। জনসাধাৰণৰ মৌলিক অধিকাৰ সমূহ নাইকিয়া হৈ পৰিল। পুনৰ কেন্দ্ৰীয় চৰকাৰৰ পৰা গাড়ীয়ে গাড়ীয়ে সামৰিক বাহিনীৰ জোৱান সকলক দিলে জপাই। দেশ শাসনৰ নামত তেওঁলোকে আৰম্ভ কৰিলে সৰ্ব্বসাধাৰণ জনতাৰ ওপৰত নানান ধৰণৰ অত্যাচাৰ, উৎপীড়ন, ধৰ্ষণ, লুণ্ঠন আদি। জনসাধাৰণৰ মাজত এক আতঙ্কৰ সৃষ্টি হ'ল। নিশা শান্তিৰে টোপনি মাৰিব নোৱাৰা হ'ল। শান্তিৰে দুবেলা দুমুঠি খাবলৈ নোপোৱা হ'ল।

এই অত্যাচাৰৰ পৰা মইনাজান গাওঁ কোনোপধ্যেই বাদ পৰি নগল। এদিনাখন শুনা গ'ল যে আন্দোলনকাৰীসকলে যোৱা নিশা মইনাজান গাওঁৰ ওচৰত থকা চৰকাৰী



উপ-পথটোৰ মাজভাগত থকা কাঠৰ দলংখনত জুই জ্বলালে। আৰু এই খবৰ পোৱা মাত্ৰকে ঠাইডোখৰ চৰকাৰী পুলিচ মিলিটাৰীৰে ভৰি পৰিছে। গধুলি হ'লত ওচৰৰ পুলিচ থানাখনতে হোমগাৰ্ডৰ কাম কৰা লেপাং গাওঁবুঢ়াৰ পুতেক ভেৰলাই আহি খবৰ দিলে যে—তেওঁ হেনো থানাৰ দাৰোগা চাহেবে কোৱা শুনিছে আজি নিশা মইনাজান গাওঁত মিলিটাৰীৰ হতুৱাই অপাৰেচন চলাব। সেয়েহে সাৱধান, পাৰিলে ডেকা ডেকা ল'ৰা ছোৱালী চাম ঘৰত নথকাই ভাল। এই কথা শুনাৰ লগে লগে গাওঁৰ প্ৰায় সকলোবোৰ ল'ৰা-ছোৱালী কোনে ক'ত পলাই পতং দিলে তাৰ কোনো চিন চাব নাইকিয়া হৈ গ'ল। কোনোৱে হয়তো ওচৰতে থকা পকা ধাননিৰ মাজতে নিশাৰ শয়ন পাতি নিৰ্মান কৰিলে। কোনোৱে হয়তো ওচৰতে থকা শ্মশান খনিত সোমালগৈ। আৰু ইয়াতকৈও বেছিভাগে আশ্ৰয় ললেগৈ গাওঁৰ সিটোমূৰত থকা কন্দৰ্পইতৰ পুৰণবস্তীৰ ভলুকা বাঁহৰ তলত। ইয়াকে দেখি প্ৰৱালৰ মাক দেউতাকেও অত্যান্ত ভয় খালে। তেওঁলোকেও প্ৰৱালক ঘৰৰ পৰা ওলাই গৈ বাহিৰত থাকিবলৈ কলে। প্ৰৱালে কথাত কোনোপধ্যেই মান্তি হোৱা নাছিল। তেওঁ কলে—তেওঁ হেনো মাক দেউতাক তথা একমাত্ৰ ভনীয়েকক অকলে এৰি থৈ নাযায়। যি হয় একে লগে হব। "ৰাখে হৰি মাৰে কোন মাৰে হৰি মাৰে কোন।" যদিও শেষত মাক দেউতাকৰ কাকুতি মিনতি এৰিব নোৱাৰি প্ৰৱালেও মাক দেউতাক তথা ভনীয়েকক ঈশ্বৰৰ হাতত অৰ্পন কৰি ভলুকা বাঁহৰ তলতে আশ্ৰয় ললেগৈ।

নিশা সচাকৈয়ে গাওঁখন পুলিচ মিলিটাৰীয়ে ঘেৰাও কৰিলে। আৰু যোৰে যতে পায় তাতে নানান ধৰণৰ অত্যাচাৰ কৰিলে। এনেদৰে এক বিৰাট আতঙ্কৰ মাজত নিশাটো পাৰ হ'ল। ৰাতি পুৱালত বাহিৰত থকা সকলোবোৰ ল'ৰা-ছোৱালী লাহে লাহে ইটো সিটোকৈ ঘৰা-ঘৰি উভতিল। তেনেদৰে প্ৰৱালেও ঘৰলৈ আহি দেখে যে দেউতাকে ঘৰৰ মাজ চোতালতে কেকাই কেকাই পৰি আছে। তেওঁ দৌৰি গৈ দেউতাকৰ দুবাহুত ধৰি তুলি দিব খোজোতে দেউতাকে কেকাই কেকাই কবলৈ ধৰিলে—অ বোপাই; হবজা মই ইয়াতে আছো. ভনীয়েকক আৰু মাৰাক চাগৈ। ক'ত কেনেকৈ আছে মই একো গমেই পোৱা নাই। নিশা কেৱল সেই নপুংসক সকল আহোতে চিঞৰ বাখৰ কৰাহে শুনিছো। প্ৰৱালে অধৈৰ্য্য হৈ দৌৰা-দৌৰিকৈ ঘৰৰ ইটো সিটো কমত মা-ৰিমা, মা-ৰিমা বুলি চিঞৰি ফুৰিবলৈ ধৰিলে। পুতেকৰ চিঞৰ শুনি ৰান্ধনী ঘৰৰ পিছফালে জাহাজী কলজোপাৰ তলত পৰি থকা মাকে সেহাই সেহাই মাত লগালে- "বোপা, বোপা অ, মৰিলো অ।

প্ৰৱালে দৌৰি গৈ মাকক সাৱতি ধৰি ফেকুৰিবলৈ ধৰিলে—মা তুমি মোক কিয় তোমালোকক অকলে এৰি থৈ যাবলৈ কৈছিলা; মই থাকিলে কিজানি তোমালোকৰ এই অৱস্থা নহলহেতেনহৈ।

পুতেকৰ কথা শুনি মাকে কলে—বোপা অ; তই থাকিলে তোক সিহঁতে খাই পেলালেহেঁতেন। তেতিয়া কোনে আমাক চালেহেঁতেন। বোপা অ; ভনীয়েৰাক সিহঁতে

ধৰি নৈ গৈছে কৰবালৈ । মই সিহঁতৰ পিছে পিছে দৌৰি গৈ থাকোতে কোনোবা এটাই হঠাৎ বাট আগুচি ধৰিলে। মই আৰু যাব নোৱাৰিলো। তাই চিঞৰি চিঞৰি তোক আৰু মোক মাতি মাতি গৈ আছিল। তই অলপ ইফাল সিফাল কৰি চাগৈ যা, কিজানি কৰবাত এৰি থৈ গৈছে!

মাকৰ মুখেৰে সেই কথা শুনাৰ লগে লগে মাকক তেনে অৱস্থাতে এৰি থৈ তুৰন্তে তেওঁ বাহিৰলৈ ওলাই আহিল আৰু ৰিমা ৰিমাকৈ চিঞৰিবলৈ ধৰিলে। হেন সময়তে নিশা শ্মশানত আশ্ৰয় লোৱা ধনিয়াৰামৰ পুতেক কৃষ্ণই আহি খবৰ দিলে যে-শ্মশানৰ ওচৰতে থকা মুকলি ফিল্ডখনত দুজনী ছোৱালী উলঙ্গ অৱস্থাত অচেতন হৈ পৰি আছে। ঠায়ে ঠায়ে নিৰ্দিষ্ট কিছুমান অঙ্গৰ পৰা তেতিয়াও লাহে লাহে তেজ ওলাই আছে। তেনে এটি দৃশ্য তেওঁ হেনো ভালদৰে চাব পৰা নাই। সেইবাবে ছোৱালী দুজনীকো কোন ভালদৰে চিনিব পৰা নাই। কথাষাৰ শুনাৰ লগে লগে প্ৰৱালে নিৰ্দিষ্ট স্থানলৈ দৌৰ দিলে। তাত গৈ তেওঁ যিটো দৃশ্য দেখিলে, তাক আৰু তেওঁ চাব নোৱাৰিলে। দুহাতেৰে দুচকু আবৰি ধৰি বজ্ৰপাত পৰা মানুহৰ নিচিনাকৈ কিছুসময় থিয় হৈ থাকি হঠাৎ ঢপকৈ মাটিত বাগৰি পৰিল।

ইয়াৰ পিছত হস্পিতালত সংজ্ঞা ঘূৰাই পোৱাৰ পিছত তেওঁ যেতিয়া ঘৰলৈ উভতে তেতিয়া শ্মশানত থকা চিতাভস্মাখিনিৰ বাহিৰে ভনীয়েকক আৰু লগ নাপালে। শ্মশানত গৈ ভস্ম চাইখিনিৰ ওপৰতে চিঞৰি চিঞৰি হিয়া উবুৰিয়াই কান্দি কান্দি কৈছিল— ৰিমা, ৰিমা; মই তোমাৰ ভীৰু ককাইদেউ। তুমি মোক শাস্তি দিয়া, তুমি মোক শাস্তি দিয়া। নহলে মই যে এই পাপৰ পৰা মুক্তি লভিব নোৱাৰিম। ৰিমা তুমি মোক অভিশাপ দিয়া.... .... .... ।

দুখ মানুহৰ জীৱনলৈ অকলে নাহে। যেতিয়া মানুহে অথাই সাগৰত পাৰ নেপাই দিগ শূন্য হৈ অমাই-বনাই ঘূৰি ফুৰে তেতিয়া চাৰিও দিশৰ পৰা দুখে আবৰি ধৰে। প্ৰৱালৰ জীৱনটো তেনেকুৱাই ঘটিছিল। বিভিন্ন আহুকালৰ মাজেৰে ভনীয়েকৰ মৃত্যুৰ পিছত এটা কি দুটা মাহ পাৰ হৈছিল মাথোন। হেন সময়তে মইনাজান গাওঁত দেখা দিলেহি মহা প্ৰলঙ্কৰী কলেৰা ৰোগ। এফালৰ পৰা গাওঁখন আজি ইঘৰৰ কালি এজন এজনকৈ যমৰ দুৱাৰ দলিত ভৰি দিবলগীয়া হলগৈ। ইয়াৰ প্ৰকোপৰ পৰা গাওঁৰ কোনো এঘৰ মানুহে বাদ পৰি নগল।

এদিনাখন গধূলী পথাৰৰ পৰা আহি দেউতাকে গাটো বেয়া বুলি কবলৈ পালেহে মাথোন। লগে লগে আৰম্ভ হ'ল পেট কামোৰ। দুই তিনি ঘন্টাৰ ভিতৰতে ফুৰিবাৰ মান বাহিৰলৈ গৈ তেওঁ পাতিৰ পৰা উঠিব নোৱাৰা হ'ল। ওচৰতে নামতি বুঢ়াৰ পৰামৰ্শমতে কিবা কিবি বনযোধী দৰৱ খুৱালে যদিও অসুখৰ কোনো ধৰণৰ পৰিবৰ্ত্তন নেদেখি প্ৰৱালে গাওঁৰ ওচৰতে নিম্ন বুনিয়াদী বিদ্যালয়খনত চৰকাৰী সাহায্যত নিৰ্মিত শিৱিৰটিলৈ ঢাপলি মেলিলে। শিৱিৰলৈ গৈ থাকোতে বাটতে ভেৰেলীৰ মাকৰ পৰা যিটো কথা শুনিলে সিও এক বৰ্ণনাতীত।



তিনিদিন আগতে শিৱিৰত থকা সকলো ধৰণৰ দৰৱ পাতি শেষ হ'ল। ইতিমধ্যে বিভিন্ন ঠাইত এনেদৰে নিৰ্মিত শিৱিৰলৈ যোগান ধৰোতে হেনো চৰকাৰী ভৰালতো ঔষধৰ মজুত নাইকিয়া হ'ল। সেয়েহে কোম্পানীৰ পৰা পুনৰ চাপ নাই নহালৈ হেনো ঔষধৰ যোগান বন্ধ। নিৰুপায় অৱস্থাত পৰি তাত থকা ডাক্তৰ সকলে তেওঁলোকৰ দুখৰ সমভাগী হৈ সাধাৰণ হিচাবে অন্তত দিহা পৰামৰ্শখিনি আগবঢ়াই আছিল। কিন্তু হঠাৎ সিদিনা কি হ'ল শিবিৰত থকা মুৰব্বী ডাক্তৰ চলিহাই মূৰ বিষোৱা বুলি শুই পৰিল। অলপ সময় পিছতে আৰম্ভ হ'ল শৌচ-বমি। লগত থকা ডাক্তৰ সকলে শুশ্ৰূষাৰ নিমিত্তে নিশা ক'ত কিযে নকৰিলে, কিন্তু কোনো ফল নধৰিলে। পুৱতি নিশাৰ আগে আগে ডাক্তৰ চলিহা সিপুৰী পালেগৈ। ইয়াৰ পিছৰ নিশা শিৱিৰত আৰু কোনো ডাক্তৰকে লগ পোৱা নগল। সকলো সেইদিনাতে পলাই পত্‌ং দিলে। এতিয়া আৰু নিৰাশ্ৰয়া ৰোগীসকলে শিৱিৰত থকাৰ কোনো ফল নেদেখি এটা দুটাকৈ ঘৰা ঘৰি ৰাওনা হবলৈ ধৰিছে। তাকে দেখি ভেবেলীৰ মাকেওঁ হেনো তেওঁৰ একমাত্ৰ পুতেক দিৱাকৰক শিৱিৰৰ পৰা ওভতাই আনিবলৈ কাৰোবাৰ এখন থেলাৰ সন্ধানত বাট বুলিছে।

বুঢ়ীৰ কথা শুনাৰ পিছত প্ৰৱালৰ আৰু আগফালে ভৰি নললিল। ঘৰলৈ উভতি আহি নিশা মাকৰে সৈতে উজাগৰে থাকি দেউতাকক বিভিন্ন ধৰণে শুশ্ৰূষাৰ চেষ্টা চলালে। ইয়াৰ মাজতে মাকে চোতালৰ সন্মুখত থকা তুলসী জোপাৰ ওচৰত ধূপ-ধুনাৰে বন্তি এগছি জ্বলাই জহনী দেবীৰ ওচৰত কাতৰ প্ৰাৰ্থনা জনালে। আই দেৱী তেওঁৰ প্ৰতি সুপ্ৰসন্ন হ'লে এটি ক'লা পথাৰে পূজা আগবঢ়াব বুলিও মানস কৰিলে।

কিন্তু তেওঁৰ প্ৰাৰ্থনাই জানো দেবীক সন্তুষ্ট কৰিব পাৰিলে? নোৱাৰিলে। প্ৰৱালৰ দেউতাকে দ্বিতীয় বাৰলৈ আৰু প্ৰভাতী কিৰণ দেখা নাপালে। ভাগ্যৰ ওপৰতে বিশ্বাস ৰাখি, সকলো ঈশ্বৰৰ ইচ্ছা বুলি ধৰি লৈ দুয়ো মাক পুতেকে সংগ্ৰাম পথৰ যাত্ৰী হৈ ৰ'ল।

সময়ৰ লগে লগে সকলো স্মৃতিত পৰিণত হ'ল। স্মৃতিয়ে সকলোকে তোযা-মোদ কৰি গ'ল। স্মৃতিৰ বেদনা অতি নিৰ্মম। যদিওঁ জীৱন সংগ্ৰামত ব্ৰতী হৈ পৰা প্ৰৱালক স্মৃতিয়ে আমনি কৰিব পৰা নাছিল। সেয়েহে ইয়াৰ পিছত পঢ়াৰ কথাও তেওঁ সমূলি ভৱা নাছিল। ভৱাৰ অৱকাশে নাছিল। যদিও সহপাঠী পিঙ্কী ইতিমধ্যে সময়ৰ বোকোচাত উঠি গৈ স্নাতোকোত্তৰ শ্ৰেণীত অৱতীৰ্ণ হ'লগৈ।

সেইদিনা হঠাতে পিঙ্কীক লগ পাই প্ৰৱালৰ সকলো অতীত স্মৃতি মানস পটত দৃষ্টিপাত হৈ মনটো বিষাদৰ ডাৱৰে আৱৰি ধৰিলে।

হেন সময়তে এহাতত একাপ চাহ আৰু আনখন হাতত দিনতে বনাই থোৱা এটি টেকেলী মুখীয়া পিঠা লৈ পিঙ্কী কোঠাটোলৈ সোমাই আহিল।

প্ৰৱালে মনৰ ভাৱ লুকাই সহজ হবৰ চেষ্টা চলালে।

চাহ কাপ টেবুলত থৈ সাধাৰণ হিচাপে দুই একাষাৰ কথা কৈ, কথাৰ মাজতে তেওঁক চাহকাপ খাবলৈ কৈ পিঙ্কী পুনৰ ভিতৰ সোমাই গ'ল।

চেক বুজি প্ৰৱালে পিঠাটো কোচত ভৰাই ললে। আৰু চাহ কাপ ওপৰা-ওপৰি কৈ দুধোক মান খাই পুনৰ টেবুলত থৈ দিলে।

ইতিমধ্যে বাহিৰত বৰষুণ পাতলিছে। পুনৰ পিঙ্কী কোঠাটোলৈ সোমাই অহাত প্ৰৱালে অকণো সময় নষ্ট নকৰি তাইক মাত লগাই ঘৰমুৱা হ'ল।

বিষাদৰ মাজটো 'কোচৰ' পিঠাটিলৈ লক্ষ্য কৰি প্ৰৱালৰ মনত কিঞ্চিৎ আনন্দৰ জোৱাৰ সৃষ্টি হ'ল।

কোনে জানে, কাৰ মন, এটি জকৰা পিঠাৰ মূল্য কিমান?

প্ৰবন্ধ

# বিশ্ব সাহিত্যৰ ইংৰাজী আৰু আৰবী কবিতাত ৰোমাণ্টিছিজ্‌ম

(এটি চমু পৰ্য্যালোচনা)




হাফিজুৰ ৰহমান এম, এ, বি, এড।
প্ৰবক্তা, আৰবী বিভাগ


ইংৰাজী Romance শব্দটোৰ পৰাই Romanticism শব্দটি নিষ্পন্ন হৈছে। ইয়াৰ পৰিভাষা ৰূপে অসমীয়াত ৰমণ্যাস বাদ শব্দটি পাওঁ। ৰমণ্যাস বাদৰ এক সন্তোষজনক সংজ্ঞা দিয়াটো বৰ টান। পেটাৰৰ মতে, ৰমণ্যাস বাদ হ'ল, "সৌন্দৰ্য্যৰ লগত অপৰিচিতৰ সংযোজন।

অনুভূতিৰ অস্পষ্টতা, বাস্তৱৰ প্ৰতি উদাসীন্য আৰু কল্পনাৰ অবাধ অভিব্যক্তি ইত্যাদিয়েই হ'ল ৰমণ্যাসবাদৰ প্ৰধান লক্ষণ। ৰমণ্যাসিক কাব্যৰ ঘাই গুণ দুটা সুন্দৰৰ প্ৰতি গভীৰ অনুৰাগ আৰু জীৱন ৰহস্যৰ ওৰনি দাঙি চোৱাৰ হেঁপাহ। প্ৰত্যেকজন সাহিত্যিকেই ভিন ভিন কাৰণত ৰমণ্যাসিক। এজন সমালোচকে ধেমেলীয়া ভাষাত এইদৰে বৰ্ণনা কৰিছে "কোনোবা এগৰাকী এই কাৰণেই ৰমণ্যাসিক যে তেওঁ প্ৰেমত পৰে; আন এগৰাকী এই কাৰণেই ৰমাণ্যাসিক যে তেওঁ ভূত দেখা পায়; আকৌ আন এগৰাকী এই কাৰণেই ৰমাণ্যাসিক যে তেওঁ কুলি চৰাইৰ গান কাণ পাতি শুনে; শেষত এজনে গীৰ্জাত মমবাতি দিয়াৰ বাবেও ৰমণ্যাসিক নাম পালে।

ইংৰাজী সাহিত্যত ৰোমাণ্টিক কবি সকলৰ ভিতৰত আটাইতকৈ কল্পনা প্ৰৱন কবি হিচাপে কীট্‌চ্‌ স্বীকৃত। জীৱনত কীটচে বহু সংঘাতৰ সন্মুখীন হব লগা হৈছিল। কীটচৰ জীৱনলৈ সুন্দৰী ফানি ব্ৰনৰ আবিৰ্ভাব এক উল্লেখযোগ্য ঘটনা। এই সুন্দৰীৰ প্ৰাণ চঞ্চলতাই কীট্‌চক মুগ্ধ কৰিলে। ফানি তেওঁৰ বাগদত্তা হ'ল, কিন্তু দাৰিদ্ৰ আৰু তেওঁৰ অসুস্থ শৰীৰ কীট্‌চ আৰু ফানিৰ মিলনৰ পথতে যেন হেঙাৰ হৈ থিয় দিলে। অসুস্থতাৰ শেষ পৰিণতি ৰূপে এদিন আঁতৰি গ'ল চিৰদিনৰ বাবে চকুপানীৰে জীৱনৰ বাটত খোজ কঢ়া এই কবিৰ কাব্যৰ মাজত বিয়পি পৰিছে সুন্দৰ আৰু আনন্দৰ অপূৰ্ব্ব লীলা। তেওঁ যেন আজীৱন সত্য আৰু সৌন্দৰ্য্যৰ পূজাৰী। সেয়ে Ode on a Grecian urn ত কবিয়ে গাইছে 'সৌন্দৰ্য্যই সত্য, সত্যই সৌন্দৰ্য্য'। কবিয়ে আনন্দ বিষাদ সকলোৰে মাজতো সৌন্দৰ্য্যৰ সফুৰ্ত্তা দেখিছে। আকৌ আনন্দৰ মাজতো অব-



প্ৰবন্ধ

প্ৰবন্ধ

প্ৰবন্ধ



প্ৰবন্ধ

প্ৰবন্ধ

# প্ৰবন্ধ

"আধুনিক সাহিত্যত প্ৰবন্ধৰ স্থানবিশিষ্ট আৰু উল্লেখযোগ্য। সংবাদ-সাহিত্যৰ প্ৰাচুৰ্য্যই প্ৰবন্ধ সৃষ্টিত বিশেষ সাহায্য কৰিছে। প্ৰবন্ধৰ ৰূপৰেখা অনিৰ্দ্দিষ্ট।"

প্ৰবন্ধ

প্ৰবন্ধ

প্ৰবন্ধ

লোকন ক'ৰিছে দুখৰ করুণ চিত্ৰ। সেয়ে নাইটিংগেল চৰাইৰ গান শুনি শুনি কীট্‌চৰ মন বিষাদেৰে ভৰি পৰে।

সৌন্দৰ্য্য আৰু আনন্দৰ জয় গানেৰে আৰম্ভ হৈছিল তেওঁৰ প্ৰথম কাব্য Edymion.। সুন্দৰৰ মন্ত্ৰ ধ্বনিত হৈছে আৰম্ভণিতে। A thing of benty is a joy for ever. গ্ৰীক কাহিনীত এণ্ডীমীন অপূৰ্ব্ব যুৱক। ল্যাটমাচ পাহাৰত তেওঁ শুই আছিল। দেৱী চেলিনা ৰূপ মুগ্ধ হৈ তেওঁৰ কাষ চাপিল। নিজকে তেওঁ বিলীন কৰি দিলে এণ্ডীমীয়নৰ বাহুৰ মাজত। পৰাভূত দেৱতা চাটানৰ নৈৰাশ্য আৰু বিষাদেৰে ৰচিত হৈছে Hypesion কাব্য। Lamia এজনী ৰূপহী মায়াবিনীৰ গল্প। তাইৰ মায়া বুজিব নোৱাৰি তাইৰ ৰূপ-মুগ্ধ হয় লিচিয়াচ। কিন্তু মিলন উৎসৱত লামিয়া অদৃশ্য হৈ গ'ল আৰু মৰ্ম্মাহত লিচিয়াচৰ সু-সজ্জিত দেহ পৰি ৰ'ল অসাৰ হৈ। Isabella or the pot of Basil কাব্যত ইছাবেলা আৰু লৰেঞ্জোৰ প্ৰেমৰ মাজত বিচ্ছেদ ঘটাইছে ইছাবেলাৰ ভায়েকে। প্ৰিয়তমৰ ছিন্ন শিৰ ইছাবেলাই সংগ্ৰহ কৰি টাবত থৈ তাত ৰুলে ব্ৰাজিলৰ এক সুগন্ধলতা। সেই টাবটোও ভায়েকে চুৰ কৰি নিলে। প্ৰিয়তমৰ শেষ স্মৃতিটো হেৰুৱাই ইছাবেলাই তিলে তিলে মৃত্যু বৰণ কৰিলে 'La Belle Dame Sans Merci' নামৰ কবিতাটিত এক ৰোমাণ্টিক প্ৰেমৰ কাহিনী সাৰ পাই উঠিছে। সুন্দৰী এজনী অপ্সৰাৰ প্ৰেমত মুগ্ধ এক সৈনিক। দিনৰ পিচত দিন অপেক্ষা কৰিছে সেই সুন্দৰীক। সৈনিকৰ মুখ শুকাই গ'ল, চকু কোটৰগত হ'ল। তথাপি উভতি নাহিল সেই অপ্সৰা।

কীট্‌চৰ Ode বা প্ৰশস্তিমূলক কবিতা সমূহ ইংৰাজী সাহিত্যৰ অমূল্য সম্পদ। Ode to the Nightingale কবিতাটিত কবিৰ মনলৈ সৌন্দৰ্য্যলোকৰ সপোন কঢ়িয়াই লৈ আহিছে নাইটিংগেলৰ গানে। জীৱনৰ অসাৰতাৰ পৰা মুক্তি বিচাৰি তেৰো উৰি

> "বহুতো শিক্ষা-দীক্ষা থকা নাৰীয়ে নিজৰ যোগ্যতা দেখুৱাবলৈ গৈ অত্যাধুনীক ফেচনেৰে সাজি কাচি নিজৰ প্ৰকৃত সত্ত্বাটোক কুৎসিত কৰিছে, যাৰ ফলত সেইসকল নাৰী সমালোচনাৰ পাত্ৰ হৈ পৰে।"

যাব খুজিছে চৰাইৰ গানে গানে।

Fadefar away disolve and quite forget···· ···· ··· ···· ····

or new love pine at them beyond tomorrow.

ইংৰাজী সাহিত্য জগতৰ আন এজন ৰোমাণ্টিক কবি আছিল পাচি বিছি শেলী। তেওঁ আছিল সম্ভাৱনাৰ বুকুত থকা সপোনৰ কবি। তেওঁৰ সেই সপোনৰ উপকৰণ যোগাইছিল মাটিৰ ধুলিৰ পৰশ নলগা কিছুমান বিমূৰ্ত্ত ধাৰণাই। নাইটিংগেল চৰাইৰ দৰে কবিয়ে শব্দৰ মাধুৰীৰে, গোলাপ ফুলে নীৰবে নিৰ্য্যাস এৰাৰ দৰে আপোন মনে কবিতা

ৰচনা কৰি গৈছিল । কবিয়ে To a skylark" ৰ উদ্দেশ্য কৰি কোৱা কথাখিনি কবিৰ ক্ষেত্ৰত প্ৰয়োগ কৰি কব পাৰি ।

Hail to the blith spirit.
Bird thou never wert
That from heaven, or near it.
Pourest thy heart
In profuse strains of unpremedi-
ted art.

কবিয়ে কেতিয়াবা সূৰ্য্যৰ আলোকত স্কাইলাৰ্ক হৈ গান গাই ফুৰিছে আৰু কেতিয়াবা নিঃসঙ্গ নাইটিংগেল হৈ সুৰধ্বনি তুলিছে। এন্ধাৰৰ বৃত্তত। সৰুকালৰ পৰাই কবি অতিশয় কল্পনা প্ৰৱন আছিল। পথে পথে যাওঁতেওঁ ভাবি গৈছিল ভূত আৰু পৰীবোৰৰ কথা। কিন্তু কল্পনা প্ৰৱণ হোৱা সত্বেও তেওঁ আছিল 'বাস্তৱ জীৱনত অতিশয় সাহসী' বৈবাহিক জীৱনতো শ্যেলীয়ে আউল লগাইছিল।

শেলীয়ে কেইবাটাও কালজয়ী গীতি কবিতা ৰচনা কৰিছে। সেইবোৰ হ'ল— Ozymandias lines written among the Euganean Hills, Stanzas written in Dejection Near Naples, Ode to the west, wind, The Sensitive plant, The Cloud, Ode to a Skylark, To night, O world, O life, O time, when the lamp is shattered, The Indian Serenade, Music, When Soft Voices Die, One world is too oftin profaned, The Triumph of Time ইত্যাদি ।

গীতি কবি হিচাপে কবিৰ দক্ষতা চমক লগা। আবেগৰ তীব্ৰতা, কল্পনা, ঐশ্বৰ্য্যৰ বৰ্ণনাৰ চমৎকাৰিতা এই কবিতা সমূহক অনুপম কৰি তুলিছে। এই কবিতা সমূহত প্ৰকৃতিৰ মনোৰম সৌন্দৰ্য্য, সুৰধ্বনি প্ৰকাশ পোৱাৰ লগতে প্ৰকাশি উঠিছে নৱ জীৱনৰ ৰোমাণ্টিক স্বপ্ন। এই ক্ষেত্ৰত Ode to the west wind নামৰ গীতি কবিতাটি উল্লেখযোগ্য। কবিতাত বাহিৰৰ প্ৰবল বতাহ আৰু কবি হৃদয়ৰ তুফান যেন একাকাৰ হৈ গৈছে। পশ্চিমৰ বতাহক তেওঁ দীপ্ত কণ্ঠেৰে আহবান জনাইছে। জীৱনৰ কাঁইটৰ আচোৰত ৰক্তাক্ত হৈছে। তেৰোঁ পশ্চিমৰ বতাহৰ দৰে মুক্ত, ক্ষিপ্ৰ আৰু মদোমত্ত আছিল কিন্তু এতিয়া তেওঁ জীৱনৰ দুখ যাতনাৰে ভাৰাক্ৰান্ত আৰু সময়ৰ বন্ধনেৰে শৃঙ্খলিত।

A heavy weight of hours has chained and bowed
One too like thee tameless, and swift and pround.

কিন্তু তেওঁ আশা কৰিছে এই পুৰণি পৃথিৱী শেষ হৈ বসন্তৰ লগে লগে এক নতুন সময় আহিব যিয়ে আনিব নিপীড়িত মানৱতাৰ বাবে মুক্তিৰ বাৰ্তা। আশাবাদী কবিয়ে পশ্চিমীয়া পছোৱা জাকক সমাধান কৰি সুধিছে।

If winter Comes can spring
be far behind.

ইংৰাজী সাহিত্যৰ ৰোমাণ্টিক ধাৰাৰ কবিতাই আন এজন বিশিষ্ট কবি ৱৰ্ডচৱৰ্থৰ হাতত পৰিপূৰ্ণতা লাভ কৰা বুলি কব পাৰি। ৱৰ্ডচৱৰ্থ মুখ্যতঃ প্ৰকৃতিৰ কবি। প্ৰকৃতিৰ



মাজতে তেওঁ শান্তি সৌন্দৰ্য্য আৰু ঐশীশক্তিৰ বিকাশ লক্ষ্য কৰিছিল। প্ৰকৃতিৰ ৰূপ ৰস গন্ধ শব্দই তেওঁৰ অনুভূতিক তীক্ষ্ণ ভাবে স্পৰ্শ কৰি গৈছে। ফুলৰ গোন্ধ, মেঘৰ খেলা, পাহাৰৰ ৰূপ, জুৰিৰ শব্দ, চৰাইৰ গান সকলোৱে ইন্দ্ৰিয় গোচৰ হৈ উঠিছে তেওঁৰ কবিতাত। এই সকলো সৌন্দৰ্য্যৰ মাজত আধ্যাত্মিক মহিমা যেন তেওঁ প্ৰত্যক্ষ কৰিছে। প্ৰকৃতিৰ কবি হিচাবে ৱৰ্ডচৱৰ্থৰ আটাইতকৈ উল্লেখযোগ্য বৈশিষ্ট হৈছে প্ৰকৃতিৰ প্ৰতি তেওঁৰ দৃষ্টিভংগীৰ অভিনৱত্ব। তেওঁৰ দৃষ্টিত প্ৰকৃতি কেৱল মাত্ৰ ৰঙৰ পোহৰ আৰু গোন্ধৰ সংমিশ্ৰণ নহয়; প্ৰকৃতি প্ৰাণৰ স্পন্দনেৰে স্পন্দিত এক আশীৰ্বাদ।

ৱৰ্ডচৱৰ্থৰ প্ৰথম পৰিচয় যদিও প্ৰকৃতিৰ কবি হিচাপেই তথাপি তেওঁ নিজকে মানুহৰ কবি বুলিয়েই পৰিচয় দিবলৈ বেচি ভাল পাইছিল। The Prelude ত তেওঁ এই কথাষাৰ যথেষ্ট অহংকাৰেৰে ঘোষণা কৰিছে।

My theme, No other them the very heart of man.

ৱৰ্ডচৱৰ্থৰ কবিতা এহাতে যেনেকৈ প্ৰকৃতিৰ চূড়ান্ত জয় গীতিকা, আনহাতে তেনেকৈ জীৱনৰ ৰহস্য সন্ধানৰো অমিয় সমিধান। এই দৰেই তেওঁৰ কাব্য দৃষ্টিত ঈশ্বৰ, মানুহ আৰু প্ৰকৃতি অথবা কব পাৰি- সত্য শিৱ আৰু সুন্দৰ- একেটি স্বৰূপ হৈ ধৰা দি গৈছে। পৃথিৱীৰ কোনো দাৰ্শনিকেই সেই স্বৰূপক ইমান মৰ্মস্পৰ্শী ভাষাত বন্দী কৰি দেখুৱাব পৰা নাই যেনে-

To me the nearest flower that blows
can give Thoughts that do often lie
to deep forters.

ৱৰ্ডচৱৰ্থৰ মতে প্ৰকৃতিয়েই মানৱ জাতিৰ শ্ৰেষ্ঠ শিক্ষক-

"One impulse from the vernal would can teach man more than thousand sages."

আৰবী সাহিত্য জগতত লেবাননৰ প্ৰসিদ্ধ কবি খলীল মুতৰাণে আধুনিক কবিতা ৰচনাৰ মাধ্যমেৰে ৰোমাণ্টিছিজমৰ সোঁত বোৱালে। এইজনা কবিক 'The poet of two regions—Syria and Egypt' বুলি কোৱা হয়। তেওঁ ইউৰোপীয় সাহিত্য বিশেষকৈ ইংৰাজী আৰু ফৰাচী সাহিত্যৰ পৰা প্ৰভাৱান্বিত হৈ কাব্য ৰচনা আৰম্ভ কৰিছিল। Hikayat Ashiqan (দুজন প্ৰেমিক প্ৰেমিকাৰ কাহিনী) নামৰ কবিতাটিত কবিয়ে যৌৱনৰ সোনালী দিনবোৰত কোনোবা এগৰাকী ধুনীয়া গাভৰুৰ প্ৰেমত পৰাৰ ঘটনা বৰ সুন্দৰভাবে চিত্ৰায়িত কৰিছে। এদিন কবিয়ে গাভৰুজনীক অকাস্মাতে এখন উদ্যানত লগ পায়। ভৰ যৌৱনৰ সুদৰ্শনা এই গাভৰুজনীক প্ৰথম দৃষ্টিতেই ভাল পাই পেলাইছিল কবি খলীল মুতৰাণে। কিন্তু মনে বিচৰা ঘাটত কেইজনে পানী খাব পাৰে? নিয়তিৰ নিষ্ঠুৰ বিধানে কবিৰ পৰা আতৰাই নিলে প্ৰেমিকাক বহু দূৰলৈ চিৰ'দিনৰ বাবে। কবিয়ে ফল স্বৰূপে চিৰকুমাৰ হৈ জীৱন পাৰ কৰিলে। এই চিৰ বিচ্ছেদত কবি হৃদয় বৰ ক্ষত-বিক্ষত হৈছিল। তাৰ প্ৰতিফলন কবিয়ে ঘটাইছিল তেওঁৰ প্ৰেমিকাৰ

প্ৰথম মৃত্যু বাৰ্ষিকী উপলক্ষে স্মৰণিকা ৰূপে ৰচনা কৰা Wardah Matat (মৰহি যোৱা গোলাপ ফুল পাহ) নামৰ কবিতাটিৰ জৰিয়তে। কবিয়ে Tasji Janazatain (এহাল প্ৰেমিক প্ৰেমিকাৰ মৃত্যু) নামৰ কবিতাটিত এহাল প্ৰেমিক প্ৰেমিকাই প্ৰেমৰ ব্যৰ্থতাত হতাশাত আত্মহত্যাৰ করুণ অথচ ৰসাল চিত্ৰ দাঙি ধৰিছে। কবিয়ে Al-Masa (সন্ধিয়া) নামৰ কবিতাটিত মানুহৰ মন আৰু প্ৰকৃতিৰ ব্যহ্যিক ৰূপৰ এক আধ্যাত্মিক বন্ধনৰ প্ৰচেষ্টাৰে ৰোমাণ্টিছিজমৰ নতুন দিশ উন্মোচন কৰে। কবিয়ে সাগৰৰ উপকূলত ঠিয় দি সূৰ্য্যাস্তৰ অনুপম দৃশ্য উপভোগ কৰি থকা অৱস্থাতে লক্ষ্য কৰিলে যে বিশাল সাগৰৰ উত্তাল ঢৌবোৰে উপকুলৰ শিলত ঠেকেচা খাই বিৰাট খলকনিৰ সৃষ্টি কৰিছে। কবিয়ে অনুভৱ কৰিলে যে অশান্ত সাগৰখন তেওঁৰ হৃদয় সদৃস। ঢৌবোৰ যেন তেওঁৰ জীৱনৰ আশা আকাঙ্খা; বাতুল তৰঙ্গই ঠেকা খাই বিলীন হোৱাৰ দৰে কবিৰ জীৱনৰ সকলোবোৰ আশা আকাঙ্খা যেন চূড়মাৰ হৈ গ'ল। এনেদৰে কবিয়ে বিভিন্ন কবিতাত ৰোমাণ্টিছিজমৰ পৰশ বুলাই আৰবী সাহিত্যক অইন ইউৰোপীয় সাহিত্যৰ লগত ফেৰ মাৰিব পৰা কৰি থৈ গ'ল।

আব্বাছ মাহমুদ আল আক্কাদ 'Chief guiding light of the Dewan movement' বুলি জনাজাত। তেওঁ আৰবী সাহিত্যত Romanticism ৰ ভাবধাৰাৰ পয়োভৰ ঘটালে। তেওঁ আচৱানৰ বাসিন্দা আছিল। তাত তেওঁ প্ৰকৃতি, ইয়াৰ চৰাই চিৰিকতি, মৌমাখি আৰু বিশেষকৈ নীল নদীৰ সৌন্দৰ্য্যত বিমুগ্ধ হৈ কবিতা লিখি ধৰিলে। আল আক্কাদৰ আল মাজনী লগত বন্ধুত্বই words worth আৰু coleridge ৰ কথা মনত পেলায়। তেওঁলোকে একেলগে হ্ৰদৰ (Lakepoet) কবি ৰূপে বা কৰিছিল আৰু ইয়াৰ প্ৰভাৱত কবিতা বিষয় বস্তুৰ পৰিবৰ্ত্তন সাধন কৰিছিল ইংৰাজ কবি words worth, Coleridge Byron, keats আৰু shelley আদি কবি সকলৰ প্ৰভাৱ তেওঁৰ ওপৰত পৰাৰ ফল কবিতাবোৰে নতুন সাজ-পাৰ পিন্ধি আমা আগত দেখা দিছে। আল আক্কাদে তেওঁ মানস পুত্ৰ প্ৰকৃতিৰ সহায়ত কল্পনা জগতলৈ উৰা মাৰে।

কবি আলআক্কাদে কিছুমান প্ৰেম মূলক কবিতাও লিখিছিল। wada (বিদায়) নামৰ কবিতাটি প্ৰেমৰ এক জ্বলন্ত স্বাক্ষৰ। 'The birth of Love and Death of love' নামৰ কবিতাটিত প্ৰেমৰ জন্ম আৰু ইয়াৰ মৃত্যুৰ এক চমৎকাৰ তুলনা দাঙি ধৰিছে। তেওঁৰ প্ৰেমমূলক কবিতাবোৰত জ্ঞান বা বুদ্ধিৰ শূণ্যতা পৰিলক্ষিত নহয়।
যেনে—তুমি মোৰ লগত মিছা মাতা (প্ৰতাৰণা কৰা) এবাৰ অথবা মোৰ লগত মিছা কোৱা কেতিয়াবা হবাৰ মিছা অপবাদ জাপি দিয়া আৰু বাৰে বাৰে মিছা কোৱাত
তোমাৰ ব্যৱহাৰত আঁচৰিত হওঁ (সহস্ৰবাৰ)

ইয়াৰ বাহিৰেও আন কেইবা গৰাকী কবিয়ে তেওঁলোকৰ কবিতা সমূহ ৰোমাণ্টিছিজমৰ ঢলেৰে প্লাবিত কৰিছে। ক্ষুদ্ৰ পৰিসৰৰ এই পৰ্য্যালোচনাত সেইবোৰৰ বৰ্ণনা দিয়া নহ'ল।

পৰিশেষত ইয়াকে কব পাৰি যে আৰবী সাহিত্য জগতখন আনি ভবাতকৈ বহু আগবাঢ়ি গৈছে। আৰবী সাহিত্যই ১৪০ বছৰ পূৰ্ব্বেই বিশ্বৰ দৰবাৰত শীৰ্ষ স্থান লাভ কৰিছিল অথচ অপ্ৰিয় হলেও কব লাগিব যে বৰ্ত্তমানৰ উন্নত সাহিত্যৰাজিৰ বেছি-ভাগেই সেই সময়ত পানী কেঁচুৱা অৱস্থাত আছিল।


গ্ৰন্থসূচী—

১। ৰমন্যাসবাদ মহেন্দ্ৰ বৰা
২। বিশ্ব সাহিত্যৰ জিলিঙনি—ডঃ পঃ কঃ ভট্টাচাৰ্য্য
৩। Modern Arabie Literature Ismat Mahdi


"উচ্চ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণীত জীৱন ব্যাপী সাধনা নহলে ওখ খাপৰ সাহিত্যৰ সৃষ্টি হোৱা টান। আমাৰ মাজত ব্যক্তিগত সাধনাৰ অভাৱ অকল সাহিত্যতে নহয় জীৱনৰ সকলো ক্ষেত্ৰতে দেখা যায়। সাহিত্যৰ ক্ষেত্ৰত ইয়াৰ ফল অতি শোচনীয় হৈছে।"

—কৃষ্ণকান্ত সন্দিকৈ।





# নাৰী স্বাধীনতা এক পর্যালোচনা


শ্ৰীনমিলা শর্মা
স্নাতক ৩য় বর্ষ (কলা)


পুৰুষ আৰু নাৰী উভয়কে লৈ আমাৰ সমাজখন গঠিত। নাৰী আৰু পুৰুষৰ সমূহীয়া প্ৰচেষ্টাই মানৱ সমাজৰ উন্নতি সাধন কৰিব পাৰে। বৰ্ত্তমান সময়ত পুৰুষতকৈও নাৰী বিলাকে বহুত জঞ্জাল সহ্য কৰিবলগীয়া হৈছে। যিহেতুকে নাৰীসকল সমাজ তথা দেশৰ এক গুৰুত্বপূৰ্ণ অংগস্বৰূপ, গতিকে নাৰীসকলৰ সমস্যাবোৰ আওকাণ কৰি থাকিলে সমাজৰ উন্নতি সম্ভৱ হব নোৱাৰে। সমাজৰ উন্নতিৰ হকে কোনো আন্দোলন গঢ়ি তুলিবলৈ হ'লে নাৰীসকলৰ অংশ গ্ৰহণ নোহোৱাকৈ সফল হব নোৱাৰে।

সমাজৰ একশ্ৰেণীৰ মানুহে নাৰীসকলৰ প্ৰতি কৰি অহা দুৰ্ব্যৱহাৰ বহুদিনীয়া, বাটে পথে উশৃংখল যুৱকসকলে ছোৱালী বা নাৰীসকলক অভদ্ৰ আচৰণ কৰাটো বৰ্ত্তমান এক বৃহৎ সামাজিক সমস্যাত পৰিণত হৈছে। পুৰুষ প্ৰধান সমাজত কোনো কোনো ক্ষেত্ৰত নাৰীসকল লাঞ্ছিতা-শোষিতা হৈ আহিছে। নাৰীসকলক এই বিপৰ্য্যয়ৰ পৰা উদ্ধাৰ কৰিবলৈ হ'লে আন্দোলনৰ প্ৰয়োজন। সামাজিক সমস্যাবোৰ বিশেষকৈ নাৰীৰ স্বাধীনতা ক্ষুন্ন হোৱাৰ মূল্য কাৰণ চিনাক্ত কৰি, জনসাধাৰণৰ ঐকান্তিক সহযোগিতাৰ যোগেদি সেইবোৰ নিৰ্মূল কৰিব লাগিব। ইয়াৰ বাবে পুৰুষ আৰু নাৰি উভয়েই একগোট হৈ আলোচনাৰ মাধ্যমেদি; বিভিন্ন সংগঠন সৃষ্টি কৰি এই বিলাকৰ যোগেদি নাৰী আৰু পুৰুষৰ ন্যায্যপ্ৰাপ্য আদায় কৰিব লাগিব।

পুৰুষতকৈ নাৰী শক্তি, সামৰ্থ্যৰ ফালৰ পৰা কোনো গুণেই কম নহয়। গতিকে নাৰী সমাজ পিছ পৰি থকাটো যুক্তিসংগত নহয়। নাৰী সকলক আৰু অধিক মৰ্য্যাদা প্ৰদানৰ বাবে বা নাৰীজাতিক অধিক উন্নত কৰাৰ বাবে অৰ্থনৈতিক ভঁৰাল টনকিয়াল কৰিব লাগিব। যিহেতু আৰ্থিক ক্ষেত্ৰত চহকী হ'লেহে অন্য দিশতো চহকী হব পৰা যায়। মুঠতে শিক্ষা-দীক্ষা, সামাজিক, ৰাজনৈতিক আদি দিশত আগবঢ়াই নিবলৈ হলে আমি প্ৰথমেই অৰ্থনৈতিক দিশটো চাব লাগিব। যিহেতুকে সকলো পৰিকল্পনাৰ মূল ভেটি হৈছে আৰ্থিক স্বচ্ছলতা।

ভাৰতৰ সংবিধানত গণতন্ত্ৰ আৰু ধৰ্মনিৰপেক্ষতাৰ কথা থাকিলেও জাতি ধৰ্ম-নিৰ্বিশেষে সকলোৱে আইনগত সুযোগ-সুবিধা



পোৱা নাই। হিন্দু-মুছলমান, খ্ৰীষ্টান, শিখ, বৌদ্ধ, জৈন আদি ধৰ্মাৱলম্বীলোকৰ তিৰোতা বিলাকৰ বিবাহ, বিবাহ-বিচ্ছেদ, সম্পত্তিৰ উত্তৰাধিকাৰ, সন্তানৰ ওপৰত অধিকাৰ আদিৰ ক্ষেত্ৰত যাতে সমান অধিকাৰ ভোগ কৰিব পাৰে তাৰ বাবে সংবিধানত আইন প্ৰণয়ণৰ আৱশ্যক। অৰ্থাৎ বৰ্ণ বা জাতি নিৰ্বিশেষে সকলোৰে বাবে আইনগত অধিকাৰ থকা আৱশ্যক। সেই বাবেই সকলো স্তৰৰ নাৰী সমাজৰ বিশেষকৈ সংখ্যালঘু আৰু অনুন্নত সম্প্ৰদায়ৰ তিৰোতাসকল সংঘটিত হব লাগিব।

নাৰী আৰু পুৰুষ উভয়েই যিহেতু এক বৃহৎ জনশক্তি, এই শক্তিৰ দ্বাৰাই নাৰী পুৰুষৰ মৰ্য্যদা ৰক্ষা কৰাকে ধৰি নাৰী নিৰ্য্যাতন আৰু নিপীড়ণৰ বিৰুদ্ধে জনমত গঢ়িতোলাৰ বাবে আন্দোলন সংঘটিত হব লাগিব। বিশেষকৈ অশ্লীল, শিল্প, সাহিত্য, বাতৰি কাকতৰ বিজ্ঞাপন, চিনেমা, টি-ভি, প্ৰভৃতি প্ৰচাৰবিধি সমূহত যি ভাৱে নাৰীসকলক অৱমাণনা কৰা হৈছে তাৰ বিৰুদ্ধে প্ৰতিবাদ কৰাৰ আৱশ্যক হৈ পৰিছে। দূৰদৰ্শন, ৰেডিঅ' আদিৰ যোগেদি যিবিলাক বিজ্ঞাপন প্ৰচাৰ কৰা হয় তাৰ দ্বাৰা মাত্ৰ নাৰী জাতিকহে হেয় কৰা বুলি প্ৰতিপন্ন হৈছে। ইয়াৰ দ্বাৰা নাৰীসকলক অপমান কৰা হৈছে। আকৌ দুখীয়া, অসহায়, অনাৰ্থ, শিশু মাতৃসকল তথা মহিলাসকলক ৰিলিফ, বাসস্থান, কৰ্মসংস্থান, আশ্ৰয়ৰ ব্যৱস্থা প্ৰভৃতি সমাজ কল্যানমূলক কাম কৰাৰ বাবে আজি পুৰুষ আৰু নাৰী উভয়ে আন্দোলন কৰিব লগা হৈছে। মুঠতে জীৱনৰ প্ৰতিটো স্তৰতে নিজৰ প্ৰাপ্যখিনি আদায় কৰাৰ কাৰণে সংগ্ৰামৰ প্ৰয়োজন আহি পৰিছে। ইয়াৰ বাবে আৱশ্যক হব জনসাধাৰণৰ সহযোগিতা তথা শকত মুলধনৰ। এনেকুৱা প্ৰচেষ্টাৰ যোগেদিহে নাৰী স্বাধীনতাক লৈ কৰা আন্দোলন সফল হব পাৰে।

আনফালে কিছু ক্ষেত্ৰত দেখা যায় যে বহুতো শিক্ষা-দিক্ষা থকা নাৰীয়ে নিজৰ যোগ্যতা দেখুৱাবলৈ গৈ অত্যাধুনিক ফেচনেৰে সাজি-কাচি নিজৰ প্ৰকৃত সত্বাটোক কুৎসিত কৰিছে মাত্ৰ, যাৰ ফলত-সেইসকল নাৰী সমালোচনাৰ পাত্ৰ হৈ পৰিছে। আকৌ

> বহুতো নাৰীয়ে নিজৰ আদৰ্শক জলাঞ্জলি দি ব্যক্তিত্বক বিসৰ্জন দি নাৰী স্বাধীনতাৰ অপব্যৱহাৰ কৰিছে। এয়ে জানো নাৰীসকলৰ কাৰণে চৰম অপমান নহয়?

বহুতো নাৰীয়ে নিজৰ আদৰ্শ জলাঞ্জলি দি ব্যক্তিত্বক বিসৰ্জন দি নাৰী স্বাধীনতাৰ অপব্যৱহাৰ কৰিছে। এয়া জানো নাৰীসকলৰ কাৰণে চৰম অপমান নহয়? নাৰীসকলক উপযুক্ত মৰ্যাদা দিয়া, অধিকাৰ দিয়াৰ ক্ষেত্ৰত এনে ধৰণৰ কাৰ্য্যৰ দ্বাৰা সম্ভৱ নহয়। নাৰী আৰু পুৰুষ উভয়ে যিহেতুকে এইবিধ সামাজিক সমস্যাৰ সন্মুখীন হৈছে, এই সমস্যা সমাধান কৰাৰ বাবে সমগ্ৰ বিশ্বযুৰি বিপ্লৱ কৰিব লাগিব। যি বিপ্লৱে নাৰী-পুৰুষ উভয়ৰেই কৰ্মৰাজিক সোঁৱৰাই দি শুদ্ধ চিন্তা চৰ্চাৰে সমাজৰ পৰিবৰ্ত্তন আনিব পাৰে। সমাজৰ

যিটো চামে নাৰীক সদায় পুৰুষৰ পদতলত ৰাখিব বিচাৰে, যিসকলে কৌশলেৰে নাৰীসকলক শোষণ কৰি নিজে শীৰ্ষস্থানীয় ৰূপত শ্ৰেষ্ঠ আসন দাবী কৰিব খোজে সেইসকলক দমন কৰাৰ বাবে উপযুক্ত ব্যৱস্থা লব লাগিব। প্ৰয়োজন হলে আইনৰো সহায় লব লাগিব। আকৌ কিছুমান মুখাপিন্ধা ভদ্ৰলোক আছে যিসকলে নাৰী নিৰ্যাতন, আদিৰ দৰে অপৰাধ মূলক কাৰ্যত লিপ্ত থাকিও সমাজত বৰ বৰ ভাষণেৰে সংসাহসী, ভদ্ৰলোক বুলি প্ৰতিষ্ঠিত হৈছে। এই বিলাকৰ প্ৰভাৱত পৰি নাৰীসকল যুগে যুগে অধঃপতনে গৈ আছে। শ্ৰেণীবিভক্ত সমাজতান্ত্ৰিক, ধনতান্ত্ৰিক, সমাজ ব্যৱস্থাৰ সৰ্বস্তৰতে নাৰীবিলাক পুৰুষৰ তুলনাত হেয় আৰু পৰাধীন অৱস্থাত থাকিব লগীয়া হৈছে। সমাজত ব্যক্তিগত সম্পত্তিৰ উদ্ভৱৰ পৰাহে নাৰীসকলক সামাজিক উৎপাদনশীল কামৰ পৰা একৰাই আনি পুৰুষৰ অধীনলৈ থেলি দিছে। মুঠতে শ্ৰেণীবিভক্ত সমাজৰ বিভিন্ন স্তৰত দাস সমাজ, সমন্ত-তান্ত্ৰিক সমাজ আৰু ধনতান্ত্ৰিক সমাজ ব্যৱস্থাত নাৰীসকল বিভিন্ন ধৰণে শোষণৰ বলী হবলগীয়া হৈছে।

এনেকুৱা ভয়াবহ পৰিস্থিতিৰ পৰা নাৰীসমাজক উদ্ধাৰ কৰিবলৈ হ'লে গণ আন্দোলনৰ জৰিয়তে সমাজৰ অমূল পৰিৱৰ্তন ঘটাই এখন শুদ্ধ আৰু নিকা সমাজ গঢ়িব লাগিব। য'ত নাৰী সকলে বিনা বাধাই সমস্ত অধিকাৰ ভোগ কৰিব পাৰে। পুৰুষ সকলেও নাৰী শ্ৰেণীটোক মাতৃ-ভগ্নীৰ ৰূপত বিবেচনা কৰি উপযুক্ত সন্মান আৰু মৰ্য্যাদা দিব লাগিব। নাৰী মুক্তিৰ বাবে আন্দোলন কৰা মানে পুৰুষৰ বিৰুদ্ধে নাৰীসকলে কৰা আন্দোলন নহয়, বৰং পুৰুষৰ লগত হাত মিলাই নাৰীৰ ওপৰত অবিচাৰ-অন্যায়ৰ বিৰুদ্ধে কৰা আন্দোলন। নাৰীসকলেও ভালকৈ বুজিব লাগিব যে নাৰীক স্বাধীনতা দিয়া মানে পুৰুষ জাতিক হে কৰি পুৰুষৰ বিৰুদ্ধে নাৰীবাদীৰ সৃষ্টি কৰাটো নুবুজায়। নাৰীসকলে ইয়াকো বুজিব লাগিব যে পুৰুষৰ সহযোগিতা অবিহনে কোনো ক্ষেত্ৰতে নাৰী আগবাঢ়িব নোৱাৰে। নাৰীসকলৰ উন্নতি মানেই সমাজখনৰ উন্নতি হোৱা বুজায়। ইয়াৰ বাবে প্ৰয়োজন হব উপযুক্ত শিক্ষা ব্যৱস্থাৰ। স্ত্ৰী শিক্ষাৰ প্ৰসাৰ আৰু কৰ্মসংস্থানৰ সৃষ্টি কৰিব লাগিব। উপযুক্ত আহিলা-পাতি, সা-সৰঞ্জাম ইত্যাদি সকলো সুবিধা প্ৰদান কৰি পৰীক্ষামূলক ব্যৱস্থাৰে স্ত্ৰী শিক্ষাৰ উন্নতি কৰিব পৰা যায়। উপযুক্ত শিক্ষাৰ শিক্ষিত নাৰীসকলক সংস্থান দিয়াৰ ব্যৱস্থা কৰিব লাগিব। তেতিয়াহে নাৰীসকলে আত্ম উপলব্ধি কৰিব পাৰিব। ব্যৱসায়-বানিজ্য আদিৰ ক্ষেত্ৰতো নাৰীক পুৰুষৰ স্তৰত ৰাখিব লাগিব। তেতিয়াহে নাৰীসকল সচেতন হব আৰু উন্নত চিন্তা-চৰ্চা, প্ৰণালীবদ্ধ পৰিকল্পনাৰে আৰু এক সুস্থ মগজুৰে সমাজৰ তথা জনহিতকৰ কাৰ্য্য কৰিব পাৰিব। এয়াই হব নাৰী মুক্তিৰ বাবে আন্দোলন। এনেকুৱা এক পৰ্য্যায়ত উপনীত হবৰ বাবে প্ৰয়োজন হব অসীম ধৈৰ্য্য, সাহস আৰু সহনশীলতা আদি মানবীয় গুণৰাশিৰ তেতিয়াহে নাৰী জাতিয়ে ভাৰতীয় নাৰী বুলি পৰিচয় দিব পাৰিব।



বৰ্ত্তমান সময়ত নাৰীসকল যদিও বহুতো ক্ষেত্ৰত পিচ পৰি আছে তথাপি কোনো কোনো ক্ষেত্ৰত ই আগবাঢ়িও গৈছে। ভাৰতবৰ্ষত বহুতো মহিলা উচ্চ পদৰ অধিকাৰীও হৈছে। এই ভাৰতবৰ্ষতে মহিলা প্ৰধান মন্ত্ৰী আনকি সংসদ সদস্যাও আছে। উল্লেখযোগ্য যে যোৱা ৮ চেপ্তেম্বৰৰ পৰা ১৫ চেপ্তেম্বৰলৈকে বেইজিংত বহা বিশ্ব মহিলা সন্মিলনত বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰৰ লগত ভাৰতবৰ্ষৰ পৰাও যোগদান কৰিছে। এই সন্মিলনখনত নাৰীৰ প্ৰতি থকা অবিচাৰ দূৰ কৰি সমাজত নাৰীৰ অধিকাৰ সাব্যস্ত কৰাত গুৰুত্ব আৰোপ কৰিছে। নাৰী শিক্ষা মহিলাৰ উত্তৰাধিকাৰ মহিলাৰ উন্নয়ন আদি বিভিন্ন সমস্যা সমূহৰ বিষয়ে আলোচনা ডাঙি ধৰা হৈছিল। সামাজিক, অৰ্থনৈতিক আৰু সামাজিক নীতি নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত মহিলাই সম্পূৰ্ণ আৰু সমান অংশীদাৰ, পৰিয়াল কৰ্মক্ষেত্ৰ আৰু সম্প্ৰদায়ৰ মাজত পুৰুষৰ সৈতে ক্ষমতা আৰু দায়িত্ব আহৰণ কৰাত গুৰুত্ব আৰোপ কৰা হৈছিল। মহিলাৰ মৌলিক তথা গুণগত স্বাৰ্থসম্বলিত অধিকাৰ, সুৰক্ষাৰ চনৰ ভিতৰত মহিলা নিৰক্ষৰতা দূৰীকৰণ, মহিলাক উচ্চ শিক্ষাত প্ৰবেশৰ পথত বাধা আতৰোৱা আদি বিভিন্ন দিশৰ ওপৰত পৰ্য্যালোচনা কৰা হৈছিল। অৰ্থনৈতিক অৱস্থা উন্নত কৰা, উৎপাদন বৃদ্ধি কৰা, শিক্ষা আৰু অন্যান্য ক্ষেত্ৰত ঋণ দিয়া আদি দিশৰ ওপৰতো উক্ত সন্মিলনত গুৰুত্ব দিয়া হৈছে। মুখ্যতঃ নাৰী সকলক স্বাধীনতা দিয়া বা তেওঁলোকৰ সমস্যা ৰাখিব বিষয়ে সমগ্ৰ বিশ্বজুৰি মহিলা সকল একত্ৰিত হৈ যি পৰ্যালোচনা কৰিলে ইও এক সংগ্ৰামেই।

এইদৰেই নাৰী সমাজে আগবাঢ়ি আহি গণ বিপ্লৱৰ সৃষ্টি কৰিব লাগিব। এনে ধৰণৰ আন্দোলনৰ যোগেদি একোখন সমাজৰ ৰূপান্তৰ ঘটাব পৰা যায়। তেতিয়াহে শ্ৰেণীহীন সমাজৰ সৃষ্টি হব আৰু সেই নাৰীজাতিক উপযুক্ত ৰূপত গঢ় দি পাৰিব। সেই কথাকে সমৰ্থন কৰি জ্যোতিপ্ৰসাদে কৈছিল—

ৰূপান্তৰেহে মাথো
জগত ধুনীয়া কৰে
এয়ে মোৰ গায়ত্ৰীমন্ত্ৰ।

"এটা জাতিৰ গৰ্বময় মঙ্গল হবলৈ হলে লাগে এজন নিস্বাৰ্থ ত্যাগী নিষ্ঠাবান প্ৰগতিবাদী কবি সাহিত্যিক"।

-গিৰিধৰ শৰ্মা।



# উচ্ছৃংখল মানসিকতা আৰু সমাজ সংস্কাৰ

চৈয়দ নুৰুল ইছলাম আহমেদ
স্নাতক ২য় বৰ্ষ (কলা)

নতুন কিবা "সৃষ্টি কৰিবলৈ" কিবা এটা সলনি কৰিবলৈ তথা "সংস্কাৰ" কৰিবলৈ যুৱক যুৱতী সকল সদায় আগ্ৰহী। কোনো এক আদৰ্শৰ পম খেদি আমি কেতিয়াবা অন্ধ অনুকৰণ কৰোঁ, সমাজখন "সংস্কাৰ" কৰিবলৈ প্ৰচলিত স্থিতাবস্থাৰ পৰা ফালৰি কাতি সমাজখনৰ এটা গতি দিবলৈ বিচাৰোঁ। এয়া আমাৰ সংস্কাৰমুখী প্ৰৱণতা। কেতিয়াবা আমি সংস্কাৰ বিচাৰোঁ প্ৰচলিত সমাজ ব্যৱস্থাৰ প্ৰতি বিদ্ৰোহী হৈ আৰু কেতিয়াবা সংস্কাৰ বিচাৰো আদৰ্শতকৈ আবেগৰ বশৱৰ্ত্তীহৈ। এই সংস্কাৰ কৰিবলৈ আমি কেতিয়াবা আন্দোলন কৰোঁ, বিপ্লৱ কৰোঁ। কেতিয়াবা আমি সফল হওঁ আৰু কেতিয়াবা আমাৰ নিজৰ (ব্যক্তিগত) খিনি আদায় কৰাৰ পিছত লাহে লাহে মূল লক্ষ্যৰ পৰা ফালৰি কাটি সতীৰ্থ বিপ্লৱী সকলৰ ওপৰত সকলো দায়িত্ব অৰ্পন কৰোঁ। এয়া আমাৰ অসমৰ যুৱক-যুৱতীৰ সংস্কাৰ মুখী প্ৰৱণতা।

আমি কিমান সংস্কাৰ কৰিছোঁ আৰু কিমান আৱৰ্জনাৰে সমাজখন বুৰাই পেলাইছোঁ সেয়া আমাক ইতিহাসে কব। আমাৰ পিতৃ-মাতৃয়ে নিজৰ সন্তান বুলি আমি কৰা ভুলবোৰক আমি কঢ়িয়াই অনা আৱৰ্জনাবোৰ "ঘৰৰ ল'ৰা" বুলি নেদেখিব পাৰে। কিন্তু ইতিহাসেতো আমাক কাহানিও ক্ষমা নকৰে। সেয়ে আমি বাট চাব লাগিব ইতিহাসলৈ। ইতিহাসেই চিঞৰি চিঞৰি কব আমি "সংস্কাৰকনে" সামাজিক ব্যাধিবোৰৰ একো একোটা ভয়ানক সংক্ৰামক বীজাণু।

দেশৰ নেতা পালি নেতাবোৰে সঘনাই বক্তৃতাৰে কয় যে সমাজৰ ভেটি আমাৰ ওপৰতে সমাজখন, দেশখন। আমি সমাজখনক সুসভ্য, সুসংগঠিত তথা শৃংখলাবদ্ধ সমাজ হিচাপে পৰিচয় দিয়াত সহায় কৰোঁ। সচাঁ কথা, আমিবোৰ সমাজৰ ভেটি। কিন্তু আমি কিমান সভ্য কিমান শৃংখলাবদ্ধ? এই নেতা পালি নেতা সকলে আমি সভ্যতাৰ পোহৰ দিয়াত কিমান সহায় কৰিছে বা এটা শৃংখলাবদ্ধ জীৱনৰ পাতনি মেলাত কিমান সহায় কৰিছে? নে তেওঁলোকে আমাৰ কান্ধত বন্দুক থৈ ঐশ্বৰ্য্যৰ চিকাৰ কৰি সমাজখনক, দেশখনক তথা এটা তৰুণ প্ৰজন্মক তিলতিলকৈ ধ্বংসৰ মুখলৈ থেলি দিছে? প্ৰকৃততে যিখিনি কৰিব পাৰোঁ সেই খিনিও আমাৰ দুৰ্বলতাৰ সুযোগ লৈ আমাৰ



হাতৰ পৰা কাঢ়ি নি শোষণৰ পোহাৰ মেলিছে। তাৰ বাবে আমাৰ উচ্ছৃংখলতা, ঠেক মানসিকতা তথা স্বাৰ্থন্ধতাই মূলতে দায়ী।

আমাৰ মাজৰে শিক্ষিত যুৱকসকলে ব্যক্তিগত স্বাৰ্থৰ বাবে আমাক প্ৰৱঞ্চনা কৰিছে, আমিয়েই ব্ৰাউন চুগাৰ হিৰ'ইন জাতীয় ভয়াবহ মাদকদ্ৰব্য সেৱন কৰি নিজৰ জীৱনটোৰ লগতে আৰু বহুতো উঠি অহা কোমলীয়া কিশোৰৰ জীৱন ধ্বংস কৰিছোঁ, আমিয়েই নিলজ্জ তথা ঘৃণনীয় ভাৱে আমাৰ 'ভনী'ক অনং ব্যৱহাৰ কৰি বাতৰি কাকতৰ শিৰোনামা গৌৰৱেৰে (?) দখল কৰিছো। আহক, আমি নিজকে সোধো

> "আহক আমি নিজকে সোধো আমি সভ্য নে? আমি দেশৰ সম্পদ নে নে আমি বনৰীয়া হিংস্ৰ জানোৱাৰতকৈয়ো বেছি ভয়াবহ সমাজ প্ৰিয় অসামাজিক জীৱ?"

আমি সভ্য নে? আমি দেশৰ 'সম্পদ' নে? নে আমি বনৰীয়া হিংস্ৰ জানোৱাৰতকৈয়ো বেছি ভয়াবহ সমাজ প্ৰিয় অসামাজিক জীৱ? আমাৰ এই অৱক্ষয়ৰ কাৰণ কি? ইয়াৰ বাবে কোন জগৰীয়া? প্ৰথমে আমি আমাকেই দোষ দিব লাগিব। আনৰ গাত দোষ জাপি দি নিজে গা বচাব পাৰিলেও আমি আমাৰ বিবেকৰ দংশনত জৰ্জাৰিত হবই লাগিব। আমাৰ আত্মবিশ্বাস, আত্ম প্ৰত্যয় তথা নিজস্ব একো নাই। সমাজৰ নৈতিকতাবোধক আমাৰ ব্যক্তিগত পছন্দ অপছন্দৰ প্ৰতি কিছুমান প্ৰত্যাহ্বান হিচাবে আমি গণ্য কৰো। আমাৰ স্খলনৰ মূল কাৰণ হয়তো এয়ে।

আমাৰ সংকীৰ্ণ মানসিকতাৰ বাবে আমাৰ পিতৃমাতৃ তথা ঘৰখনো কম জগৰীয়া নহয়। সকলোতকৈ গুৰুত্বপূৰ্ণ হ'ল আমাৰ সমাজখন য'ত মানৱতা বোধৰ লেখ মানো স্থান নাই, হিংসা তথা স্বাৰ্থান্ধতাই সমাজৰ চালিকা শক্তি য'ত প্ৰেম নাই, মৰম নাই, বিশ্বাস নাই আছে ঘৃনা কপটতা আৰু প্ৰৱঞ্চনা। সমাজৰ প্ৰতিনিধি সকলে গান্ধীৰ আদৰ্শক অস্ত্ৰ হিচাপে লৈ পদদলিত জনতাক চেপি-চেপি সমাজলৈ চতিয়াই দিয়ে অসূয়া অপ্ৰীতিৰ বিষবাষ্প। আমি এই বিষবাষ্পৰ আবেষ্টনীত বিচাৰি পাইছো চাৰিত্ৰিক বৈশিষ্ট্য সমূহ। আমি হৈ পৰিছোঁ ক্ৰুৰ মাতাল তথা একো একোটা ৰাতিৰ মানুহ।

আমি যে বেই আকৌ আগবাঢ়ো সমাজ সংস্কাৰ কৰিবলৈ বিপ্লৱ, আন্দোলন আৰু বহুত কিবা চিবি কৰিবলৈ? আমাক বিপ্লৱ তথা প্ৰচলিত স্থিতাৱস্থাৰ অৱসান লাগে। কিন্তু তাৰ আগতে আমি বিপ্লৱ কৰিব লাগিব কঠোৰ সংগ্ৰাম কৰিব লাগিব আমাৰ চৰিত্ৰৰ বিৰুদ্ধে. আমি যুঁজিব লাগিব আমাৰ আত্মঘাতী প্ৰবৃত্তিবোৰৰ বিপৰীতে অন্যথা আন্দোলন বা বিপ্লৱৰ বিপ্লৱীসকলৰ মাজতে প্ৰতি বিপ্লৱীয়ে মূৰ দাঙি উঠিব, নিজৰ স্বাৰ্থসিদ্ধিৰ বাবে বিপ্লৱৰ পবিত্ৰ সংবিধান পবিত্ৰ আদৰ্শক জলাঞ্জলি দিব এয়া ইতিহাস

স্বীকৃত বাস্তৱ, অপ্ৰিয় সত্য। সমাজ সংস্কাৰৰ প্ৰৱণতা কৈশোৰ তথা যৌৱনৰ এক স্বতঃ-স্ফূৰ্ত প্ৰবৃত্তি বুলি কব পাৰি। সেয়ে সমাজ-খন সংস্কাৰ কৰিবলৈ যাওঁতে আদৰ্শতকৈ আবেগক প্ৰাধান্য দিলে আমাৰ প্ৰকৃত ৰূপ প্ৰকাশ পাবলৈ বেছি সময়ৰ প্ৰয়োজন নহব। গতিকে সমাজ সংস্কাৰৰ প্ৰৱণতা আমাৰ মনত যেতিয়াই উদ্ভৱ হব, তাৰ সমান্তৰাল ভাৱে আমাৰ মনত আত্ম সংস্কাৰৰ প্ৰৱণতা জগাই তুলিব লাগিব। অন্যথা আমিবোৰ সেই তথাকথিত গান্ধীপ্ৰেমী নেতাবোৰৰ কাৰ্বন কপি হবলৈ বাকী নাথাকিব। সেইসকলৰ দেশ প্ৰেমৰ মানৱতা তথা সততাৰ (!) মুখা খুলিবলৈ আমি আমাক সংশোধন কৰিবই লাগিব। আনক নিজৰ পৰিচয় দিয়াৰ আগতে আমি নিজেই নিজক পৰিচয় দিব পৰা হব লাগিব তেতিয়াহে আমাৰ সমাজ সংস্কাৰৰ প্ৰাসংগিকতা থাকিব। নিজস্ব সকলো বাদ দি বিদেশী সংস্কৃতিক অনুকৰণ কৰিলে আমাৰ এই তৰুণ প্ৰজন্মটিৰ অপমৃত্যু অনিবাৰ্য। আচহুৱা অমাৰ্জিত সাজপাৰেৰে নিজক সজোৱাৰ বেপৰুৱা প্ৰকৃতি আমি ত্যাগ কৰিব লাগিব। এইবোৰে আমাক বহুৱা সজোৱাৰ লগতে বহু অসমাজিক মানসিকতাৰ গঢ় দি সামাজিক উচ্ছৃখলতা সৃষ্টি কৰাত অৰিহনাহে যোগাব। ●

> ভাৰতীয় মহাজাতিৰ জাতীয় স্বাধীনতা লাভৰ বাবে চলোৱা সংগ্ৰামৰ আগশাৰিত অসমীয়াই তাৰ নিজৰ জাতীয় স্বাধীনতাৰ সবল সত্তাৰ আদৰ্শটো আগত তুলি ধৰি লৈহে আগবাঢ়িব লাগিব।
>
> অম্বিকাগিৰি ৰায় চৌধুৰী








## ★ ৰোহিনী-১ ★

মকছেদুল ইছলাম
স্নাতক ২য় বাৰ্ষিক
(কলা শাখা)

"ৰোহিনী-১" নামটোৱে সকলো ভাৰতীয়ৰ মনত পেলাই দিয়ে ভাৰতীয় বিজ্ঞানীৰ সাফল্যৰ বিষয়ে। এই ৰোহিনী-১ সমগ্ৰ ভাৰতবাসীৰ বাবে এক গৌৰৱৰ সম্পদ। এই অভূতপূৰ্ব ক্ষমতাৰ অধিকাৰী ভাৰতবৰ্ষ হোৱাৰ আগতে মাত্ৰ পাঁচখন দেশৰহে অধিকাৰ আছিল। এই অভূতপূৰ্ব্ব ক্ষমতা-টিয়েই হ'ল উপগ্ৰহ উৎক্ষেপন ক্ষমতা। ভাৰতে ইয়াৰ আগতে দুটাকৈ কৃত্ৰিম উপগ্ৰহ উৎ-ক্ষেপন কৰিছে। কিন্তু উপগ্ৰহ দুটাৰ উৎ-ক্ষেপক যান দুখন আছিল ছোভিয়েট দেশৰ। কিন্তু ১৯৮০ চনৰ ১৮ জুলাই তাৰিখে ভাৰতে ৩য় উপগ্ৰহ "ৰোহিনী-১" ক ভাৰতীয় যানেৰে (ৰকেট) কক্ষপথত স্থাপন কৰিলে—ৰোহিনীক কঢ়িয়াই নিয়া ৰকেটটোৰ নাম দিয়া হৈ - SLV – 3 অৰ্থাৎ উপগ্ৰহ উৎক্ষেপক যান—3 (Satellite Launching Vehicle)।

SLV-3 এ ভাৰতক উপগ্ৰহ উৎক্ষেপন ক্ষমতা সম্পন্ন ৬ষ্ঠ খন ৰাষ্ট্ৰ হিচাপে পৰিপনিত কৰিলে। ইয়াৰ আগতে এই ক্ষমতাৰ অধিকাৰী দেশ কেইখন হ'ল যথাক্ৰমে ছোভিয়েট সাধাৰণ তন্ত্ৰ (স্পুটনিক-১) মাৰ্কিন যুক্তৰাষ্ট্ৰ (এক্স-প্লৰাৰ-১), ফ্ৰান্স (এচটেৰিক্স এ-১), জাপান (মচুমি), চীন (চীন-১)।

SLV-3 এ ৰোহিনী-১ ক মূৰত লৈ যোৱা ১৮ জুলাই ৰাতি পুৱা ৮ বাজি ৪ মিনিটত মাদ্ৰাজৰ ওচৰৰ শ্ৰীহৰিকোটা ৰেঞ্জৰ পৰা ভাৰতীয় মহাকাশ বিজ্ঞানী সকলৰ মাজৰ পৰা বিদায় লৈ ভূ-পৃষ্ঠ ত্যাগ কৰে। ৰকেট-টোৰ ১ মটো খলপ (Stage) প্ৰজ্বলিত কৰাৰ লগে লগে ভীষণ গৰ্জন কৰি এক হেঙুলীয়া আভা নিৰ্গত কৰি সি উৰা মাৰে। পেনচিল আকৃতিৰ এই ৰকেটটোৰ দৈৰ্ঘ্য আছিল ২২ মিটাৰ, ওজন আছিল ১৭ টন আৰু ব্যাস আছিল ১ মিটাৰ। উল্লেখযোগ্য যে ১৯৭৯ চনৰ জুলাই মাহতো এবাৰ SLV এক বিফল প্ৰচেষ্টা চলাইছিল। সেইবাৰ সি বঙ্গোপসাগৰত ডুব গৈছিল। কিন্তু এইবাৰ ইয়াৰ সাফল্যই আমাক গৌৰৱান্বিত কৰিছে। SLV – 3 ৰ অভিয়ানত মুঠ ২০ কোটি টকা খৰচ হৈছে।

SLV – 3 এ উপস্থাপন কৰা কৃত্ৰিম উপগ্ৰহ ৰোহিনী-১ ৰ কক্ষপথটি উপবৃত্তাকাৰ। ই ভাৰতৰ ৩য় কৃত্তিম উপগ্ৰহ। ৰোহিনী

পৃথিৱী পৰিভ্ৰমণ কাল ৯৭ চেকেণ্ড অৰ্থাৎ ই প্ৰতি ৯৭ চেকেণ্ডৰ মূৰে মূৰে পৃথিৱীক এবাৰ প্ৰদক্ষিণ কৰে। ৰোহিনীৰ ওজন ৩৫ কিলোগ্ৰাম। ৰোহিনীৰ কক্ষপথৰ এপজি (পৃথিৱীৰ পৰা সৰ্ব্বোচ দূৰত্ব) ৬০০ কিলোমিটাৰ আৰু পেৰিজি (পৃথিৱীৰ পৰা নিকটতম দূৰত্ব) ২৮৫ কিলোমিটাৰ। ৰোহিনী তাৰ কক্ষপথত প্ৰায় ৩ বছৰ থাকিব বুলি ভাৰতীয় বিজ্ঞানীৰ ধাৰণা। অৱশ্যে এই সময়সীমা ভুলক্ৰমে বৃদ্ধি পাইছে।

কৃত্ৰিম উপগ্ৰহ এনে এটি (মানৱ নিৰ্মিত বস্তু যিটো বিনা ইন্ধনে পৃথিৱীৰ চাৰিওফালে অবিৰাম গতিত ঘূৰি থাকে। বিনা

> "কৃত্ৰিম উপগ্ৰহ এনে এটি বস্তু যিটো বিনা ইন্ধনে পৃথিৱীৰ চাৰিওফালে অবিৰাম গতিত ঘুৰি থাকে। বিনা ইন্ধনে এটি বস্তু পৃথিৱীৰ চাৰিওফালে ঘুৰে, আচৰিত নহয় নে বাৰু?"

ইন্ধনে এটি বস্তু পৃথিৱীৰ চাৰিওফালে ঘুৰে আচৰিত নহয় নে বাৰু? অৱশ্যে চন্দ্ৰৰ কথা সুকীয়া। বিজ্ঞানী সকলে কিন্তু চন্দ্ৰৰ কৌশলেৰে পৃথিৱীৰ চাৰিওফালে কৃত্ৰিম উপগ্ৰহ ঘুৰাই ইয়াক অনাচৰিত কৰি পেলাইছে। পৃথিৱীৰ পৰা কোনো এটি বস্তু মহাকাশৰ ফালে পঠাব খুজিলেই পৃথিৱীৰ মাধ্যাকৰ্ষণে তাক পিছফাললৈ টানে। সৰু শিলগুটি এটি ওপৰলৈ মাৰি পঠিয়ালেই ইয়াৰ সত্যতা আমি দেখো। কৃত্ৰিম উপগ্ৰহ উৎক্ষেপণতো মাধ্যাকৰ্ষণে প্ৰৱল দাধা দিয়ে।

কিন্তু বিজ্ঞানীসকলে এই প্ৰৱল বাধাকো নেওচি উপগ্ৰহক কক্ষপথত স্থাপন কৰে। এই ক্ষেত্ৰত উপগ্ৰহটোক ৰকেটৰ জৰিয়তে এনে এটি বেগ দিয়া হয় যিটো বেগে পৃথিৱীৰ প্ৰৱল মাধ্যাকৰ্ষণকো নেওচি গৈ পৃথিৱীৰ চাৰিওফালে উপগ্ৰহটোক ঘুৰাবলৈ ধৰে। এনে সময়ত পৃথিৱীৰ মাধ্যাকৰ্ষণ বল অভিকেন্দ্ৰিক বলত পৰিণত হয়। কৃত্ৰিম উপগ্ৰহ এটিৰ নিক্ষেপ বেগ ৭.৯ কিঃ মিঃ / চেকেণ্ড হ'লে তাৰ কক্ষপথ বৃত্তাকাৰ হয়। ইয়াকে বৃত্তীয় কক্ষবেগ বোলা হয়। নিক্ষেপ বেগ ৭.৯ কিঃ মিঃ / চেকেণ্ডৰ পৰা ১১.২ কিঃ মিঃ / চেকেণ্ডৰ ভিতৰত থাকিলে তাৰ কক্ষপথ উপবৃত্তকাৰ হয়। নিক্ষেপ বেগ ১১.২ কিঃ মিঃ/ চেকেণ্ড হ'লে কক্ষপথ অধিবৃত্ত আকৃতিৰ হয়। এই বেগ পালেই কৃত্ৰিম উপগ্ৰহ পৃথিৱী এৰি মহাকাশলৈ গতি কৰে। এই বেগকে পলায়ন বেগ বোলে।

কামৰ প্ৰকৃতি অনুসৰি বিভিন্ন ধৰণৰ কৃত্ৰিম উপগ্ৰহ আছে। গৱেষণা মূলক, নৌচালনা-বিষয়ক, বতৰ বিষয়ক, সাংযোগিক আৰু সামৰিক উপগ্ৰহ ইত্যাদি।

ৰুছিয়াই স্পুটনিক-১ ক কক্ষপথত স্থাপন কৰাৰে পৰা মহাকাশ যুগ আৰম্ভ হয়। ৰুছিয়াৰ পিছত আমেৰিকা, ফ্ৰান্স জাপান, চীন আদিৰ দৰেকৈ ভাৰতেও ষষ্ঠ স্থানত খোজ মিলাই ১৯৮০ চনৰ ১৮ জুলাই তাৰিখে মহাকাশ যুগত প্ৰবেশ কৰিলে। ৰোহিনী-১ ভাৰতীয় মহাকাশ বিজ্ঞানী সকলৰ সাফল্যৰ প্ৰতীকৰূপে আজিও আমাৰ ভাৰতবৰ্ষৰ গৌৰৱ।

ৰোহিনীৰ সফল উপস্থাপনৰ যোগেদি ভাৰতক মহাকাশ যুগত প্ৰবেশ কৰোৱাৰ বাবে ভাৰতীয় মহাকাশ বিজ্ঞানী সকললৈ আমাৰ শত সহস্ৰ ওলগ যাচিছো।

[বিঃ দ্ৰঃ— এই প্ৰবন্ধটি যুগুত কৰোতে বিভিন্ন ধৰণৰ আলোচনী, বাতৰি কাকত আৰু বিজ্ঞান সম্পৰ্কীয় পুথিৰ সহায় লোৱা হৈছে।] ●



# মোক্ষ তত্ত্ব

শ্ৰীদক্ষেশ্বৰ ডেকা
শাস্ত্ৰী, এম্-এ (ত্ৰিপল্)

ভাৰতীয় আস্তিক দৰ্শনত ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষ এই চাৰি তত্ত্বই বিশিষ্ট স্থান অধিকাৰ কৰি আছিছে। উপৰ্যুক্ত চাৰি তত্ত্ব চতুৰ্বৰ্গ বা চাৰি পুৰুষাৰ্থ নামে প্ৰখ্যাত। পুৰুষৰ অসংখ্য প্ৰয়োজনৰ ভিতৰত যি চাৰিটা প্ৰধান সেই চাৰিটাকে পুৰুষাৰ্ম কয়। পুৰুষাৰ্থ সমূহৰ ভিতৰত মুক্তি বা মোক্ষই পৰম পুৰুষাৰ্থ। মুমুক্ষু বা মোক্ষাৰ্থী সকলৰ মানত স্বৰ্গাদি সুখো ক্ষন্তেকীয়া। ছান্দোগ্য উপনিষদত আছে—

"তদ্ যথেহ কৰ্মজিতো লোকঃ ক্ষীয়তে।
এবমেবামুত্ৰ পুণ্যজিতো লোকঃ ক্ষীয়তো।
[ ছাঃ উঃ ৮।১।৬ ]

যিদৰে কৰ্মীলোকৰ ক্ষয় আছে, স্বৰ্গাদি পুণ্যবন্তলোকৰো ক্ষয় আছে। 'ক্ষীণে পুণ্যে পুন মৰ্ত্ত্যলোকে বিশন্তি'— পুণ্যক্ষয় হ'লে পুনৰ মৰ্ত্ত্যলোকত প্ৰৱেশ কৰি ত্ৰিতাপত দগ্ধ হ'ব লগাত পৰে। এই ক্ষেত্ৰত শাস্ত্ৰত বৰ্ণিত নহুষ ৰজাৰ আখ্যানলৈ আঙুলিয়াব পাৰি। পুণ্যৰ বলত মৰ্ত্ত্যৰ নহুষ ৰজা কিছুকাল স্বৰ্গৰ ৰজা হৈছিল। পিছত ইন্দ্ৰপত্নীৰ প্ৰতি লোলুপ নহুষ স্বৰ্গত অগস্ত্যাদিঋষিক তাড়না কৰি অগস্ত্যৰ শাপত অজগৰ সৰ্পৰূপে পুনৰ মৰ্ত্ত্যলৈ নামি আহিব লগাত পৰিছিল।

মহাভাৰতত ব্যাসদেৱে কৈছে যে কামসুখ আৰু দিব্য মহৎ সুখ তৃষ্ণাক্ষয়জনিত সুখৰ যোল কলাৰ একলাৰো তুল্য নহয়।
'যচ্চ কামসুখং লোকে যচ্চ দিব্যং মহৎসুখম্।
তৃষ্ণাক্ষয়সুখস্যৈতে নাৰ্হতঃ ষোড়শীং কলাম্॥"

সাধনাৰ চৰম লক্ষ্য হৈছে মুক্তি বা মোক্ষ। সাংখ্যাদি দৰ্শনশাস্ত্ৰৰ সিদ্ধান্ত হ'ল জ্ঞানান্মুক্তিঃ (জ্ঞানৰ পৰা মুক্তি) সাংখ্যামতে পুৰুষ আৰু প্ৰকৃতিৰ চতুৰ্বিংশতি তত্ত্বৰ (পুৰুষ সহ পঞ্চবিংশতি তত্ত্ব) জ্ঞানৰ পৰা জটী, মুণ্ডী শিখীকে ধৰি সকলো লোক মুক্ত হয়।
"পঞ্চবিংশতিতত্ত্বজ্ঞো যত্ৰ তত্ৰাশ্ৰমে বসন্।
জটী মুণ্ডী শিখী বাপি মুচ্যতে নাত্ৰ সংশয়ঃ॥"

বেদান্তমতে অজ্ঞান বা মায়াৰ বাবে জীৱৰ যি মিছা সাংসাৰিকজ্ঞান হয়, তাক জ্ঞানৰ দ্বাৰা দূৰ কৰি ব্ৰহ্মৰূপত অৱস্থানে মোক্ষ। সাংখ্যদৰ্শনৰ মুক্তিৰ দৰে বেদান্তৰ মোক্ষ কেৱল দুঃখৰ অভাৱে নহয়, ই আনন্দৰে ভাৱৰূপ অৱস্থা। বেদান্তৰ মতে জগৎ অসত্য, জড় আৰু দুখঃময়। ব্ৰহ্মাই একমাত্ৰ সত্য। সংসাৰ বা সাংসাৰিক প্ৰপঞ্চ মায়া। নাম ৰূপাত্মক জগৎ বা জাগতিক বস্তুৰ সত্তা সাংসাৰিক ব্যৱহাৰৰ বাবেহে প্ৰয়োজন, ব্ৰহ্মজ্ঞানৰ দ্বাৰা ই বাধিত হয়। সেই কাৰণে

ইয়াৰ পাৰমাৰ্থিক সত্তা নাই। ব্ৰহ্ম সৎ, চিৎ আৰু আনন্দ। তৈত্তিৰীয় উপনিষদত আছে—'আনন্দো ব্ৰহ্মেতি ব্যজনাৎ। আনন্দাদ্ধ্যেব খল্বিমানি ভূতানি জায়ন্তে। আনন্দেন জাতানি জীৱন্তি। আনন্দং প্ৰত্যাভিসংবিশন্তিং'। অবিদ্যাৰ কবলৰ পৰা যেতিয়া মুক্ত হয়, তেতিয়া জীৱে সেই আনন্দময় ব্ৰহ্মকে উপলব্ধি কৰে। 'ব্ৰহ্মবিদ্ ব্ৰহ্মৈব ভৱতি।' ব্ৰহ্মবিদজন নিজেই অদ্বিতীয় অখণ্ড সচ্চিদানন্দ ব্ৰহ্ম বুলি উপলব্ধি কৰে। নদীয়ে যিদৰে সমুদ্ৰত প্ৰবেশ কৰাৰ পাছত নিজৰ নামৰূপ এৰি সমুদ্ৰ নামে জ্ঞাত হয়, সেইদৰে ব্ৰহ্মবিদমনে আত্মজ্ঞানৰ দ্বাৰা অবিদ্যা বা মায়া আৰু মায়াৰ দ্বাৰা অধ্যস্ত সাংসাৰিক জ্ঞান এৰি ব্ৰহ্মজ্ঞান লভি 'অহং ব্ৰহ্মোঽস্মি' (মইয়ে ব্ৰহ্ম) এই উপলব্ধি কৰে। সমগ্ৰ উপনিষৎ গ্ৰন্থ এই ব্ৰহ্মতত্ত্বৰ প্ৰতিপাদক বাবে ইয়াক ব্ৰহ্মতত্ত্ববিজ্ঞান কোৱা হয়।

মোক্ষ বা মুক্তি শব্দৰ ব্যুৎপত্তি নো বাৰু কি? সংস্কৃত মুচ্ ধাতুৰ পৰাই মোক্ষ বা মুক্তি শব্দ ওলাইছে। মুচ্ ধাতুৰ অৰ্থ মুকলি হোৱা, বন্ধনৰ পৰা মুকলি হোৱা। গতিকে আগতে বন্ধন হ'লেহে পিছত মুক্তিৰ কথা আহে। কাৰ কিয় বন্ধন হয় সেইটো প্ৰথমতে জানিব লাগিব। আমাৰ দেহটো এটা যন্ত্ৰ সদৃশ। সংকল্প-বিকল্পাত্মক মনেই ইন্দ্ৰিয় সমন্বিতে দেহৰূপ যন্ত্ৰটো পৰিচালনা কৰে। ইন্দ্ৰিয় সমন্বিতে মনটো যেতিয়া নানাৰকমে বন্ধনত পৰে, তেতিয়া মায়া মোহিত জীৱে নাজানি নিজে বদ্ধ বোধ কৰে। ভাগৱত পুৰাণত আছে যে জ্ঞাননিষ্ঠাৰ দ্বাৰা নিজৰ বন্ধ-মোক্ষৰ বিষয়ে আলোচনা কৰিব। ইন্দ্ৰিয়ৰ বিক্ষেপ বা চঞ্চলতাৰ নাম বন্ধন আৰু ইয়াৰ সংযমৰ নাম মোক্ষ।

অন্বীক্ষেতাত্মনো বন্ধং মোক্ষঞ্চ জ্ঞাননিষ্ঠায়া।
বন্ধ ইন্দ্ৰিয়বিক্ষেপো মোক্ষ এবাঞ্চ সংযমঃ॥
(ভাগৱত ১১/১৮/২২)

ইন্দ্ৰিয় বিক্ষেপৰ মূলতে মন। 'মন এৱ মনুষ্যা ণাংকাৰণং বন্ধমোক্ষয়োঃ।' 'অহংবুদ্ধি' বা দেহাত্মবুদ্ধিয়ে মনৰ বন্ধনৰ কাৰণ। মই, মোৰ, মই এওঁলোকৰ, এওঁলোক মোৰ এনে ধৰণৰ অহংকাৰ বা অহংবুদ্ধিয়ে মনৰ বন্ধন আনে।

> "আত্মাৰ নিজ স্বৰূপত অৱস্থানে মুক্তি। শ্ৰীমদ্ভাগতেও তাকেই কয়। আত্মাৰ অন্যথাৰূপ অৰ্থাৎ অবিদ্যাৰ দ্বাৰা আৰোপিত অজ্ঞত্বাদি পৰিত্যাগ পূৰ্বক স্ব-স্বৰূপত অৱস্থিতিৰ নামে মুক্তি"

অবিচাৰকৃতো বন্ধো বিচাৰে। নিবৰ্ত্ততো (পঞ্চদশী ১০।৫) মায়াগ্ৰস্ত জীৱ অবিবেকৰ দ্বাৰা বদ্ধ আৰু আত্মতত্ত্ব বিবেকৰ দ্বাৰা মুক্ত হয়। আত্ম জ্ঞান অবিহনে কেতিয়াও মুক্তি নহয়। 'নাত্মজ্ঞানং বিনা মুক্তিৰেতদেৱ সুনিশ্চিতম্।' (স্কন্ধপুৰাণ)। আত্মা নিত্য মুক্ত। বিষয়াসক্ত জীৱে আত্মতত্ত্ব বিমুখ হৈহে বদ্ধবৎ উপলব্ধি কৰে। তত্ত্বজ্ঞানৰ উদয় হ'লে আত্মাৰ স্বৰূপ উপলব্ধি কৰিব পাৰি। শ্ৰীমদ্ভাগৱতত উদ্ধৱৰ প্ৰতি ভগবদ্বাক্য আছে-

'বদ্ধো মুক্ত ইতি ব্যাখ্যা গুণতো মে ন বস্তুতঃ।
গুণস্য মায়ামূলত্বাৎ ন মে মোক্ষো ন বন্ধনম॥
(ভাগৱত ১১/১১/১)

'মোৰ অধীন সত্ত্বাদি গুণৰ বাবেহে আত্মা বদ্ধ বা মুক্ত, বাস্তবিক নহয়। গুণ মায়া বা প্ৰকৃতিৰহে। গতিকে আত্মাৰ বন্ধনো নাই, মুক্তি ও নাই! এইটোৱে মোৰ ব্যাখ্যা।

আত্মাৰ নিজ স্বৰূপত অৱস্থানে মুক্তি। শ্ৰীমদ্ভাগতেও তাকেই কয়। আত্মাৰ অন্যথাৰূপ অৰ্থাৎ অবিদ্যাৰ দ্বাৰা আৰোপিত অজ্ঞত্বাদি পৰিত্যাগপূৰ্বক স্ব-স্বৰূপত অৱস্থিতি নামে 'মুক্তি'।

'মুক্তি ৰ্হিত্বান্যথাৰূপং স্বৰূপেণ ব্যৱস্থিতিঃ।'
(ভাগৱত ২/১০/৬)

ভাগৱতাদিপুৰাণ গ্ৰন্থত পাঁচ বিধ মুক্তিৰ কথা উল্লেখ আছে—

ক) সালোক্য (ভগৱানৰ লগত একে লোকত বাস কৰা খ) সাৰ্ষ্টি ভগৱানৰ দৰে অণিমাদি ঐশ্বৰ্য্যৰ অধিকাৰী হোৱা), গ) সামীপ্য (ভগৱানৰ পৰিষদৰূপে ওচৰতে থাকিব পাৰা), ঘ) সাৰূপ্য (ভগৱানৰ দৰে ৰূপ লাভ কৰা) আৰু ঙ) একত্ব বা সাযুজ্য (ভগৱানৰ লগত মিলি যোৱা)।

মুক্তি আকৌ দুবিধ— ১) জীৱমুক্তি ২) বিদেহ মুক্তি।

জীৱন্মুক্তি সাধকে জীৱনদশাতে লাভ কৰে আত্মতত্ত্ব বিজ্ঞানৰ দ্বাৰা। যিদৰে কল বন্ধ হ'লেও চকাটো কিছু সময় ঘূৰিহে বন্ধ হয়, জুইত খৰি নিদিলেও কিছু সময় জ্বলিহে জুই কৰা নুমাই যায়, সেইদৰে সকলো অবিদ্যাৰ সংস্কাৰ বিমুক্ত হৈ মুক্ত হোৱা সত্ত্বেও প্ৰাৰব্ধ কৰ্ম ফল (যি কৰ্মৰ ভোগ আৰম্ভ হৈছে) ভোগ অন্ত নোহোৱাকৈ জীৱন ধাৰণ কৰি থাকে। তেওঁৰ কেতিয়াও ইন্দ্ৰিয় বিক্ষেপ নহয়। পিছত দেহান্তত বিদেহ মুক্তি লাভ কৰে। মুক্ত পুৰুষৰ পুনৰ জন্ম নহয়। 'মুক্তঃ প্ৰতিজ্ঞানাৎ' [ব্ৰহ্মসূত্ৰ ৪/৪/২] মুক্ত জীৱ সকলো বন্ধনৰ পৰা মুক্ত। শ্ৰুতি প্ৰতিপাদ্য বিষয় আলোচনা কৰিলে এই কথা বুজা যায়।

অবিভাগেন দৃষ্টত্বাৎ (ব্ৰহ্মসূত্ৰ ৪/৪/৪) শ্ৰুতিয়ে দেখুৱাইছে যে মুক্ত পুৰুষ পৰম্‌-ব্ৰহ্মৰ পৰা অবিভাগ (অভেদ) প্ৰাপ্ত হয়।

অনাবৃত্তিঃ শব্দাৎ, অনাবৃত্তিঃ শব্দাৎ (ব্ৰহ্মসূত্ৰ ৪/৪/২২) শ্ৰুতিৰ পৰা জনা যায় যে মুক্ত পুৰুষৰ পুন জন্ম নাই।

'মোক দেখিলেক যিটো জন।
নাহি তাৰ পুনৰাগমন॥'
(প্ৰহ্লাদচৰিত্ৰ, কীৰ্ত্তন ঘোষা)

শ্ৰীমদ্ভাগৱতত আকৌ সাধ্য ভক্তিক (ভক্তিৰ দ্বাৰা যি ভক্তি লাভ কৰা যায়) চাৰি পুৰুষাৰ্থৰ ওপৰত পঞ্চম পুৰুষাৰ্থৰূপে গ্ৰহণ কৰা হৈছে। এই ক্ষেত্ৰত মাতৃ দেৱহূতিৰ প্ৰতি কপিল বাক্য প্ৰণিধানযোগ্য।

'সালোক্য-সাৰ্ষ্টি-সমীপ্য-সাৰূপ্যৈকত্বমপ্যুত।
দীয়মানং ন গৃহ্লন্তি বিনা মৎসেৱনং জনা॥'
[৩য়স্কন্ধ ২৯/১৩]

সালোক্য, সাৰ্ষ্টি, সামিপ্য, আৰু সাযুজ্য এই পঞ্চবিধ মুক্তি দিলেও মোৰ সেৱা অবিহনে (ভগৱদ্ ভক্তি বিনে) ভক্তসকলে গ্ৰহণ নকৰে। সমগ্ৰ ভাগৱত হৰিভক্তিৰ প্ৰেম মন্দাকিনীৰে প্লাৱিত। মহাপুৰুষ মাধৱ দেৱ ভক্তি ধনযাচএঃা লক্ষনীয়

"তোমাৰ চৰণে হৰি কেৱল ভকতি বিনে
মোৰ আন নাহি আন কাম হৰি ৰাম।"

ভক্তিবাদী বৈষ্ণৱসকলে ভক্তিকে মোক্ষৰ সাধন হিচাপে গ্ৰহণ কৰিছে। মহাপুৰুষ শঙ্কৰদেৱে কীৰ্ত্তনত গাইছে—

ভাই মুখে বোলা ৰাম হৃদয়ে ধৰা ৰূপ।
এতেকে মুকুতি পাইবা কহিলোঁ স্বৰূপ ॥

মুখত ভগৱন্তৰ নাম লৈ হৃদয়ত ভগৱন্তৰ স্বৰূপ ধাৰণ কৰিলে মুক্তি পাব পাৰি বুলি কৈ শঙ্কৰদেৱে জন সাধাৰণক ভক্তি ধৰ্মৰ আশ্ৰয় লবলৈ উদাত্ত কণ্ঠে আহ্বান জনাইছে। পৰম বৈষ্ণৱ শঙ্কৰদেৱে সাধাৰণ জনসাধাৰণক ভক্তিধৰ্ম মুক্তিসাধক বুলি ভক্তি ধৰ্মলৈ আকৰ্ষিত কৰাৰ দৰে এইদৰে কৈছে। কিন্তু যেতিয়া ভক্তজনে ভগবৎ ভক্তিয়ে সৰ্বস্ব বুলি উপলব্ধি কৰিব, হৰি নাম ৰসসাৰ পান কৰি ভগবৎ প্ৰেমত নিজক এৰি দিব, তেতিয়া তেৰাৰে প্ৰধান শিষ্য অভিন্ন আত্মাবৰাৰপো মাধৱদেৱৰ উক্তিত সুৰ মিলাব—

"মুক্তিকো নিস্পৃহ যিটো সেই ভকতক নমো
ৰসময়ী মাগহো ভকতি।"

আকৌ

"পিয়ু পিয়ু ভাই ভাৱকসকল হৰি নাম
ৰস সাৰ।
যাক পাই মহা মহন্তে কৰয় মুকুতিকো পৰিহাৰ ॥"

ভগৱন্তৰ একান্ত ভকতসকলৰ মুক্তি হবই। কিন্তু তেওঁলোকে ভগৱন্তৰ কীৰ্ত্তন কৰি যি অমিয়া মাধুৰী পান কৰে তুলনাত মুক্তিক তুচ্ছ বুলি ভাৱে। এই ক্ষেত্ৰত সাহিত্যৰথী লক্ষীনাথ বেজবৰুৱাৰ 'ঈশ্বৰ আৰু ভকত' কবিতাটোলৈ অঙুলিয়াব পাৰি। কবিতাটোৰ কেন্দ্ৰস্থ ভাৱ হ'ল ভগৱন্তৰ নাম লৈ থকা ভকতসকলক ভগৱন্তই বৈকুণ্ঠলৈ নিজৰ ওচৰলৈ মাতিছে। ভকতসকলে তেতিয়া সম্বিধান দিছে যে তেওঁলোকে যাব নোৱাৰে কাৰণ এতিয়া তেওঁলোক ভগৱানৰ নাম ৰস পান কৰি আছে। তেতিয়া ভগৱন্তই নিজে ভকতসকলৰ ওচৰলৈ নামি আহিল। ইতি শম্।

"আন্ধাৰত তই থাকিবি কিয়নো—
জগত পোহৰ হল—
জগতত সোঁৱা যশ বিয়পিছে
তোৰ দুৱাৰ বন্ধ হ'ল।"
জ্যোতিপ্ৰসাদ আগৰৱালা।



কবিতা



"........... কবিতা মানৱৰ মৌন হিয়াৰ ব্যাথা, বেদনাৰ অনুভূতিৰ মুৰ্ত্ত বিকাশ। 'ৰসো বৈ সঃ'—এই সৌন্দৰ্য্য ৰসত প্ৰতিষ্ঠিত কৰি অন্তৰতহে প্ৰকৃত কাব্যই ৰূপ পায়। প্ৰকৃত কবিচিত্ত সমাহিত হৈ থাকে এখন অনুভূতিময় কল্পনাময় জগতত। সেই কল্পলোকখিনি স্থূলময় জড় জগতৰ বহু উৰ্দ্ধত। দোলায়মান মানৱ চিত্ত মুহুৰ্ত্তে মুহুৰ্ত্তে স্থূল আৰু সুক্ষ্ম জগতত বিচৰণ কৰে। সাধনাময় কবিচিত্ত সাধাৰণতে কল্পনাময় জগততেই দিনৰ সৰহভাগ অৱস্থান কৰে। কবিৰ ভাৱময় কল্পলোকতেই বিশ্ব সত্যৰ পোহৰ পৰে। কবিয়ে অনুভূতি আৰু ভাৱ ছন্দেৰে সেই সত্য প্ৰকাশ কৰিবলৈ কাব্যৰ আশ্ৰয় লয়।"

কবিতা

কবিতা

# কবিতা

" কবিতা কি আৰু কবিতা লিখা হয় কিয় দুয়োটা প্ৰশ্নই সমানে তৰ্কসাপেক্ষে বিভিন্ন জনৰ বিভিন্ন মত। তথাপি দেখা যায়, প্ৰত্যেকৰে দৃষ্টিভংগীয়ে গঢ় লৈ উঠিছে, তিনিটা সম্ভাব্য লক্ষ্যবস্তুৰ যি কোনো এটাক কেন্দ্ৰ কৰি। সেই লক্ষ্যবস্তু তিনিটা হল আনন্দৰ উপলব্ধি সৌন্দৰ্য্যৰ উপভোগ আৰু নীতিৰ চেতনা।"

দৈনন্দিন জীৱনত আমি ৰস বুলিলে বুজোঁ বস্তুৰ সোৱাদ বা জুতি টেঙা, তিতা, মিঠা ইত্যাদি। ইবিলাকৰ প্ৰত্যেকটোৱেই ৰসনাৰ তৃপ্তি আনে। ঠিক তেনেকৈ কবিতাৰ ৰস হ'ল কথাৰ সোৱাদ কৰুণ বীভৎস, ধেমেলীয়া ইত্যাদি। ইবিলাকৰো প্ৰত্যেকটোৱেই কাব্য পাঠৰ এক অনিৰ্বচনীয় আনন্দৰ যোগান ধৰে। আপোন মনৰ মাধুৰী সানি কবিয়ে প্ৰকাশ কৰা ব্যক্তিগত অভিজ্ঞতাৰ বিশ্বজনীন সংক্ৰমন ক্ষমতাই ৰস।"

# কবিতা

কবিতা

## স্পৰ্শ কৰা মোক

শ্ৰীঅৰুণ চৌধুৰী
স্নাতক ১ম বাৰ্ষিক (ক'লা)

ফুল কোমল,
এচেৰেঙা জোনাকে
লাজুক ভাবেৰে
হাঁহটি মাৰিলে।
চেতনাত কঁপি উঠিল
—মোৰ হৃদয়ত
বিস্ময় অনুভৱ !
কাৰ উৰণীয়া সুবাসে আজি
মনে মনে দি গ'ল
এখনি ৰঙীন চিঠি !
আবেগে সেমেকাই তোলা
এবুকু মৰমৰ ভাঁজত
সেয়া জানো তুমি ?
সুৰেৰে সজা সেন্দুৰী আলিত,
হৃদয়ে সাঁচি থব খোজে
নিজান প্ৰেমৰ লাজুক স্মৃতি ;
তোমাৰ লিহিৰি হাতেৰে
এবাৰ মোক স্পৰ্শ কৰা।



## এটি সূৰ্য্যৰ সন্ধান

শ্ৰীবাবুল দত্ত
স্নাতক দ্বিতীয় বাৰ্ষিক (ক'লা)

আকাশত এটি
সাগৰত এটি
আৰু দূৰৰ পাহাৰত ইমানবোৰ নীলা,
মই আগতে দেখা নাছিলো।
শুনাও নাছিলো
পুৱতি তৰাৰ উচুপনি
মই কোনো দিন
অনুভৱ কৰা নাছিলো
ইমান ভিৰত মোৰ অস্তিত্ব।
এই আন্ধাৰ দুৰ্গম পথেৰে
মই কোনো দিন অহা নাছিলো,
স্মৃতিৰ ডায়েৰী খুলি
অতীতৰ দিনবোৰ যিমানেই চাওঁ
আন্ধাৰত অস্পষ্ট আখৰবোৰ,
জুমি জুমি চাই ভাগৰি পৰো।
মোৰ এতিয়া পোহৰৰ বৰ প্ৰয়োজন
মোক এটি সূৰ্য্যৰ সন্ধান লাগে—
এটা নতুন সূৰ্য্যৰ সন্ধান ॥



## সময়ৰ সোঁত ......

চৈয়দ কহুল ইছলাম
স্নাতক ১ম বাৰ্ষিক

কালি কালি কৰি
আঁতৰিল সময়ৰ বেলি
নিয়ৰৰ সিক্ত স্থুৰৰিত
নৱ জীৱনৰ পদধুলি।
আহিল সময়ৰ দূত
জীৱনৰ সমুদ্ৰ তলিত
পাৰ হ'ল সময়ৰ নীৰ
ভাবিলে কঁপি উঠে শিৰ।

জীৱনৰ এই মহা সমুদ্ৰত
বুতলিলোঁ তলশৰা শেৱালি,
উৰি গ'ল সময়ৰ বেলি
আহিছিলোঁ জীৱন উজ্বলাম বুলি।
কত দিন কত ৰাতি
জ্বলাইছিলো আশাৰ ছাকি
ৰাখিছিলো সপোনেৰে ঢাকি
ৰৈ গ'ল আৰু কত কাম বাকী।
উৰিলে সজাৰ পখী
পৰি ৰল সমুদ্ৰৰ জলৰাশি,
নীৰস শুকান ওঠ স্ফুটিত
ৰচিছিলো জীৱনৰ ক'ত গীত। ০



## ★ প্ৰজন্ম ★

দ্বীপেন কলিতা
স্নাতক তৃতীয় বৰ্ষ

আমি নতুন প্ৰজন্মৰ
নতুন প্ৰতীক
উৰ্বৰা ভূমিৰ কৰ্মনিষ্ঠ খনিকৰ।
আমাৰ লক্ষ্য ভৱিষ্যতৰ
ৰঙা সূৰ্য্যৰ পিনে—
আমি জানো
ৰাতি যিমানে গভীৰ নহওক
অৰুণোদয় পূৱ আকাশত নিশ্চিত।
মই ৰবলুইত পাৰৰ কবি
মই ৰবলুইতৰ দুয়ো পাৰৰ
জীয়া মানুহৰ কবিতা ৰচোঁ।
এতিয়া মোৰ দেশৰ,
প্ৰতিজন খাটি খোৱা মানুহে
অনুভৱ কৰে এমুঠি অন্নৰ।
শ্ৰম কৰি ভালপোৱা
মানুহ জাক দিশহাৰা।
প্ৰতিজনে জানে গণতন্ত্ৰৰ সংজ্ঞা।







## ★ শকুন্তলা ★

শ্ৰীতপন শইকীয়া
স্নাতক ২য় বাৰ্ষিক (কলা)

সন্নিবদ্ধ নয়নেৰে হেপাহ নপলাই
আবিমিশ্ৰিত সৌন্দৰ্য্য কণিকা।
অব্যাজ মনোহৰ আক্লিষ্ট কান্তিময়
ৰন্ধ্ৰে ৰন্ধ্ৰে যেন নৱমল্লিকা॥

অনাঘ্ৰাত পুষ্প, অনাস্বাদিত মধুৰে মণ্ডন
অনক্ষত নৱপত্ৰ আৰু ৰত্ন অনবিদ্ধা॥
ৰঙ চৰে শৰতৰ নিয়ৰত তিতি হোৱা
শেৱালী, পদুমৰ দৰে বিশুদ্ধা।

ইমান মাদকতা! ইমান কমনীয় সৌন্দৰ্য্য!
বল্কলেও জেউতি চৰাই ৰূপ!
মহাকৱিয়েও কয় শকুন্তলা বিধাতাৰ
চৰম সৌন্দৰ্য্য ভাৱনাৰ মূৰ্ত্তৰূপ॥

## ★ অন্ধকাৰ ভৱিষ্যত ★

শ্ৰীহিতেশ্বৰ দাস
একাদশ শ্ৰেণী

এই সংসাৰত ৰচিলো জীৱন গীতি,
সুখ দুখ সকলো সামৰি।
ঘাত প্ৰতিঘাতৰ মাজেৰে বোৱতী ধাৰাৰে
আছোঁ গৈ প্ৰবাহমান গতিত॥
আশা-নিৰাশাৰ ৰেখা মনত আঁকি,
ভৱিষ্যতলৈ আছোঁ আগুৱাই।
হঠাৎ কেতিয়াবা বিষাদিত মনে
চকুৰ নীৰ বোৱাই॥
জীৱন সংগ্ৰামত কত হা হুতাশ,
পূৰাবলৈ কৰোঁ হাবিয়াস।
বিষাদ ডাৱৰে ঢাকে জীৱন আকাশ
মনতে ৰৈ যায় মনৰ উল্লাস॥
কত দিন কত ৰাতি কত ঘাত প্ৰতিঘাত,
কত যে মৰণৰ হাহাকাৰ।
সংস্ৰ অতিক্ৰম কৰি মানবীয় জ্ঞানেৰে
সবাকো কৰো প্ৰতিকাৰ॥
এই বিশ্বত পালো কত বেজাৰ শোক,
কত বোৱালো চকুৰ নীৰ।
অসমীৰ ৰূপ তৃষ্ণা অসীমত বুৰ গ'ল,
অবনতি ঘটিল জীৱন নাটৰ॥

## কবিতা

# * দ্বিধা *

চৈয়দা আফ্‌ৰুজা বেগম
স্নাতক প্ৰথম বাৰ্ষিক

এনেকৈয়ে থাকে দুখবোৰ
কামিহাড়ত অথবা
ভোটাৰ দাখনত।
ছমুনিয়াহবোৰ ধুমুহা হৈ
বহাগৰ
ঋতুৰা শীতল কুঁৱলী
ৰ'দালিয়ে শুহি লোৱা।
কোনে মচিব দুখবোৰ?
ধাৰাল দাখনে
নে,
কামিহাড়ৰ বজ্ৰই?



# "স্বাগতম্ বিষ্ণুৰাভা"

শ্ৰীশংকৰ কলিতা
উচ্চতৰ মাধ্যমিক
১ম বাৰ্ষিক (কলা)

হে বিষ্ণুৰাভা!
তুমি আকৌ অহা
সাম্যৰ তুলিকা লৈ
মেহনতী জনতাৰ মাজলৈ
গণমুক্তিৰ ছবিটো আঁকিবলৈ।

প্ৰকৃতিৰ দানৱ বোৰক
ধ্বংস কৰিবলৈ
হাতত তুলি লোৱা "ষ্টেনগান"
মুক্ত সংস্কৃতি গঢ়িবলৈ
কণ্ঠ শোণিত ঢালি গাবা
তুমি জুই লগা তেজৰ গান।

সাম্প্ৰদায়িকতাক উৎখাত কৰিবলৈ
বাইজৰ বুকুত
আকৌ তাণ্ডৱ নাচিবা তুমি
আনিবলৈ সম্প্ৰীতিৰ সূৰ্যটি
বজাবা চিফুং বাঁহীৰ সুৰ আকৌ।



# মোক একাজলী আশিস দিয়া

শ্ৰী[illegible]
স্নাতক তৃতীয় বৰ্ষ

কলিজাটো ভুকাল কৰিলে
দুহাত তেজেৰে ৰাঙলী হবই।
মানৱতাৰ চৰম দুৰ্যোগত
কেঁচা তেজৰ উৎকট গোন্ধত
কলিজাটোৰ ধপ্-ধপ্ নিত
ভূপৃষ্ঠত তীব্ৰ জোকাৰণি হবই।
মোক একাজলী আশিস দিয়া—
স্নিগ্ধ বতাহত সুবাস বিলাবলৈ।
অৰম আকলুৰা অন্তৰৰ স্নিগ্ধতাৰে
ভগা কলিজাটো জোৰা লগাবলৈ
সময়ৰ সেতু গঢ়িবলৈ,
শান্তিৰ কপৌজাক বতাহত উৰাবলৈ
সেউজী বসুন্ধৰাত উৰাবলৈ
প্ৰগতি নিচান—। ★

# ** অগ্নিকণা মই **

শ্ৰীবিপুল তালুকদাৰ
স্নাতক ২য় বৰ্ষ

সাৰশূন্য সংসাৰত,
তিল-তিলকৈ জীয়াই থকা
এক নিমাষিত প্ৰাণী মই।
আকৌ মৰুৰ মৰীচিকা খেদি
দিকভ্ৰান্ত হোৱা
তৃষ্ণাতুৰ পথিক মই।
মানুহৰ হাড়ে হিমজুৰে
বিপ্লৱৰ অগনি জ্বলোৱা
এজন বীৰ শ্বহীদ মই।
আকৌ, অন্যায় যুদ্ধত
কৌৰৱ পৰাস্তকাৰী
ন্যায়ৰ গাণ্ডীৱধাৰী অৰ্জুন মই।
বিভেদ, আনিব খোজা
প্ৰগতিক বাধা দিয়া
একমাত্ৰ সংগ্ৰামী মই,
আকৌ, উল্কাপিণ্ডৰ দৰে
তনলৈ ধাবিত হোৱা
অগ্নিযুগৰ এটি অগ্নিকণা মই॥ ★

# ব্যৰ্থ জীৱন

শ্ৰীঅৰূপ কুমাৰ দাস
একাদশ শ্ৰেণী

বেদনাই আজি উচুপে নীৰৱে
কল্পনাৰ কাৰেং সাজোঁ মনে মনে,
ব্যৰ্থ হ'ল মোৰ কল্পনা
কাৰোবাৰ প্ৰচণ্ড ★
শিল হৃদয়ৰ
পৰশত।
ব্যৰ্থ জীৱনে মাথো আজি বিচাৰে
নিসংগতা নীৰৱতা, ভয়ৰহস্য।
জীৱনৰ অন্তিম মহূৰ্তত
কাৰোবাৰ এটুপি
চকুপানী, মোৰ
জীৱনৰ
সাৰ্থকতা।



# ● এটি বিপ্লৱৰ গান ●

দীপক কলিতা (দ.লু)
স্নাতক দ্বিতীয় বৰ্ষ

এটি বিপ্লৱৰ গান লিখিবলৈ বুলি
লওঁ মই হাতত কলম।
এই গান, এই কবিতাত নৌৰ
নাই ছন্দোৱদ্ধতা, নাই কোনো অলংকাৰ
আছে মাথো AK-47, A-K 56 ৰ দৰে
স্বয়ংক্ৰিয় আধুনিক অস্ত্ৰৰ,
কট্-কট্ তীক্ষ্ণ বুলেটৰ আঘাত।
মোৰ গানত পুঁজিপতিৰ গুণ-গান নাই,
আছে সমাজৰ অন্নহীন, বস্ত্ৰহীন,
শোষিত জনগণৰ মনৰ অক্লান্ত ক্ষোভ।
শাসক শ্ৰেণীৰ নগ্নতা, ভীৰুতাই,
আজি আমাক কৰি তুলিছে লাঞ্চিত,
যাৰ বাবে আমি আজি আকৌ ভাবিব
লগা হৈছে মাও চে-তুং, লেলিন, ষ্টেলিন
হওঁক জন্ম দিয়াৰ।
আজি বিশ্বৰ প্ৰান্তে-প্ৰান্তে পুঁজিপতিৰ
কালধ্বংসী বীজে,
সৰ্বহাৰাক কৰি তুলিছে জৰ্জৰিত,
ৰাষ্ট্ৰৰ চৰকাৰ নামৰ পুঁজিপতিৰ
দালালি অনুষ্ঠানবোৰে,
বিশ্বধ্বংসী অস্ত্ৰলাভৰ উন্মাদনাত
আমাৰ ওপৰতে চলাইছে নিধন যজ্ঞ।
এই উন্মাদনা, গুলিয়ালিয়ে,
জনগণক আজি বাধ্য কৰাইছে
হাতত স্বয়ংক্ৰিয় ৰাইফল তুলি লবলৈ।
মোৰ গানে তেওঁলোকৰে গান গাব,
গাই আছিল আৰু যুগ যুগলৈ
গাই থাকিব।



# সিহঁত আহিছে

ইবামনি শৰ্মা
স্নাতক প্ৰথম বৰ্ষ (ক'লা)

ন্ধ, ... ...
শুনিছানে সুদূৰত মুক্তিকামী জনতাৰ কলৰোল
অন্ন-বস্ত্ৰৰ বাবে সিহঁতে
হাতত তুলি লৈছে ষ্টেনগান।
, পাৰিবনে সিহঁতে
দেশদ্ৰোহী, পদলেহনকাৰীহঁতৰ
ৰক্তাঘৰীয়া শোষণ ধ্বংস কৰিব ?
জননীৰ শত সন্তান আজি
গেলিব ধৰিছে নৰ্দমাত
নাইবা জাবৰৰ দ'মৰ তলত।
াৰিবনে সিহঁতে,
ক'ত পুত্ৰহাৰা মাতৃৰ, ভাতৃহাৰা ভগ্নীৰ
স্বামীহাৰা পত্নীৰ চকুলো মচিব ?
াৰিবনে, শোষকৰ গগণ চুম্বী
অট্টালিকাবোৰ ভাঙি চুৰ্মাৰ কৰিবলৈ ?
অগ্ৰজ শ্বহীদৰ আদৰ্শক
জীয়াই ৰাখিবলৈ পাৰিবনে সিহঁতে ??



# আস্থান

শ্ৰীচন্দন শৰ্মা
স্নাতক ২য় বৰ্ষ

ঘোলাপানীৰ অন্তৰ ভেদি
স্মৃতিৰে বৈ
বিচাৰো এক স্বচ্ছতাৰ আস্থান।
যত আভ্যান্তৰৰ পুৱা
এক পৰিস্ফুত ছবি দেখোঁ।
যি ছবি পূৰ্ববৰ্তী
আজোককাৰ হাতোৰাৰ কুচিন,
এখনি সৌষ্ঠৱ মুখ,
আৰু একেই সৃষ্টিৰ গতি।
যত দুস্প্ৰাপ্য আছিল
হিংসাৰ জুই অমানসিকতা,
আৰু কৃত্ৰিমতাৰ উত্তাওলি।
তেতিয়াও আছিল সূৰ্য্যৰ
ৰঙীন পোহৰ
কৰ্মভাৰ সুঠাম দেহ
এতিয়া কিন্তু "পোহৰ"
সভ্যতাৰ পোহৰত
অটল গহ্বৰত।
সভ্যতাৰ লগে লগে
জাৰৰ প্ৰকোপ
আৰু তেজৰ প্ৰকোপ
নিস্তেজ চকুহালৰ মাজত
এখনি পৃথিৱী, আমাৰ,
যত মানুহৰ হাঁহিৰ ৰেঙণিয়ে
উজলাই এন্ধাৰৰ দন্তালি।
নতুনত্বৰে গঢ়া এক ৰঙীন প্ৰতিচ্ছবি। ✻



# বিভীষিকা

শ্ৰী[illegible] শৰ্মা
স্নাতক ১ম বাৰ্ষিক (কলা) শাখা

আজি অসমৰ আকাশে বতাহে,
চৌপাশে দেখোঁ মাথো হত্যাৰ বিভীষিকা।
তুমি দেখিছা, ময়ো দেখিছোঁ
একালে অৰ্ধ-কংকালসৰ কুৎচিত (অট্টহাস্য)
আনফালে মাতৃৰ কোলাত নৱজাত শিশুৰ ক্ৰন্দন।
কোনোবে এটুকুৰা ৰুটিৰ বাবে
হাহাকাৰ কৰিব লাগিছে চৌপাশে আৰু ... ... ... ... ... ...
আনফালে বিভৎস হাস্য কৰি
কোনোবে খাব লাগিছে, শোষিত, নিষ্পেষিত জনতাৰ
বুকুৰ কলিজা।
... ... ... ... ... ... ॥
সোঁৱা চোৱা, নৰ্দমাত পৰি থকা কিঞ্চিত আহাৰৰ বাবে
টনা-আজোঁৰা লাগি পৰিছে সিহঁতৰ মাজত।
তুমি জানো তাৰ উচিত সমিধান দিব পাৰিবা?
নহি, তুমি নোৱাৰিবা;
কিয় জানানে?
(কাৰণ) তুমিও সেইখন দেশৰেই নাগৰিক,
যিখন দেশ ঠগ, প্ৰৱঞ্চক, বৰ্বৰ, নৰৰূপী জানোৱাৰৰ দেশ
সেয়ে মোৰ মন হৈ পৰে বিপ্লৱী, সংগ্ৰামী,
নৰৰূপী কুকুৰবোৰক নিঃশেষ কৰি দিবলৈ।
নোৱাৰো অকলে, তুমিও আহা,
একেলগ হৈ ধ্বংশ কৰি যাওঁ
বলিয়া কুকুৰৰ ভুক ভুকনি।
মাতৃক সজাই তোলে ন-কৈ;
যʼত নাথাকিব কোনো হিংসা, দ্বেষ, কপটতা, ধৰ্মান্ধতা,
আৰু নাথাকিব কোনো বিভীষিকা ॥

* * *



# মহাবিদ্যালয় সপ্তাহৰ জিলিকণি



যাৰ গানে মানুহক বলীয়া কৰে
শ্ৰীলিপিকা পাঠক
বছৰৰ শ্ৰেষ্ঠা গায়িকা



কবিতাই যাৰ মন কপাই তোলে
শ্ৰীপ্ৰণীতা কলিতা
অসমীয়া আৰু ইংৰাজী কবিতা
অবৃত্তিত বছৰৰ শ্ৰেষ্ঠ।



যাৰ অভিনয়ে দৰ্শকক হুহুৰাই আৰু কন্দুৱাই
শ্ৰীলোহিত দাস
বছৰৰ শ্ৰেষ্ঠ অভিনেতা



বছৰৰ শ্ৰেষ্ঠ সমাজ কৰ্মী



যুক্তিৰে যাক বলে নোৱাৰি ---
শ্ৰীদ্বীপেন কলিতা
বছৰৰ শ্ৰেষ্ঠ তাৰ্কিক



খেলাই যাৰ কৰ্ম -------
শ্ৰীৰাতুল চন্দ্ৰ কলিতা
বছৰৰ শ্ৰেষ্ঠ বেডমিণ্টন আৰু ক্ৰিকেট খেলুৱৈ



বছৰৰ শ্ৰেষ্ঠ ভলীবল খেলুৱৈ
তফিকুল ইছলাম



খেলাই যাৰ প্ৰতিভা -----
শ্ৰীপ্ৰতিভা ডেকা
বছৰৰ শ্ৰেষ্ঠা কেৰম আৰু বেডমিণ্টন চেম্পিয়ন



একেৰাহে তিনিবাৰ ৰঙিয়া কলেজৰ
শ্ৰেষ্ঠ খেলুৱৈ
মঃ অহাবুল্লা আলী আহমেদ



খেলাই যাৰ প্ৰেৰণা যোগাই -----
চৈয়দা কমিনা বেগম
বছৰৰ শ্ৰেষ্ঠা খেলুৱৈ



কুমাৰী নৱনিতা বৈশ্য
আফৰুজা বেগম
কেৰম চেম্পিয়ন (ডাবলছ)



শ্ৰীসত্যশংকৰ শৰ্মা
বছৰৰ শ্ৰেষ্ঠ মাৰ্চেলাৰ

# ভিন্ন কলম



ভিন্ন কলম



# অন্যান্য বিষয়

সংগ্ৰাহক
গৌতম মহন্ত
স্নাতক ৩য় বাৰ্ষিক (কলা)

শিৰোনামাত যিটো বিষয়ে অৱতাৰণা কৰিবলৈ গৈছো সেয়া অতিৰঞ্জিত, অবিশ্বাস্য যেন লাগিব সেইটো সঁচা; কিন্তু এইবোৰ বিচিত্ৰ ঘটনা এইখন পৃথিৱীতে ঘটা চিৰ-সত্য ঘটনাৰ সত্য উদাহৰণহে। যিবোৰ আছিল স্বাভাৱিক জীৱন যাত্ৰাৰ ব্যতিক্ৰম সামাঞ্জস্য।

## সংখ্যা তত্ত্বৰ দৃষ্টিত

## ইন্দিৰা গান্ধী আৰু সংখ্যা ছয়

ইন্দিৰা গান্ধীৰ জীৱনৰ প্ৰভাবিত সংখ্যা "৬"।

নাম ইন্দিৰা (INDIRA), উপাধি গান্ধী (GANDHI) স্বামী ফিৰোজ গান্ধী (FEROZE), বোৱাৰী মেনেকা (MENAKA), পুত্ৰ সঞ্জয় (SANJAY), শিশুকালৰ প্ৰিয় অভিনেত্ৰী জে'নি (JEANNE) নায়িকাৰ দেশ ফ্ৰান্স (FRANCE) এইবোৰ প্ৰত্যেকতে ছয়তাকৈ বৰ্ণ আছে। ইন্দিৰা গান্ধীয়ে ৬টা ভাষা কব পাৰিছিল। পিতৃ জৱাহৰলাল নেহেৰু (JAWAHARLAL NEHRU), আদি প্ৰত্যেকতে ১৫ টা (১+৫=৬) কৈ বৰ্ণ আছে। তেওঁৰ তেজৰ গ্ৰুপ 'O'। এইটো ইংৰাজী বৰ্ণমালাৰ ১৫ তম বৰ্ণ (১+৫=৬)। ভাৰতীয় কংগ্ৰেছৰ সভানেতৃ হৈছিল ১৯৫৯ চনত (১+৯+৫+৯=২৪; =২+৪=৬) সভানেত্ৰী হোৱাৰ সময়ত তেওঁৰ বয়স হৈছিল ৪২ বছৰ। (৪+২=৬)। ভাৰতৰ প্ৰধান মন্ত্ৰী হৈছিল ১৯৬৬ চনত। শেষৰ সংখ্যা দুটা ৬। এটা শতিকাত এনে সংখ্যা এবাৰহে আহে। প্ৰধানমন্ত্ৰী হোৱা দিনটোৰ তাৰিখ আছিল ২৪ জানুৱাৰী (২+৪=৬)। সবাতোকৈ সংখ্যা গৰিষ্ঠভাৱে বিজয়ী হৈছিল ১৯৭১ চনত (১+৯+৭+১=১৮)। তেওঁ নিৰ্ব্বাচনত এবাৰেই পৰাজিত হৈছিল ১৯৭৭ চনত (১+৯+৭+৭=২৪; ২+৪=৬)।

নিৰ্ব্বাচনত পৰাজিত হোৱা সময়ত বয়স আছিল ৬০ বছৰ (৬+০=৬)। পুনৰ ক্ষমতালৈ উভতি আহে ১৯৮০ চনত (১+৯+৮+০ =১৮; ৬+৬+৬=১৮)। ১৯৮০ চনত নিৰ্বাচনত দুই তৃতীয়ংশ আসনত প্ৰতিদণ্ডিতা কৰিছিল। শতকৰা ৬৬.৬০।

তেওঁৰ পুত্ৰ সঞ্জয় গান্ধীৰ মৃত্যু হৈছিল জুন মাহত (বছৰটোৰ ৬ষ্ঠ মাহ) আৰু চনটো ১৯৮০। প্ৰধান মন্ত্ৰী হিচাপে ১৫ বছৰ [১+৫=৬] দেশ শাসন কৰিছিল। প্ৰধান মন্ত্ৰী হিচাপে থকা বাসস্থান ১ চাফ্‌ডৰ্‌জং ৰোড (1 SAFDARJANG ROAD) ইয়াত '১' গাননিক সংখ্যা আৰু পাচৰ খিনিত ১৪ টা বৰ্ণ আছে (১+১৪=১৫; ১+৫=৬)।

প্ৰধান মন্ত্ৰীত্বৰ কাল চোৱাত সবাতোতকৈ কঠিন প্ৰত্যাহ্বানটো আছিল পঞ্জাব PUNJAB) সমস্যা। ইয়াত ৬টা বৰ্ণ আছে। খালিস্তান আন্দোলনৰ গুৰুত্বপূৰ্ণ ব্যক্তি জাৰ্নাইল সিং ভিন্দ্ৰেৱালে. (JARNAIL SHING BHINDRANWALE), যিজন সৈন্যবাহিনীৰ হাতত নিহত হয়। এওৰ নামটোত ২৪ টা বৰ্ণ আছে (২+৪=৬) মহাত্মাগান্ধীক হত্যা কৰা হৈছিল ১৯৪৮ চনত ইন্দিৰা গান্ধীক হত্যা কৰা হৈছিল ১৯৮৪ চনত। এই ১৯৪৮ আৰু ১৯৮৪ চন দুটিত ৪ আৰু ৮ সংখ্যা দুটি সাল সলনি কৈ বহিছে (৪+৮=১২, ৬×২=১২), দুয়োটি হত্যা-কাণ্ডৰ পাৰ্থক্য হ'ল ৩৬ বছৰ। (৬×৬=৩৬)। ইন্দিৰা গান্ধীৰ ৬৬ বছৰত বয়সত মৃত্যু হৈছিল, মৃত্যুৰ বাতৰি প্ৰচাৰিত হৈছিল সন্ধিয়া ৬ বজাত। তেওঁক বুলেটৰ (BULLET) দ্বাৰা হত্যা কৰা হৈছিল। ইয়াতো ৬ টা বৰ্ণ আছে। সমগ্ৰ ৰাষ্ট্ৰত শোক পালন কৰা হৈছিল ১২ দিন (৬+৬) মৃত্যুৰ আগমুহূৰ্ত্তত সাক্ষাৎ লোৱা শেষ ব্যক্তি গৰাকী হ'ল পিটাৰ উষ্টিনোভ (PETER USTINOV) নামটোত ১২ টা বৰ্ণ (৬+৬=১২) তেওঁ হালধীয়া ৰংটো ভাল পাইছিল (Yellow)। ইয়াতো ৬ টা বৰ্ণ। মৃত্যুৰ আগত ভ্ৰমণ কৰা শেষ ৰাজ্য খন হ'ল উৰিষ্যা (Orissa) ইয়াতো ৬ টা বৰ্ণ আছে।

### ব্যৱধান ১০০

আব্ৰাহম লিংকনৰ জন্ম হৈছিল ১৮১৮ চনত। আমেৰিকাৰ আনজন ৰাষ্টপতি কেনেডিৰ জন্ম ১৯১৮ চনত অৰ্থাৎ ১০০ বছৰ পিছত। লিংকনক হত্যা কৰা হৈছিল ১৯৬৩ চনত, কেনেডিক হত্যা কৰা হৈছিল ১৯৬৩ চনত। ব্যৱধান ১০০ বছৰ। লিংকন ৰাষ্টপতি হিচাপে নিৰ্বাচিত হৈছিল ১৮৬০ চনত, কেনেডি ৰাষ্টপতি নিযুক্ত হৈছিল ১৯৬০ চনত, ব্যৱধান ১০০ বছৰ। লিংকনৰ উত্তৰাধিকাৰী এন্ড্ৰিউ জনচনৰ জন্ম হৈছিল ১৮০৮ চনত আৰু কেনেডিৰ উত্তৰাধিকাৰী লিনডল জনচনৰ জন্ম হৈছিল ১৯০৮ চনত। লিংকনৰ হত্যাকাৰী জন উইলচ বুথৰ জন্ম হৈছিল ১৮৩৯ চনত কেনেডিৰ হত্যাকাৰী লি হাৰ্ভে অচ্'বাল্ডৰ জন্ম হৈছিল ১৯৩৯ চনত। ব্যৱধান ১০০ বছৰ।

### ব্যৱধান ১২৯ !

নেপোলিয়নৰ জন্ম হৈছিল ১৭৬০ চনত হিটলাৰৰ জন্ম হৈছিল ১৮৮৯ চনত। নেপোলিয়ন ক্ষমতাৰ আসন দশল কৰিছিল ১৮০৪ চনত, হিটলাৰে কৰিছিল ১৯৩৩ চনত। নেপোলিয়নে ভিয়েনা দশল কৰি ছিল ১৮০৯ চনত, হিটলাৰে কৰিছিল ১৯৩৮ চনত। নেপোলিয়নে ৰুচিয়াৰ যুদ্ধত জয়লাভ কৰিছিল ১৮১২ চনত, হিটলাৰে কৰিছিল ১৯৪১ চনত। নেপোলিয়ন পৰাজিত হৈছিল ১৮১৬ চনত, হিটলাৰ পৰাজিত হৈছিল ১৯৪৫ চনত। এই সকলো বিলাকৰ মাজত ব্যৱধান আছিল ১২৯ বছৰ।

### তিনি ! তিনি ! তিনি :

আমেৰিকাৰ যুক্তৰাষ্ট্ৰৰ ৩য় ৰাষ্ট্ৰপতি টমাছ জেফাৰছন। এও নিজৰ বংশৰ টমাছ নামধাৰী তৃতীয় ব্যক্তি। আৰু ৩ নং ল'ৰা তেওঁ তিনিখন শিক্ষানুষ্ঠানত শিক্ষা লাভ



কৰিছিল। ফৰাচী দেশৰ তেওঁ তৃতীয় ৰাষ্ট্ৰদূত। যুক্তৰাষ্ট্ৰত তেওঁৰ কাৰ্য্যকাল আছিল তিনি বছৰ। ১৭৯৬ চনত তেওঁ তিনিটা ভোটত হাৰে।

### আব্ৰাহম হেনৰী আৰু '৯'

ইংলণ্ডৰ হেনৰী নামৰ এইলোক জন ৯ জন ভাইককাইৰ এজন আছিল। তেওঁৰ দেউতাকো আছিল ৯ জন ভাই ককাইৰ এজন। মাতৃও ৯ জনী ছোৱালীৰ ৯ নং জনী। আব্ৰাহম হেনৰী ওৱেৰ নামৰ সংখ্যাও ৯ আৰু জন্ম দিয়া সন্তানো আছিল ৯।

### ৰিচাৰ্ড ওৱাগান আৰু ১৩

বিশ্ব বিখ্যাত সুৰকাৰ ৰিচাৰ্ড ওৱাগানৰৰ ১৩ সংখ্যাটো প্ৰায় জীৱনৰ লগৰী আছিল। তেওঁৰ জন্ম হয় ১৮১৩ চনত! সংখ্যাকেইটাৰ যোগফল হয় (১+৮+১+৩=১৩) তেৰ। তেওঁ ১৩ খন গ্ৰন্থ ৰচনা কৰিছিল। ১৩ বছৰ বয়সত তেওঁ বিয়া কৰাইছিল। ল'ৰা-ছোৱালী আছিল ১৩ টা। ১৩ ফেব্ৰুৱাৰীত তেওঁৰ মৃত্যু হৈছিল।

### উচ্চতাৰ ব্যৱধান :

বিশ্ব বিখ্যাত সম্ৰাট নেপোলিয়নৰ উচ্চতা আছিল ৫ ফুট ১ ইঞ্চি, জুলিয়াচ চিজাৰৰ উচ্চতা আছিল ৫ ফুট ২ ইঞ্চি, সম্ৰাট আলেকজেণ্ডাৰৰ উচ্চতা আছিল ৫ ফুট ৩ ইঞ্চি।

### চিৰ লগৰী তেৰ !

আৰ্ক-বিছপ মেকেৰয়ছৰ কাৰণে ১৩ সংখ্যাটো বৰ সৌভাগ্যৰ আছিল। তেওঁৰ দিনতেই ছাইপ্ৰাছখন বৃটিছ সাম্ৰাজ্যৰ ১৩ নং দেশ হিচাপে অন্তভুৰ্ক্ত হয়। তেওঁৰ জন্ম হৈছিল ১৯১৩ চনৰ ১৩ আগষ্টত। গ্ৰীচ দেশৰ নাগৰিক হয় ১৩ বছৰ বয়সত, পুৰুহিত জীৱন আৰম্ভ কৰে ১৯৪৬ চনৰ ১৩ নৱেম্বৰত আৰু বিছপলৈ পদোন্নতি হয় ১৯৫৮ চনৰ ১০ জুনত। তেওঁ গণতান্ত্ৰিক ছাইপ্ৰাছৰ ৰাষ্ট্ৰপতি হয় ১৯৫৯ চনৰ ১৩ নৱেম্বৰত।

### মংগলবাৰ !

১। ভাৰতৰ প্ৰয়াত প্ৰধানমন্ত্ৰী লালবাহাদুৰ শাস্ত্ৰীৰ জন্ম হৈছিল মংগলবাৰে। সৰুতে এদিন আইতাকৰ লগত গংগা নদীত গাধুই থাকোতে নদীৰ পানীত উটি গৈছিল। সৌভাগ্যক্ৰমে এজনী তিৰোতাই শিশু শাস্ত্ৰীৰ জীৱন ৰক্ষা কৰে। এই দিনটো আছিল মংগলবাৰ।

২। এটা মংগলবাৰে তেওঁ উত্তৰ প্ৰদেশৰ চৰকাৰৰ মন্ত্ৰী হয়।

৩। ১৯৪৭ চনৰ মংগলবাৰ এটাত তেওঁ কেন্দ্ৰীয় চৰকাৰৰ যোগা-যোগ মন্ত্ৰী হিচাবে কাৰ্য্যভাৰ গ্ৰহণ কৰে।

৪। ১৯৫১ চনৰ মংগলবাৰ এটাত তেওঁ ভাৰতীয় কংগ্ৰেছৰ সভাপতি হয়। ১৯৫৭ চনৰ এটা মংগলবাৰত তেওঁ ভাৰতৰ গৃহমন্ত্ৰী ৰূপে কাৰ্য্যভাৰ গ্ৰহণ কৰে। ভাৰতৰ প্ৰধান মন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে মংগলবাৰে। ৰাষ্ট্ৰপতি সৰ্বপল্লী ৰাধাকৃষ্ণনৰ পৰা "ভাৰত ৰত্ন" বঁটা গ্ৰহণ কৰে মংগলবাৰে। মংগলবাৰে তেওঁ ইহলীলা সম্বৰণ কৰে। ✱

# ★ সম্পাদকলৈ চিঠি ★

সম্পাদক ডাঙৰীয়া,

নমস্কাৰ গ্ৰহণ কৰিব। ৰঙিয়া মহাবিদ্যালয়ৰ মুখপত্ৰৰ জৰিয়তে মহাবিদ্যালয়ৰ অভাৱ অভিযোগৰ বিষয়ে মতামত অৱগত কৰা সুবিধাকণ দিয়াৰ বাবে মুখপত্ৰ সম্পাদনা সমিতিৰ সমূহ কৰ্মকৰ্ত্তা সমূহলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো।

গ্ৰন্থগাৰিক মহাশয়, মই জানিব পাৰিছো যে কলেজত পঢ়া ল'ৰা ছোৱালীৰ বাহিৰেও আইন ল'ৰা-ছোৱালীয়ে গ্ৰন্থগাৰৰ পৰা কিতাপ নিব পৰা সুবিধা আছে নেকি? যদি আছে সেই বিষয়ে জবাব বুলি আশাৰে বাট চাই থাকিলো।

শ্ৰীডিম্বেশ্বৰ চৌধুৰী
স্নাতক ৩য় বৰ্ষ

★ ★ ★ ★

প্ৰিয়

সম্পাদক ডাঙৰীয়া,

আন্তৰিক অভিনন্দন গ্ৰহণ কৰিব। মুকলি মুৰিয়াকৈ প্ৰশ্ন কৰাৰ সুবিধা দিয়াৰ বাবে ধন্যবাদ। মহাবিদ্যালয় আলোচনীখন ছাত্ৰ-ছাত্ৰীৰ সাহিত্যৰ প্ৰতিভা বিকাশৰ এটি সুন্দৰ পথ। কিন্তু আমাৰ মহাবিদালয়ত ছাত্ৰ-ছাত্ৰীৰ লিখনিতকৈ শিক্ষাগুৰু সকলৰ লিখনিক অধিক গুৰুত্ব দিয়া দেখা যায়। এনে কিয় হয় বাৰু? আনহাতে স্থানীয় বিধায়ক ডাঙৰীয়াই চাইকেল আস্থানৰ বাবে ১৯৯৪ চনতে কিছু টকা আগবঢ়াইছে। কিন্তু এতিয়ালৈকে চাইকেল আস্থানৰ কাম আৰম্ভই নহ'ল। কিয়? উক্ত বিষয় দুটাৰ ওপৰত অধিক গুৰুত্ব দিবলৈ কৰ্ত্তৃপক্ষ ও মহাবিদ্যালয় ছাত্ৰ সন্থালৈ অনুৰোধ জনালোঁ।

শ্ৰীপ্ৰদীপ দাস
স্নাতক ৩য় বৰ্ষ (বিজ্ঞান)



# ★ সম্পাদকলৈ চিঠি ★

সম্পাদক ডাঙৰীয়া,

নমস্কাৰ গ্ৰহণ কৰিব। ৰঙিয়া মহাবিদ্যালয় আলোচনীৰ জৰিয়তে ৰঙিয়া মহাবিদ্যালয়ৰ অভাৱ-অভিযোগৰ বিষয়ে মতামত দাঙি ধৰিবলৈ সুবিধাকণ দিয়াৰ বাবে আপোনালৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ।

ৰঙিয়া মহাবিদ্যালয়ৰ কোঠা, বাৰাণ্ডা আদি প্ৰায়েই লেতেৰা পেতেৰা হৈ থকা দেখা যায়। কোঠাবোৰত মকৰাৰ জাল আদিৰে ভৰ্ত্তি হোৱা স্বত্তেও ইয়াক পৰিস্কাৰ কৰা নহয়। এনেকৈ অপৰিস্কাৰ ৰখাত কলেজ কৰ্ত্তৃপক্ষৰ অৱহেলা নে কৰ্মচাৰীৰ অভাৱ?

চৈয়দ মজাহাৰুল ইছলাম
উঃ মাঃ ২য় বৰ্ষ :(কলা শাখা)

★ ★ ★

সম্পাদক ডাঙৰীয়া,

মুকলি মুৰীয়াকৈ প্ৰশ্ন কৰাৰ সুবিধাকণ দিয়াৰ বাবে আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ।

আমাৰ মহাবিদ্যালয়ৰ অৱস্থা সচাই বৰ দুখ লগা। আমাৰ মহাবিদ্যালয়ৰ গ্ৰন্থগাৰটো নামত আছে যদিওঁ তাত বিচাৰিলে কিতাপ নাপাই কিয়? নে থাকিলেও বিচৰাৰ অজুহাতত নিদিয়ে? মই অলপতে শিক্ষক এজনৰ পৰা শুনা মতে চা-চিনাকীৰ জৰিয়তে আমাৰ কলেজৰ বাহিৰৰ ছাত্ৰ-ছাত্ৰীয়ে হেনো কিতাপ পাই আছে। গ্ৰন্থগাৰৰ কাৰ্ড নোহোৱাকৈ বা মহাবিদ্যালয়ৰ লগত সম্পৰ্ক নোহোৱাকৈ বাহিৰা ল'ৰা ছোৱালীয়ে কি দৰে কিতাপ পাই থাকে। এইটো বৰ আচাৰ্য্য জনক কথা। মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ নিৰবতা অৱলম্বন কৰাত সঁচাকৈয়ে মই আচৰিত নহৈ নোৱাৰিলো।

শ্ৰীমনোজ চন্দ্ৰ মহন্ত
স্নাতক তৃতীয় বৰ্ষ (কলা)

# ঃ নীতিজ্ঞান ঃ

★ তিনিজন উপকাৰীৰ উপকাৰ পৰিশোধ কৰা কঠিন
পিতা মাতা, অভিভাৱক আৰু গুৰুজন।

★ তিনিজনৰ সংগ পৰিত্যাগ কৰা উচিত
জুৱাৰী, মদাহী, আৰু ব্যভিচাৰী।

★ তিনিটা বস্তু নিজৰ অন্তৰৰ পৰা মচি পেলোৱা
লোভ, খং আৰু দ্বেষ।

★ তিনিটা সদায় নিজৰ কৰি লোৱা
সত্য, ধৰ্ম আৰু সদাচাৰ।

★ তিনিটা গুণ আয়ত্ত কৰি লোৱা
ধৈৰ্য্য, সৰলতা আৰু ভদ্ৰতা

★ তিনিটা বস্তু নাচাবা
নিজৰ গুণ, আনৰ দোষ আৰু দুষ্টৰ মহত্ব।

★ তিনিটাই মহান কৰে
যিয়ে ধন পায় গৌৰৱ নকৰে
ধন হেৰুৱাই দুখ নকৰে, আৰু
আনৰ ধন দেখি লোভ নকৰে।

★ তিনিটা কথা নেপাহৰিবা
প্ৰতিজ্ঞা পূৰণ কৰিবলৈ
ঋণ পৰিশোধ কৰিবলৈ
আশা দি কাম কৰিবলৈ।

★ তিনিটাই কামত আহে
বিপদত বন্ধু, প্ৰয়োজনত ভাই আৰু যুদ্ধক্ষেত্ৰত বীৰ।

সংগ্ৰহ—শ্ৰীঅশোক শৰ্মা
স্নাতক ১ম বাৰ্ষিক (কলা)
বৰঙিয়া মহাবিদ্যালয়



# ঃ প্ৰশ্নোত্তোৰ ('কুইজ') ঃ

প্ৰঃ পৃথিবীৰ আটাইতকৈ প্ৰাচীন বিধান মণ্ডলটোৰ নাম কি ?
উঃ আয়াৰলেণ্ডৰ এলথিং।
প্ৰঃ প্ৰথম অসমীয়া পত্ৰ সাহিত্যৰ নিদৰ্শন কি ?
উঃ ৰুক্মীনিয়ে দিয়া শ্ৰীকৃষ্ণলৈ পত্ৰখন।
প্ৰঃ "এ,পেচেজ,টু ইংলেণ্ড" কোনে ৰচনা কৰিছিল ?
উঃ নিৰোদ চি চৌধুৰী।
প্ৰঃ জাপানী সকলে নিজ দেশক কি বুলি কয় ?
উঃ নিপপন অৰ্থাৎ সূৰ্য্যদয়ৰ দেশ।
প্ৰঃ বায়ুমণ্ডলৰ সমৃদ্ধ সৌৰজগতৰ এটা উপ-গ্ৰহ আছে। উপগ্ৰহটোৰ নাম কি ?
উঃ টাইটান।
প্ৰঃ অসমৰ প্ৰথম ডক্টৰেট কোন ?
উঃ মইদুল ইছলাম বৰা।
প্ৰঃ অসমৰ প্ৰথম মহিলা স্নাতক কোন ?
উঃ শ্ৰীমতী শান্তিলতা দুৱৰা।
প্ৰঃ অসমৰ প্ৰথম মহিলা মন্ত্ৰী গৰাকীৰ নাম কি ?
উঃ মেডিচ ড্যান।
প্ৰঃ অসমৰ প্ৰথম পানী জাহাজ কিনোতা কোন ?
উঃ মানিক চন্দ্ৰ বৰুৱা।
প্ৰঃ ড: বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য কোন খন গ্ৰন্থৰ বাবে সাহিত্য একাডেমী পুৰস্কাৰ পাইছিল ?
উঃ ইয়াৰু ইঙ্গম।
প্ৰঃ নাট্যকাৰ ভবেন বৰুৱাই সাহিত্য একা-ডেমী পোৱা গ্ৰন্থখনৰ নাম কি ?
উঃ সোনালী জাহাজ।
প্ৰঃ সৌৰভ কুমাৰ চলিহাই কোনখন গ্ৰন্থৰ বাবে সাহিত্য একাডেমী পুৰস্কাৰ পাইছিল ?
উঃ গোলাম।
প্ৰঃ কেৰলীয়া কবি বুলি অসমৰ কোন জন কবিক কোৱা হয় ?
উঃ যতীন্দ্ৰ নাথ দুৱৰা।
প্ৰঃ অসমীয়া কৃষ্টি বিহুগীতত বাঁহী সদৃশ এবিধ বাদ্য বজোৱা হয়। বাদ্য বিধৰ নাম কি ?
উঃ "সুতুলী"
প্ৰঃ প্ৰথম অসমীয়া গদ্য লিখক কোন ?
উঃ ভট্টদেৱ।
প্ৰঃ ভাৰতীয় মান, সময় আৰু গ্ৰীক উইচ মান, সময়ৰ মাজত পাৰ্থক্য কিমান ?
উঃ ৫½ ঘণ্টা।
প্ৰঃ কোনজন বিশ্ব বিখ্যাত সম্ৰাটে এখন দেশত জন্ম গ্ৰহণ কৰি এখন দেশত মৃত্যু বৰণ কৰি আৰু এখন দেশত সমাধিস্থ হয় ?
উঃ আলেকজেণ্ডাৰ। গ্ৰীচত জন্ম, ভাৰতত মৃত্যু আৰু আৰবত সমাধিস্থ হয়।
প্ৰঃ প্ৰথম অসমীয়া ৰাজ্যপাল কোন ?
উঃ বিষ্ণুৰাম মেধি।

সংগ্ৰাহক
শ্ৰীউমেশ কুমাৰ ডেকা
স্নাতক ১ম
শ্ৰীপাৰুল গোস্বামী
স্নাতক তৃতীয়
চৈয়দ খাইৰুল হক চৌধুৰী
স্নাতক তৃতীয়

# কৌতুক

শ্ৰীহৰি চন্দ্ৰ কলিতা
স্নাতক ৩য় বৰ্ষ (কলা)

এদিনাখন ৰাস্তাত দুজন কলাৰ মুখা-মুখী হ'ল

প্ৰথম ক'লা—ঐ তই ক'ত যা ঐ ?
দ্বিতীয় ক'লা—মই বজাৰত যাওঁ ৰ।
প্ৰথম ক'লা—এ যা তেনেহলি তই বজাৰত যাবি বুলিহে ভাবিছিলো মই।

এজন গোৱালে এঘৰ বাবুৰ ঘৰত সদায় একপোৱাকৈ গাখীৰ দিয়ে। এদিনাখন হঠাৎ গাখীৰত এটি সৰু পুঠিমাছ পালে পিছদিনা বাবুয়ে গোৱালক সুধিলে যোৱা কালি গাখীৰত এটি পুঠিমাছ পাইছো।
গোৱাল :—একপোৱা গাখীৰত কি পুঠিমাছ নাপায় ৰৌ মাছ পাব নেকি ?

এদিনাখন এজন অচিনাকী মানুহে ৰাস্তাৰ কাষৰ দোকানীজনক সুধিলে—
অচিনাকী :—হেৰা, এই ৰাস্তাটো কলৈ যায় ?
দোকানী :—বাবু। দিনত হলে ইয়াতে থাকে। ৰাতি ৮ টাৰ পিছত কলৈ যায় নাজানো।

# শ্বায়েৰী

ভাগ্য ডেকা
স্নাতক ২য় বৰ্ষ

"তুনে কিয়া ন য়াদ কভী ভুল কৰ হমে
হমনে তুম্ হাৰী য়াদ মেঁ সব কুছ ভুল দিয়া।"
(ভুলতেওঁ কিয় মনত নপৰিল তোমাৰ মোলৈ নেজানিলো, মই দেখোন তোমাক সুঁৱৰিয়েই সকলো পাহৰিলোঁ।)

"জখম মিলা ফুলোঁছে মিলা
কাটোঁছে শিকায়ত কৌন কৰে,
জ' গম মিলা, আপনোঁছে মিলা
গোঙ্গৰোঁছে শিকায়ত কোন কৰে।"

(যি আঘাট পালো সেয়া ফুলৰ পৰাই, কঁাইটে মই দুষিবলৈ নাযাওঁ। বেদনা খিনিও আপোনজনৰ পৰাই পালো—আনক নো কিয় দোষ দিওঁ)

"অপনী তবাহিয়োকা মুঝে কোই গম নহী, তুমনে কিখিকে মাত মহব্বং নিভাজো দী।"
(মোৰ ধ্বংসত মোৰ কোনো দুখ নাই। তুমিতো এজনক ভাল পালা।"



# উপ-সভাপতিৰ প্ৰতিবেদন ঃ



প্ৰতিবেদনৰ আৰম্ভণীতে সেউজ সোনালী শস্য শ্যামলা অসমৰ জাতীয় মুক্তি বিপ্লৱৰ হকে স্বদেশ তথা বিদেশ ভূমিত প্ৰাণ আহুতি দিয়া মৃত্যুঞ্জয়ী জাতীয় বীৰ শ্বহীদ সকলক শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছোঁ। লগতে যিসকল নমস্য ব্যক্তিৰ অক্লান্ত পৰিশ্ৰম তথা মহান ত্যাগৰ ফলস্বৰূপে পবিত্ৰ অনুষ্ঠান 'ৰঙিয়া মহাবিদ্যালয়ৰ জন্ম হৈছিল সেই সকল ত্যাগী, পৰিশ্ৰমী চিৰ নমস্য ব্যক্তিকো প্ৰতিবেদনৰ বাট চ'ৰাতে মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ।

ৰঙিয়া মহাবিদ্যালয়ত অধ্যয়ন কৰা তিনিটা বছৰ মোৰ জীৱনৰ বাবে সদায়, চিৰস্মৰণীয় হৈ ৰ'ব। এই তিনিটা বছৰত মই পোৱা বাস্তৱ অভিজ্ঞতাক মোৰ মস্তিকই সদায় ৰিঙিয়াব। এই তিনিটা বছৰৰ প্ৰত্যেকটো দিন আছিল মোৰ বাবে এক সুমুধুৰ স্বপ্নৰ দৰে। প্ৰতিটো দিনতে বিচাৰি পঠাইছিলো এক নতুন উন্মাদনা প্ৰতিটো দিনে মোলৈ কঢ়িয়াই আনিছিল এক মিঠা মাদকতা প্ৰতিটো দিন আনিব মোৰ বাবে এক অচিন কৌতুহল যুক্ত।

অধ্যয়ন কৰা এই তিনিটা বছৰত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মৰম স্নেহ, ভাল-পোৱাৰ লগতে শিক্ষাগুৰু সকলৰ আৰ্শীবাদৰ ফলস্বৰূপে এই মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্ব্বাচনত এক্ৰেৰাহে ১৯৯৩-৯৪ ইং বৰ্ষৰ বাবে গুৰু খেল সম্পাদক ১৯৯৪-৯৫ চনৰ বাবে উপ-সভাপতি হিচাপে নিৰ্ব্বাচিত হৈছিলোঁ। লগতে ১৯৯৫ চনৰ মহাবিদ্যালয়ৰ সৰস্বতী পূজাৰ সাধাৰণ সম্পাদক তথা অসম জাতীয়তাবাদী যুঁৱ ছাত্ৰ পৰিষদৰ ৰঙিয়া মহাবিদ্যালয় গোটৰ সভাপতিৰ দায়িত্ব বহন কৰিছিলোঁ। এই সকলোবোৰ গুৰু দায়িত্ব বহন কৰি হয়তো মই কেতিয়াবা উজুতি খাইছিলো, হয়তো কেতিয়াবা কিবা ভুল কৰি পেলাইছোঁ, স্বয়ং দেৱতা ঋষি মুনিৰো ভুল হয় মইটো সাধাৰণ মানুহ, মোৰ যে ভুল নহ'ব তাক দাঠি কব নোৱাৰো। মই অজ্ঞাতে কৰা ভুলৰ ক্ষমা বিচাৰি চমু প্ৰতি-বেদনৰ পাতনি মেলিছো .... .... .... ।

মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উপ-সভাপতি এজনৰ প্ৰধান কৰ্ত্তব্য তথা দায়িত্ব হ'ল একতা সভাখন সুচাৰুৰূপে পৰিচালনা কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধা-অসুবিধাৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰি মহাবিদ্যালয়ৰ শান্তি তথা আইন শৃংখলা বজাই ৰখা। মোৰ কাৰ্য্যকাল চোৱাত এই কেইটা বিষয়ৰ ওপৰত মই দৃষ্টি নিক্ষেপ কৰিছিলো। মহাবিদ্যালয় সমূহ সমস্যাক দিহা পৰামৰ্শ তথা সহায়-সহযোগিতাৰে সমাধা কৰিবলৈ আগ বাঢ়িছিলোঁ এই ক্ষেত্ৰত সকলোৰে মোক আশানুৰূপ সহায় সহযোগিতা আগবঢ়াইছিল। সেয়েহে সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ।

মহাবিদ্যালৰ সমূহৰ অভাব অন্তহীন। প্ৰত্যেক মহাবিদ্যালয়ৰ দৰে ৰঙিয়া মহাবিদ্যালয়ৰো অভাব থকাটো স্বাভাবিক। মোৰ কাৰ্য্যকাল চোৱাত মহাবিদ্যালয়ৰ আভ্যন্তৰী সমস্যা সমূহক দূৰ কৰাৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ তৰফৰ পৰা বিভিন্ন বিভাগত কেইবাটাও দাবী সম্বলিত স্মাৰক পত্ৰ প্ৰদান কৰা হৈছিল। তাৰ ভিতৰত প্ৰধানত আছিল ছাত্ৰ জিৰণি কোঠা, চাইকেল আস্থান, এটি পেক্ষাগৃহ (অডিটৰিয়াম), সুস্থ পৰিবেশ পূৰ্ণ পুথি ভৰাঁল, প্ৰস্ৰাৱাগাৰ তথা শৌচাগাৰৰ ব্যৱস্থাকৰণ মুখ্য। আৰু সৌভাগ্যক্ৰমে মোৰ কাৰ্য্যকাল চোৱাতে এই সকলো সমস্যা সমাধানৰ পথলৈ আগ বাঢ়িছিলো। আৰু সৌ সিদিনা পুথি ভঁৰালৰ আৰু প্ৰেক্ষাগৃহৰ আধাৰ শিলা এক সুন্দৰ পৰিবেশত, সুন্দৰ ভাবে স্থাপন কৰা হ'ল। মহাবিদ্যালয়ত পঢ়ি মেছ কৰি থকা দুৰনিৰতীয়া ছাত্ৰ-ছাত্ৰী সকলৰ বহু সমস্যাৰ ভিতৰত মুখ্যতম কেৰাচিন তেলৰ অভাৱৰ বিষয়ে ৰঙিয়া মহকুমাৰ মহকুমাধিপতিক অৱগত কৰোৱা হৈছিল আৰু মাননীয় মহকুমাধিপতি দেৱেও ইতিবাচক সঁহাৰি আগবঢ়াইছিল। সেয়েহে তেখেতলৈও শ্ৰদ্ধাৰে শৰাই আগবঢ়ালোঁ। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সৰু বৰ সকলো সমস্যা সমাধানৰ বাবে কাৰ্য্যপন্থা হাতত লৈছিলোঁ আৰু তাৰ সমাধানৰ বাবে যৎপৰোণাস্তি চেষ্টাৰ ত্ৰুটি কৰা নাছিলোঁ।

সামৰণিত মোৰ কাৰ্য্যকালৰ বিভিন্ন দিশত উপদেশ আদিৰে সহায় আগবঢ়োৱা শ্ৰদ্ধাৰ অধ্যক্ষ আৰু উপাধ্যক্ষ মহোদয়, মাননীয় শিক্ষাগুৰু সকল, কৰ্মচাৰীৰ লগতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ কৃতজ্ঞতা জনালোঁ। ০০০

শ্ৰদ্ধাৰে—

শ্ৰীৰাতুল চন্দ্ৰ কলিতা



## ঃ সাধাৰণ সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন ঃ



ৰঙিয়া মহাবিদ্যালয় উত্তৰ কামৰূপৰ ভিতৰত এক বৃহৎ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান। এই গুৰুত্বপূৰ্ণ আৰু মহান শিক্ষানুষ্ঠানখন আজিৰ পৰা প্ৰায় ৩৩ বছৰ পূৰ্বে যিসকল মহান জ্ঞানী আৰু নিঃস্বাৰ্থ ব্যক্তিৰ আক্ৰান্ত পৰিশ্ৰমৰ বিনিময়ত ভূমিষ্ঠ হ'ল; সেইসকল নমস্য আৰু আগশাৰী ব্যক্তিলৈ মোৰ প্ৰতিবেদনৰ পূৰ্বে সহস্ৰ শ্ৰদ্ধা নিবেদিছোঁ। লগতে যি সকল মহান ব্যক্তিৰ নিঃস্বাৰ্থ সেৱাই এই বৃহৎ শিক্ষা প্ৰতিস্থানখনত মহান অৱদান দি থৈ গ'ল, সেই সকল স্বৰ্গত আৰু মহিয়ান ব্যক্তিলৈ শ্ৰদ্ধাঞ্জলী অৰ্পন কৰিলোঁ। লগতে তেওঁলোকৰ বিদেহী আত্মাই পৰমাত্মাৰ সৈতে মিলন ঘটক তাৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালোঁ।

ৰঙিয়া মহাবিদ্যালয়খনৰ জন্ম লগ্নৰ পিছৰ পৰাই 'Rangia College Students' Union' এই অনুষ্ঠানটো শিক্ষা প্ৰতিষ্ঠানটোৰ উন্নতিৰ হকে আত্মিক উপাদান হিচাপে ভূমিকা গ্ৰহণ কৰি আহিছে। এই অনুষ্ঠানটোৰ প্ৰতি বছৰৰ অন্তত এক সাধাৰণ নিৰ্বাচনৰ' যোগেদি ছাত্ৰ-ছাত্ৰীসকলে উপযুক্ততাৰ বিবেচনাৰে বিভাগীয় সম্পাদক/সম্পাদিকাক প্ৰত্যেক্ষ ভোটৰ মাধ্যমেৰে নিৰ্বাচিত হয়।

এই বেলি ১৯৯৪-৯৫ বৰ্ষৰ মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত মোক সাধাৰণ সম্পাদকৰ পদত নিৰ্বাচিত কৰি সুবিধাকন দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী প্ৰমুখ্যে বন্ধু-বান্ধবী সকললৈ মোৰ হিয়াভৰা মৰম জ্ঞাপন কৰিলোঁ। সাধাৰণ সম্পাদকৰ পদত নিৰ্বাচিত হৈ দেশ তথা সমাজত অব্যাহত থকা এক জটিল সময়ত যোৱা ইং ৪-১-৯৬ তাৰিখত (সাধাৰণ সম্পাদকৰ) গধুৰ দায়িত্ব কান্ধ পাতি লৰ লগা হৈছিলো।

মোৰ একছৰীয়া কাৰ্য্যকালৰ লক্ষ্য আগত ৰাখি কাৰ্য্যভাৰৰ দায়িত্ব লোৱাৰ পিছ মুহূৰ্ত্ততে ৯৫' বৰ্ষৰ মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহৰ কাম পূৰ্ণোদ্যমে চলাই নিব লগা হয় যোৱা ১৮-১-৯৫ ইং তাৰিখৰ পৰা ২১-১-৯৫ ইং তাৰিখলৈ। বাৰ্ষিক মহাবিদ্যালয় সপ্তাহৰ "মুকলি বঁটাবিতৰণী" সভাখন অনুষ্ঠিত কৰা

হয় যোৱা ২১-১-৯৫ ইং তাৰিখে এক গাম্ভীৰ্য্য পূৰ্ণ পৰিবেশত। এই বঁটাবিতৰণী সভাখনে ছাত্ৰ-ছাত্ৰীৰ মনত অধিক ৰোমাঞ্চকৰ ভাৱ উন্মেষ ঘটোৱাৰ বাবে বহুকেইজন অতিথিক আমন্ত্ৰণ কৰা হৈছিল যদিও মাত্ৰ বিশিষ্ট শিল্পী শ্ৰীযুত অমূল্য কাকতি দেৱৰ উপস্থিতিত বঁটাবিতৰণী সভাখন সুন্দৰ ভাৱে অনুষ্ঠিত হয়। এই মুকলি আৰু বঁটাবিতৰণী সভাত সভাপতিৰ আসন গ্ৰহণ কৰিছিল সেই সময়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মাননীয় শ্ৰীযুত গদাধৰ ফাটোৱালী দেৱে।

সাধাৰণ সম্পাদকৰ দপ্তৰত থাকি সম্পন্ন কৰিব লগা অন্যান্য কামৰ ভিতৰত অন্যতম হ'ল "নৱাগত আদৰণি সভা"। এইবেলিৰ নৱাগত আদৰণি সভাখন যোৱা ৯ চেপ্তেম্বৰ ৯৫' শনিবাৰে অনুষ্ঠিত কৰা হয় এক আনন্দ মুখৰ পৰিবেশত। এই আদৰণি সভাত ৰঙীন আশা বুকত বান্ধি ৰঙিয়া মহাবিদ্যালয়ত নাম ভৰ্ত্তি কৰা সমূহ নৱাগত/নৱাগতা ছাত্ৰ-ছাত্ৰীসকলক এক আনন্দময় পৰিবেষত আনুষ্ঠানিক ভাবে আদৰণি জনোৱা হয়। সেই দিনাৰ ছাত্ৰ-ছাত্ৰীৰ এক আকৰ্ষণীয় অনুষ্ঠানৰ শুভাৰম্ভ হয় "প্ৰীতি সন্মিলনৰ' জৰিয়তে। আমাৰ মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ অধ্যাপক সন্মানীয় শ্ৰীযুত প্ৰদীপ ঠাকুৰীয়া দেৱৰ সুদক্ষ সঞ্চালনাত। সেই দিনাৰ অন্যতম প্ৰধান কাৰ্য্যসূচী আছিল নৱাগত/নৱাগতা সকলক আদৰণি জনোৱাৰ্থে অনুষ্ঠিত কৰা "মুকলি সভাখন"। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সমস্যাৰ দৃষ্টিগোচৰ কৰি আৰু তাৰ নিম্নতম সমস্যা সমাধান কল্পে আৰু ছাত্ৰ-ছাত্ৰীৰ প্ৰেৰণাৰ্থে উত্তৰ বিশ্ববিদ্যালয় অনুদান আয়োগৰ পূৰ্বাঞ্চল বিশ্ববিদ্যালয়ৰ যুটীয়া সচিব আৰু অৱৰ সচিব ক্ৰমে মাননীয় শ্ৰীযুত বিঃএন ৰায় চৌধুৰী আৰু শ্ৰীসঞ্জয় কুমাৰ দাস দেৱক বিশিষ্ট আৰু নিৰ্দিষ্ট বক্তা হিচাবে আমন্ত্ৰণ কৰি অনা হয়। ইয়াৰ উপৰিও স্থানীয় বিধায়ক ৰঙিয়া মহাবিদ্যালয় পৰিচালনা কমিতিৰ সভাপতি মাননীয় শ্ৰীযুত থানেশ্বৰ বড়ো দেৱকো আমন্ত্ৰণ কৰি অনা হয়। উক্ত সভাৰ সভাপতিৰ আসন অলংকৃত কৰে ভাৰপ্ৰাপ্ত অধ্যক্ষ মাননীয় শ্ৰীযুত গোলোক চন্দ্ৰ ভূঞা দেৱে। আদৰণি সভাৰ ভাষণত আমন্ত্ৰিত অতিথি মাননীয় শ্ৰীযুত বি এন ৰায় চৌধুৰী আৰু শ্ৰীযুত সঞ্জয় কুমাৰ দাস দেৱে আমাৰ মহাবিদ্যালয়ৰ সমস্যাৰ প্ৰতি অৱগত হৈ বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগৰ ছাত্ৰ-ছাত্ৰীৰ অতিকৈ অভাৱণীয় সমস্যা 'পুথিভঁৰাল' আৰু লেৱৰেটৰীৰ অভাৱ পূৰণাৰ্থে 8th Phone Period ৰ বাকী থকা মঞ্জুৰী আদায় দিয়াৰ কথা ঘোষণা কৰে। ফলস্বৰূপে মঞ্জুৰী আয়োগৰ পৰা যোৱা ২৫-১১-৯৫ ইং তাৰিখে ১,২৫,০০০ টকা (এক লাখ পচিশ হাজাৰ টকা) মহাবিদ্যালৰক আদায় দিয়ে।

আমাৰ মহাবিদ্যালয়ত প্ৰতি বছৰে অনুষ্ঠিত হোৱা স্বৰ্গীয় সিদ্ধিনাথ শৰ্ম্মা স্মাৰক সদৌ অসম আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাখন যোৱা ২৩ চেপ্তেম্বৰ '৯৫ ত আনুষ্ঠানিক ভাবে অনুষ্ঠিত কৰা হয়। এই আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত বি-বৰুৱা কলেজ, পাণ্ডু কলেজ, বজালী কলেজ আদি প্ৰধান কলেজ সমূহে অংশ গ্ৰহণ কৰে এক উন্নত মানদণ্ডৰে ই সম্পন্ন হয়।

হে ছাত্ৰ/ছাত্ৰী বন্ধু-বান্ধৱী সকল, মোৰ এবছৰীয়া কাৰ্য্যকালৰ ভিতৰত ছাত্ৰ-ছাত্ৰীৰ সমস্যা সমূহৰ যৎ কিঞ্চিৎ সমাধান কৰিব পাৰিলো নে নাই; সেইটো প্ৰকৃততে ছাত্ৰ-ছাত্ৰীৰ বিচাৰ্য্য বিষয়। যিবিলাক সমস্যা পূৰ্ব্বৰে পৰা কোনো ধৰণৰ অগ্ৰাধিকাৰ পোৱা নাই, সেই আটাইবোৰ সমস্যাৰ ওপৰত মই সাধাৰণ সম্পাদকৰ পদত থাকি তাৰ পৰ্য্যায় ক্ৰমে সমাধানাৰ্থে অনুষ্ঠানটোৰ লগত সম্পূৰ্ণৰূপে সহযোগিতা আৰু পৰ্য্যাপ্ত পৰিমাণে চেষ্টাও কৰিছোঁ। আমাৰ মহাবিদ্যালয়ত অতি পুৰণি ছাত্ৰ-ছাত্ৰীৰ অভাৱ তথা সমস্যা সমূহ যেনে, ১। এটা উন্নত মানৰ পুথিভঁৰালৰ সমস্যা, ২। এটা স্থায়ী প্ৰেক্ষা গৃহৰ অভাৱ. ৩। চাইকেল আস্থানৰ অভাৱ, ৪। ছাত্ৰ জিৰণী কোঠাৰ অভাৱ ৫। হোষ্টেলৰ অভাৱ আৰু ৬। ছাত্ৰ একতা সভাৰ কাৰ্য্যালয়ৰ অভাৱ আদিৰ দৰে মৌলিক অভাৱ সমূহৰ সমাধান বিচাৰি কৰ্তৃপক্ষক হেঁচা প্ৰদান কৰাৰ ফলত সমস্যাৱলীৰ কিয়দংশ সমাধানৰ পথত আগবাঢ়িছে।

এইখিনিতে উল্লেখ কৰিব লগা কামটো হ'ল, আমাৰ কাৰ্য্যকালৰ ভিতৰত যোৱা ইং ২৫-১১-৯৫ তাৰিখে আনুষ্ঠানিক ভাৱে পুথি ভঁৰাল, ষ্টুডেন্টচ্ ইউনিয়ন হ'ল, প্ৰেক্ষাগৃহ আৰু প্ৰশাসনীয় গৃহৰ আধাৰ শিলা স্থাপনৰ কাৰ্য্য সামগ্ৰীক ভাবে সম্পন্ন হয়। উক্ত আধাৰ শিলা অনুষ্ঠানত নুনমাটি তেল শোধানাগৰৰ মহা প্ৰবন্ধক প্ৰমুখ্যে বহু কেইজন সহকাৰী প্ৰবন্ধকৰ উপস্থিতিত এই আধাৰ শিলা স্থাপনৰ শুভাৰম্ভ কৰা হয়। আধাৰ শিলা উপলক্ষে অনুষ্ঠিত লগতে হোৱা সভাত মাননীয় মহা প্ৰবন্ধক শ্ৰীযুত কাকতি দেৱে অনুদান হিচাপে ৫০,০০০ (পঞ্চাশ) হাজাৰৰ চেক এখন সভাৰ সভাপতি মাননীয় শ্ৰীযুত থানেশ্বৰ বড়োদেৱৰ (M. L. A) হাতত অৰ্পন কৰে। এইদৰে মহাবিদ্যালয়ৰ সমস্যাৰ প্ৰতি দৃষ্টি ৰাখি সাধাৰণ সম্পাদকৰ পদত থাকি মই অনুষ্ঠানটোৰ প্ৰতিটো গঠন মূলক কাৰ্য্যত সহযোগিতা কৰোঁ। আমাৰ কাৰ্য্যকালত সম্পন্ন হোৱা অন্য এটা সুবিধা যেনে, ST/O.B.C আৰু SC ছাত্ৰ-ছাত্ৰীৰ কাৰণে বিনামূলীয়া পাঠদানৰ ব্যৱস্থা কৰা আৰু কম্পিউটাৰ বিজ্ঞানৰ চাৰ্টিফিকেট বোৰ্ডৰ বিনামূলীয়া পাঠ দানৰ দৰে সুবিধা সমূহৰ সুনিশ্চিত ব্যৱস্থা কৰা হয়। এই কামৰ ক্ষেত্ৰত লোৱা প্ৰয়োজনীয় তথা অগ্ৰণী ভূমিকাৰ বাবে মহাবিদ্যালয়ৰ কৰ্মচাৰী শ্ৰীৰমণী ৰাজবংশী স্মৰণ যোগ্য।

হে, ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধৱীসকল, ৰঙিয়া মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীৰ কাৰণে প্ৰতি বছৰে এক নিম্ন পৰিমাণৰ পুজিঁৰ আৱন্তন হৈ আহিছে। আলোচনীৰ নামত বৰ্ত্তমানৰ অসম চৰকাৰে যুৱ কল্যাণ প্ৰকল্প বিভাগৰ পৰা ২০,০০০ টকা অনুদান হিচাপে দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে। সেই অনুদানৰ ইতিমধ্যে ১৫,০০০ টকা সংগ্ৰহ কৰিব পৰা গৈছে।

